
৪২ তম সংখ্যা, ১৯৯০-৯১

# কানৈয়ান

## কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী/শ্ৰীমতী ................................................................ৰ হাতত

সুবোধ কুমাৰ সোণোৱাল
সম্পাদক কানৈয়ান

সম্পাদক : সুবোধ কুমাৰ সোণোৱাল

# কানৈয়ান

কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

৪২তম সংখ্যা

১৯৯০-৯১ চন

সম্পাদক : সুবোধ কুমাৰ সোণোৱাল

সুঁৱৰিছো সেই সকলক — যাৰ স্মৃতি আজিও অম্লান —

প্ৰাক্তন অধ্যক্ষ ড° লক্ষী প্ৰসাদ দত্ত
,, অধ্যাপক যতীন্দ্ৰ নাথ তুৰবা
,, কানৈয়ান জ্যোতিষ ভট্টাচাৰ্য্য

আৰু সুঁৱৰিছো

সৌ সিদিনা আকস্মিকভাৱে আমাৰ মাজৰ পৰা আঁতৰি যোৱা মহাবিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰৱক্তা— মন্টোষ চক্ৰৱৰ্তীক

প্ৰসঙ্গতে এটুপি চকুলো টুকিছো : এই সকলৰ পবিত্ৰ স্মৃতিত —

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে বুকুৰ শোণিত ঢালি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা অনেকজন, যোৱা বছৰত ঘটি যোৱা বিশ্বৰ বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত কৰুণ মৃত্যুক সাবটি লোৱা অলেখজন আৰু জ্ঞাত-অজ্ঞাত সহস্ৰজন

আৰু সমভাগী হৈছো বিশ্বৰ অগণন জনতাৰ —

জীয়াই থাকিও আজি যিসকল মৃতপ্ৰায় — স্বাধীনতা, সমতা, মানৱাধিকাৰ আদি শব্দবোৰৰ অৰ্থ ব্যক্ত কৰাটো যাৰ দ্বাৰা কোনোমতেই সম্ভৱ নহয়

## সম্পাদনা সমিতি

**সভাপতি**

অধ্যক্ষ ডিম্বেশ্বৰ চলিহা

**ভাৰপ্ৰাপ্ত অধ্যাপক**

ড° শৰৎ বৰবৰা

**উপদেষ্টা**

অধ্যাপিকা জ্যোতিমালা গোহাঁই

**সম্পাদক**

সুবোধ কুমাৰ সোণোৱাল

**মুখ্য সহযোগী**

ছাহবাজ আনৱাৰ

**সদস্য**

পলী চমুৱা
পদ্ম দোলাকাষৰীয়া
প্ৰশান্ত ঢেকীয়াল
প্ৰণব গগৈ
চিন্ময়প্ৰাণ সোণোৱাল

প্ৰচ্ছদপটৰ পৰিকল্পনা : সম্পাদক
প্ৰচ্ছদপটৰ শিল্পী : সুমন গগৈ

আলোচক চিত্ৰ : অজিত কুমাৰ দেউৰী ভঁৰালী
ছাহবাজ আনৱাৰ

**অলংকৰণ**

অচ্যুত কুমাৰ চেতিয়া পাত্ৰ

**ছপা**

লখিমী প্ৰেছ, চৌকিদিঙ্গী
ডিব্ৰুগড়

**কৃতজ্ঞতা**

অধ্যক্ষ ডিম্বেশ্বৰ চলিহা
অধ্যাপক ড° শৰৎ বৰবৰা
" মেহতাব আহমেদ
" হৰেণ গগৈ
" ড° আতিকুদ্দিন আহমেদ
" ড° এ. এন. জেদ. এ. হাজৰিকা
অধ্যাপিকা জ্যোতিমালা গোহাঁই
" জ্যোতিৰেখা হাজৰিকা

**সদস্যবৃন্দ**

যুগল বুঢ়াগোহাঁই
আইমানু সোণোৱাল

দৰ্শন গোহাঁই
অনুপম গোস্বামী
জয়ন্ত গগৈ
সোণাৰাম কছাৰী

সুমন গগৈ
ছাহবাজ আনৱাৰ
তপন কৰ্মকাৰ

লখিমী প্ৰেছৰ স্বত্বাধিকাৰী বিপিন শৰ্মা আৰু কৰ্মীবৃন্দ

# সম্পাদকীয়

বৰ্তমান বুলি কলে আজি কালি মই বৰ বেছি সময়ৰ কথা নুবুজো। একৈশ বছৰীয়া জীৱনটিৰ প্ৰান্তত নিৱলে বহি কিবা এটা লেখিবলৈ ধৰি এযাৰ কথাই ভাবিছোঁ— কলম চলাই থকা মুহূৰ্তকণ বাদ দি বাকী গোটেইখিনি সময় মোৰ অতীত। গোলাপৰ সৌন্দৰ্য বৰ্ণনা কৰাটোহে বৰ্তমান, 'বৰ্ণিত' সৌন্দৰ্যখিনি নহয়। আনহাতে আকৌ মোৰ বোধগম্য হৈছে যে 'বৰ্ণিত' সৌন্দৰ্যখিনিৰ বাবেহে অথবা সৌন্দৰ্য খিনিতহে আমাৰ জীৱন। যথাৰ্থতে বৰ্তমানৰ অস্তিত্ব মই কেৱল উপলব্ধিহে কৰিব পাৰো— তাৰ কাৰ্য সম্পাদনৰ ভৱিষ্যতে।

সকলো কৰ্মৰেই একো একোটা বৰ্তমান আছে (যি ক্ষণত কাৰ্য-সম্পাদন কৰা হয় সেই নিৰ্দিষ্ট ক্ষণটোৱে তাৰ বৰ্তমান)। বহুধাবিভক্ত সময় প্ৰবাহ কেতিয়াবা আমাৰ দুৰ্বল মুহূৰ্তবোৰৰ এক উপলক্ষ্য হৈ পৰে। যোৱা প্ৰায় দুকুৰি বছৰে অসমৰ বাবে ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰই চকুত লগা ধৰণৰ বিশেষ একো কৰা নাই বা অসমৰ একো উদ্‌গতি নহল অথবা চৰকাৰৰ একান্ত ইচ্ছা থকা স্বত্বেও অমুক তমুকৰ কাৰণে এই বছৰ অমুক কাম ফেৰা সমাপ্ত নহল— জাতীয় বক্তব্যবোৰ আচল অৰ্থত কবলৈ গ'লে, একো একোটা উপলক্ষ্যহে মাত্ৰ। বক্তব্যবোৰ অস্পষ্ট আৰু Monotonous Lamentation ৰ দৰে হ'লে ৰাইজৰ সন্দেহ আৰু অবিশ্বাস অধিক ঘনীভূত হৈ পৰে। যুক্তিয়ে সঁচাক মিছা আৰু মিছাক সঁচা কৰিব পাৰে। সেয়ে, পক্ষপাতিত্বৰ দোষত দোষী হোৱাৰ পৰা হাত সাৰিবলৈ হ'লে যুক্তি সদায় তথ্যভিত্তিক আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱা হব লাগে।

অতীত যিহেতু কাৰ্য-সম্পাদনৰ ক্ষণ নহয়, অতীত ৰোমন্থনে ব্যক্তিক কেতিয়াবা কৰ্তব্য পথৰ পৰা বিচলিতো কৰিব পাৰে, গতিকে এই ক্ষেত্ৰত আমাৰ যুক্তি সদায় প্ৰামাণ্য তথ্যভিত্তিক হব লাগে যাৰ অৱস্থিতি সত্যৰ পৰা কেতিয়াও নিলগাব নোৱাৰি। ইতিহাস অধ্যয়নে নিঃসন্দেহে মানুহক জ্ঞানী কৰে। পিছে অতীতৰ বিৰামহীন বিলাপে ব্যক্তিক কেতিয়াবা অলস আৰু নিষ্কৰ্মা কৰি তোলাৰ আশংকাও নুই কৰিব নোৱাৰি। অস্পষ্টতা আৰু Monotonous Lamentation ত্যাগ কৰি কিবা এটা অন্ততঃ কৰিবৰ হ'ল। প্ৰশ্ন জাগে, কৰিব কোনে? বুদ্ধিজীৱীয়ে, সাংবাদিকে, ছাত্ৰই, শিক্ষকে, কৃষকে? এজন সাংবাদিকৰ মতে, 'সচাঁ অৰ্থত আমাৰ বুদ্ধিজীৱী আছে জানো?' এনেধৰণৰ বাদানুবাদবোৰ আমাৰ ক্ষুদ্ৰ মগজুৱে এবাই চলিব খুজিলেও এযাৰ কথা নিঃসন্দেহে কব পাৰি যে কিছুসংখ্যকৰ চিন্তাধাৰাবোৰ যুগসাপেক্ষ নহয় অথবা বলিষ্ঠ হোৱাৰ অৱকাশ নৈ যায়। এই কিছুসংখ্যকৰ বাবেই আন নতুন কিছুসংখ্যক (অৰ্থাৎ কিছুমান সমস্যাৰ) সৃষ্টি হৈছে।

ছাত্ৰ হিচাপে ব্যক্তিগত উৎকৰ্ষ সাধনৰ সাধনাটোৱেই আটাইতকৈ মহৎ সাধনা বুলি মোৰ প্ৰত্যয় জন্মিছে। (যাৰ বৰ্তমানেই নাই সি বাৰু ভৱিষ্যতৰ কথা চিন্তা কৰিব কেনেকৈ?) বৰ্তমান যিটো পৰিবেশত থাকি আমিবোৰে (ছাত্ৰবোৰে) মানুহ হোৱাৰ যি এক অবিৰাম প্ৰচেষ্টা অব্যাহত ৰাখিছো, ভৱিষ্যত প্ৰজন্মক ইয়াৰ দোষ ক্ৰুটিবোৰে (যদি কালক্ৰমত বৰ্তমানৰ তথাকথিত সামাজিক কাৰ্য কলাপবোৰ দোষ ক্ৰুটিৰে পৰিপূৰ্ণ বুলি প্ৰমাণিত হয়) বাৰুকৈয়ে ব্যথিত কৰি তুলিব। সচৰাচৰ কবলৈ গ'লে সামাজিক নীতি-নিয়ম সমূহ ঠিকেই থাকে কিন্তু কাৰ্য-সম্পাদনৰ প্ৰক্ৰিয়াটোহে কেতিয়াবা ভুল হয়। নতুন প্ৰজন্মক স্বাস্থ্যকৰ পৰিবেশ এটাৰ অধিকাৰী কৰি থৈ যাব পাৰিলে আমাৰ জানো কম গৌৰৱৰ কথা নহব? সেই ক্ষণটো আমাৰ বাবে এক বিৰাট প্ৰতীক্ষা যাক কেন্দ্ৰ কৰিয়ে আমি মানুহ হোৱাৰ অবিৰাম প্ৰচেষ্টাটো অব্যাহত ৰাখিবৰ বাবে যত্ন কৰা উচিত। তাৰ বাবে লাগিব এটা অধ্যয়নপুষ্ট মন আৰু গঠনমুলক মানসিকতা। ভুলৰ পুনৰাবৃত্তি ঘটোৱাটো কোনো বুদ্ধিমানৰে কাম হব নোৱাৰে, যদিও To err is human. আজিকালি আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰি গগণ ফলা চিঞৰ আৰম্ভ হৈছে। কিন্তু মোৰ এক নিৰপেক্ষ দৃষ্টিভংগীয়ে কব খোজে যে প্ৰথমে আমি নিজেই সুশৃংখল সামাজিক বাতাবৰণ এটাৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ ল'ব লাগিব। অৱশ্যে, এনেধৰণৰ চিন্তাধাৰাবোৰ মোৰ একান্তই ব্যক্তিগত। সামাজিক নীতি নিৰ্দেশনাৰ সৈতে ইয়াৰ প্ৰায়োগিক প্ৰমূল্য বিছাৰি যোৱাৰ ধৃষ্টতা মোৰ নাই।

লেখনিৰ বিষয়বস্তুৰ সন্দৰ্ভত, "বিপ্লৱৰ বিষয়ে লেখিবলৈ বাৰম্বাৰ অনুৰোধ জনোৱাৰ অৱশেষত মানুহজনে 'কৃষ্ণচূড়া'ৰ বিষয়ে লেখা কবিতা দিছিল। সেয়ে, চালনীত থকা কেইটাকে ধুই চৰুক সুধি বহোৱা হ'ল।" ফলস্বৰূপে শ্মশানাগনিৰ দৰে সৰ্বজন নিন্দনীয় আৰু আত্মঘাটিমূলক প্ৰক্ৰিয়া এটাৰ পৰা মোৰ বিবেকক অব্যাহতি দিবলৈ পায় আজি মই গৌৰৱান্বিত হৈছোঁ।

মোৰ অজ্ঞাতে সম্পাদকীয়ই কাৰোবাক (প্ৰয়োজন সাপেক্ষে দুই এক সতীৰ্থক) চুই গ'লেও উপকৰাকৈ বগাই যাবলৈ এৰি দিয়াটোৰহে মই পক্ষপাতী।

এই প্ৰকাশনটোত (যিটো মোৰ বাবে এক বিৰাট অভিজ্ঞতা) নতুন নতুন যেন কিবা এটা কৰিব খোজা প্ৰচেষ্টাটোৰ প্ৰতি অকুণ্ঠ সহায় সহযোগিতা আগবঢ়োৱা সকলোৰে প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অস্পষ্টতা বৰ্জিত এক পৰিস্কাৰ মূল বোধসম্পন্ন সমালোচনাক আদৰিবলৈ আন এক সুস্থ আৰু প্ৰগলভ দৃষ্টিভংগী মোৰ নিচেই কাষতে প্ৰস্তুত কৰি ৰাখিছোঁ।

শ্ৰদ্ধাৰে

সুবোধ কুমাৰ সোণোৱাল

# সূচীপত্ৰ

## ॥ প্ৰবন্ধ ॥


| ॥ পৃষ্ঠা ॥ | | |
|---|---|---|
| ১ | নৱৈৰ উপকণ্ঠত মই মানুহৰ কবি | মৃণাল কুমাৰ গগৈ |
| ৬ | অৰ্থনৈতিক উন্নয়নৰ গতি আৰু ধাৰা | ড° আতিকুদ্দিন আহমেদ |
| ৯ | যুৱ মানসিকতা | মঃ ইমান বড়া |
| ১৩ | হৃদয়ৰ এক অজান অনুভূতি— প্ৰেম | দুলাল বৰগোহাঁই |
| ১৫ | ৰবীন্দ্ৰ সৰকাৰৰ 'নিজানত ৰাতিৰ শব্দ' | মুনীন্দ্ৰ নাথ শৰ্মা |
| ২০ | নিৰাশাবাদ এক অপৰাধ | সুনীল ৰাজকোঁৱৰ |
| ২২ | চন্দ্ৰকুমাৰৰ কবিতাৰ সৌন্দৰ্য : এটি আভাস | অধ্যাপিকা জ্যোতিমালা গোহাঁই |
| ২৬ | ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিছিংসকল : এটি চমু আভাস | মুখ্যনাথ দলে |
| ৩০ | ৰামায়ণত বিভীষণৰ চৰিত্ৰ | ড° মহেশ্বৰ হাজৰিকা |


## ॥ গল্প ॥


| | | |
|---|---|---|
| ৩৩ | পৰাজয় | শঙ্কৰ সোণোৱাল |
| ৩৬ | ব্যৰ্থ সৈনিক | পুনেশ্বৰ কোঁৱৰ |
| ৩৮ | আশা নিৰাশা | মিতালী গগৈ |
| ৪০ | অক্ষম | চন্দন শৰ্মা |
| ৪২ | শেষ যাত্ৰা | দৰ্শন গোহাঁই |
| ৪৬ | সোঁৱৰণী | জাফ্‌ৰিন আৰা আহমেদ |


## ॥ কবিতা ॥


| | | |
|---|---|---|
| ৪৯ | তেজ ফুল পানী আনুসঙ্গিক | দীপক কুমাৰ বড়া |
| ৫০ | প্ৰেমিক | আইমানু সোণোৱাল |
| ৫১ | অন্তৰংগ | তৃষ্ণা নেওগ |
| | বিদায় | পলী চমুৱা |
| | অপেক্ষা | কুমাৰ শৈলেন দিহিঙ্গীয়া |
| ৫২ | এটা ৰাতিৰ বুকুত প্ৰিয়াৰ স্কেচ | হাচান ইকবাল আহমেদ |
| | জনতাৰ গান | বোবিন চুতীয়া |

| | | |
|---|---|---|
| ৫৫ | ॥ এমুঠি অনুবাদ কবিতা ॥ | |
| ৫৮ | ॥ মুকলি মঞ্চ ॥ ভূমিকাত : | ড° হীৰেণ গোহাঁই, কনকসেন ডেকা, ড° কবীন ফুকন, |
| ৬২ | ॥ মুখামুখি ॥ | চৈয়দ আব্দুল মালিকৰ সৈতে এখন্তেক |
| ৬৭ | ॥ মতামত ॥ ভূমিকাত : | সংগীতা শৰ্মা, মিতালী চলিহা, জয়ন্ত কমান, ৰূপজ্যোতি শইকীয়া, মণ্টু ভূঞা |
| ৭৪ | "কানৈয়ান"লৈ দুখন চিঠি | প্ৰেৰক : যামিনী ফুকন, নাহেন্দ্ৰ পাতুন |
| | ॥ ব্যঙ্গ ৰচনা ॥ | |
| ৮১ | পৰীক্ষা কেনচেল | ৰাণা ৰঞ্জন দত্ত |
| | ॥ এটি কৌতুক ॥ | |
| ৮৩ | অষ্টম আচৰিত | ৰাকেশ শুক্লা |
| ৮৪ | প্ৰতিবেদন | |


## English Section

Contents


| | | |
|---|---|---|
| 1 | Migratory Birds of North-East India | D. Chaliha |
| 4 | Our Stone Age Prometheus and his gift | Dr. Sarat Borbora |
| 6 | Finger Dermatoglyphics and Ridge Patterns in Man. | Dr. Deepanjana D. Das |
| 8 | Development of Geography and its Concepts through ages. | Narendra Mahela |
| 13 | A Dream of Non-Violence | Jyotirmoy Hazarika |
| 14 | The Human Brain : An Amazing Phenomenon | Partha Pratim Borgohain |
| 16 | Geography : On our National Scene | Pankaj Boruah |
| 18 | The Heritage of Assam | Naushad Alam |
| 20 | Nothing Succeeds Like Success | Sarfraz Haque |
| 22 | The Great Depression | Pranjit Hazarika |
| 24 | An Appeal to you | Subodh Sonowal |
| | Memory of Friendship | Ezaz M. Anwar |
| 25 | Attraction | Jayanta Kaman |
| | The Green Truth | Numal Mahatta |
| | Dream Comes True | Polycarp Kujur |
| 26 | War or Peace | Sumeet Singh |
| | Difference between my Teacher and me | Shahbaz Anwar |
| 27 | Avoid this Article | Gautam Sarmah |
| 28 | This is a Fact | Md. Altafur Rahman |
| 29 | Lovomania | Md. Ataur Rahman |
| | Believe it or not | Md. Asfakur Rahman |

প্ৰবন্ধ

# "নৱৈৰৰ উপকণ্ঠত মই মানুহৰ কবি"

মৃণাল কুমাৰ গগৈ
স্নাতক ২য় বাৰ্ষিক ( কলা )

সাহিত্যৰ ইতিহাসত টি, এচ, ইলিয়টৰ প্ৰসঙ্গ নিঃসন্দেহে একক আৰু সুদূৰ প্ৰসাৰী। বিশেষকৈ তেখেতৰ 'প্ৰুফ্ৰকৰ প্ৰেমগীতি' আৰু 'এগৰাকী মহিলাৰ চিত্ৰ' — এই কবিটা ছুটিয়ে বিংশ শতাব্দীৰ কাব্য জগতত নতুনত্বৰ সূচনা কৰিলে। কবিয়ে ত্যাগ কৰিলে ৰোমান্টিক ভাৱ প্ৰৱণতাক। প্ৰতীকবাহী কবি এডগাৰ এলেন্ পো, শাৰ্ল বদ্‌লেয়াৰ, ষ্টেফান্ মালাৰ্মে লাগাৰ্ফ, চিত্ৰকল্পবাদী কবি টি, ই হিউম, এজৰা পাউণ্ড, ৰিচাৰ্ড এডিংটন, হিল্‌ডা ডু লিটল্ আৰু মেটাফিজিকেল কবি ডন্ — এই সকলোৰেই প্ৰভাৱ ইলিয়টৰ কাব্য সৃষ্টিত বাৰুকৈয়ে পৰিলে; ৰচনা কৰিলে "ৱেষ্টলেণ্ড"। ইলিয়টৰ এই কাব্য জিজ্ঞাসাই কবিতাৰ প্ৰকৰণ আৰু প্ৰসঙ্গত যি নতুনত্ব আনিলে সি প্ৰায়বিলাক সমসাময়িক কবিৰেই আদৰ্শৰ স্থল হৈ ৰ'ল।

প্ৰধানতঃ উনবিংশ শতিকাৰ শেহ আৰু কুৰি শতিকাৰ আৰম্ভণিত বিভিন্ন (ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক আদি) কাৰণত গা কৰি উঠা সামাজিক উশৃংখলতা আৰু ইলিয়টৰ পৰোক্ষ ও প্ৰত্যক্ষ প্ৰভাৱেৰে অসমীয়া সাহিত্য ৰাজ্যতো বিশেষকৈ জয়ন্তী ('৩৮) আৰু ৰামধেনু ('৫১) ৰ পাচতে থিয় হ'ল এদল বিস্তৃত মানসিক দিগন্তসম্পন্ন কবি। নৱৈৰ উপকণ্ঠত বৈ আজি তেওঁলোক নতুনৰ দৃষ্টিত প্ৰবীণ কবি। এই প্ৰবীণ কবি সকলে ছল্লিশৰ দশকতে আত্ম প্ৰকাশ কৰে যদিও, ছুই এজনে আজিও কলম অব্যাহত ৰাখিছে। কিন্তু সৰহ সংখ্যক কবিৰেই থমকি ৰোৱাৰ কাৰণ হ'ল ষাঠি আৰু সত্তৰ দশকত গঢ় লৈ উঠা অসংখ্য নবীন কবিৰ ঠেলা হেচাঁ। এই নবীন কবিকুলৰ অন্তৰ্গত যি কেইজন কবিতা লেখকে অশেষ চেষ্টাৰ অন্তত কুৰি শতিকাৰ শেহৰ ফালে কবি হিচাপে আত্ম প্ৰকাশ কৰিছে, তেওঁলোকৰ কবিতাৰ এটি সংক্ষেপ সমীক্ষাহে ইয়াত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

এইখিনিতে বিশেষভাৱে উল্লেখযোগ্য যে বিশ্ব-ইতিহাসত সাহিত্যই বঠা ধৰি আগুৱাই নিয়া যিকোনো পৰিস্থিতি পৰিবৰ্তনৰ ক্ষেত্ৰত ৰাজনৈতিক বাতাৱৰণৰ প্ৰভাৱ বিশেষভাৱে লক্ষ্য কৰা যায়। স্বাধীনতাৰ পাছত সংঘটিত হোৱা ১৯৬০ চনৰ ভাষা আন্দোলন; ১৯৭২ চনৰ শিক্ষাৰ মাধ্যম আন্দোলন আৰু ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰ আন্দোলনে অসম আৰু অসমীয়াৰ আত্মিক মূল্যবোধত যি প্ৰভাৱ পেলালে, সি কুৰি শতিকাৰ শেহৰ ফালে অসমৰ তৰুণ-তৰুণী সকলৰ দেশ প্ৰেম প্ৰৱণতাক অত্যন্ত সজাগ কৰি তুলিলে আৰু অসমীয়া কবিতাতো তাৰেই ফলশ্ৰুতি প্ৰকাশ পাবলৈ ধৰিলে।

অত্যন্ত সংবেদনশীল জীৱনোপলব্ধিৰ বক্তব্যই কবিতাৰ চিন্তাশীল পাঠক সকলক আকৰ্ষিত কৰা কবি ৰবীন্দ্ৰ সহকাৰৰ কাব্য-দৰ্শনত বিকশিত হৈছে গণ-চেতনা আৰু জীৱনৰ বাস্তৱ সত্যৰ প্ৰতি থকা সূক্ষ্ম দৃষ্টিভংগী। সেয়েহে তেওঁৰ কবিতাত "বিস্ফোৰক মিছিলৰ মুখবোৰ পকা অণ্ঠাৰ দৰে জ্বলে"। কবিয়ে বুজি উঠিছে যে সমাজবাদী কবিতা মানে উকা শ্লগানৰ ভাষা নহয়; কবিতা জীৱন বোধ প্ৰকাশ কৰিব

পৰা নিটোল শব্দৰ আনুভূতিক ব্যঞ্জনাময় নিৰ্য্যাস মাখে'ান। "মোৰ আলিংগনৰ সকলো দুৱাৰ খোলা/সকলো মৃত্যুৰ পৰা জাগৰত হে প্ৰেম, তুমি মোক স্পৰ্শ কৰা'। অথবা 'চকুত পোহৰ নাই/জিভাত শব্দ নাই মজিয়াত মাটি নাই/উলঙ্গ/ তোমাৰ সৰ্বাঙ্গত লাগি আছে মানুহ নামৰ পাপ।" অৱশ্যে সমাজৰ দুৰৱস্থা প্ৰকাশ কৰাতেই কবি ক্ষান্ত থাকিল; কি ব্যৱস্থা ল'লে সমাজৰ মঙ্গল হ'ব তাক প্ৰকাশ কৰাত কবিৰ কলম বৰ বেছি তীক্ষ্ণ নহ'ল। হয়তো এনে নোহো-টোৱেই যিকোনো সাহিত্যৰ মহৎ কামনা।

এই মহৎ কামনাক বাস্তৱত দাঙি ধৰিছে 'বিশেষকৈ চকুত পৰা আৰু মনত লগা কবি' কবীন ফুকনে (নৰকান্ত বৰুৱা)। জীৱনৰ সকলো সংঘাতক প্ৰত্যাহ্বান হিচাপে লৈ কবিয়ে তেজোদীপ্ত কণ্ঠেৰে চিঞৰি উঠিছে, "তপত খবৰ লাগে/নাড়ী ভুৰু সকলো বখানি/মহাদেশ পাৰ হৈ জাক পাতি উৰি অহা/কাকতী-ফৰিংজাক পালে কোনখিনি?" —হলে কি হ'ব? কবি মানুহৰ কবি। মাটিৰ গোন্ধেৰে প্ৰজ্বোল কবিৰ কবিতাবোৰত আছে ৰসাল যৌৱনোদীপ্ত মনৰ চিৰন্তন অভিব্যক্তি আৰু হৃদয়গত গ্ৰাম্য সাংস্কৃতিক অতীতৰ সহজাত অনুভূতি; অথচ এই প্ৰকৰণক কোনো পধ্যেই ৰোমান্টিক কবিতা বুলিব নোৱাৰি। কাৰণ—তোমা-লোকৰ ফালে/তাহানিৰ লয়লাসে/এতিয়াও বহাগ আহেনে?/ চেকুৰে নে যমৰ ঘোঁৰা/পথাৰত দুৰন্ত গতিৰে? নাহৰ তগৰ ফুলে নে?" বাস্তৱবাদী বিষয় বস্তুত ৰোমান্টিকতাৰ প্ৰলেপ সানি প্ৰকাশ কৰাৰ বাবেই কবিতা বিলাকৰ হৃদয় বেছি প্ৰৱল হৈ পৰিছে; কবিয়ে অজানিতে গাই পেলাইছে, "এনেকৈয়ে দিন এনেকৈয়ে ৰাতি ছাঁ পোহৰৰ ইকাটি সিকাটি/ উদাস আবেলি জয়াল ৰাতি এতিয়া যে মোৰ আহিন কাতি" সেয়েহে কবীন ফুকনৰ কবিতাৰ ক্ষেত্ৰত ডঃ জনচনৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য, "It is the art of writing pleasure with truth by calling imagination to the help of reason" প্ৰতিটো কবিতাৰ নিটোল চিত্ৰকল্প আৰু দুই এক প্ৰাণ পৰশা প্ৰতীকে কবি মনৰ চৈতন্যদীপ্ত বুদ্ধিমত্তা আৰু গণমুক্তিৰ প্ৰতি সাগৰ সংকাশ আত্মপ্ৰত্যয় ঘোষণা কৰে। পখিলা হ'লেও পাখিত গভীৰতা থকাৰ দৰে কবীন ফুকনৰ কবিতাত আনন্দ মুখৰ চপলতা থাকিলেও প্ৰগাঢ় ব্যক্তিত্ব আছে। "কবিতা সকলোৰে বাবে নহয় কিছুলোকৰ বাবেহে"— এনে কঠিন চিৰসত্য মন্তব্যও উচ্ছেদ কৰি মানুহৰ মুখে মুখে ছটিয়াই দিলে কবিতাক কবীন ফুকনে। সেয়েহে হবপাই ডঃ মহেন্দ্ৰ বৰাই কৈছিল, "আধুনিক অসমীয়া কবিতাৰ ৰাজ্যলৈ এজন সঁচাসঁচি কবি আহিল।"

কবীন ফুকনৰ খোজতে খোজ মিলাই আইৰ অসুখৰ বাতৰি পাই জ্যোতিৰ্ময় দুহাতত উজ্জ্বল নক্ষত্ৰৰ চিঠি লৈ আমাৰ মাজলৈ দৌৰী আহিছে আন এজন কবি বিপুলজ্যোতি শইকীয়াই। কবীন ফুকনৰ কবিতাবিলাক যদি আকাশৰ দৰে বিস্তীৰ্ণ আৰু উদাৰ তেনে বিপুলজ্যোতিৰ কবিতাবিলাক সাগৰৰ দৰে গভীৰ আৰু বিশাল। তাৰেই জলন্ত স্বাক্ষৰ বহন কৰিছে এনেবোৰ স্তৱকে: "তোমাৰ ধৈৰ্য্যৰ ওচৰত নত হওঁক বিশ্বৰ কাপুৰুষ নিয়ন্তা / নত হওক বীৰ্যহীন যুদ্ধ / নত হওঁক সাম্ৰাজ্যবাদ নত হওঁক মানুহৰ ওপৰত শোষণৰ সমস্ত বুনিয়াদ।" তথাপি বিপুলজ্যোতিৰ কবিতাই নদীৰ কথাকেই আৰু সেই বাবেই নেকি 'নদী' প্ৰতীকৰ প্ৰতি কবিৰ আন্তৰিকতা বেছি। হ'লওে কবি আধুৰিতাৰ বাৰ্ত্তাবাহক। সেয়েহে কণ্ঠত নিগৰি উঠে, "তুমি কোন জননীৰ করুণ কল্যাণ মুখ/ নকঁপা গছৰ ছাঁত জুই হৈ কঁপা / ধুমুহা হৈ আজুৰি আনা তেজ।" সুস্থ চিত্ৰকল্প আৰু সফল প্ৰতিকৰ সুসমন্বয়ৰ গঢ় লোৱা কবিৰ প্ৰত্যেকটো কবিতাৰ চাৰুতাই আমাক এজন মহৎ কবি দান কৰিলে। ই আমাৰ বাবে আদৰ্শ আৰু আশীৰ্ব্বাদ। আশা ৰাখিছো, "মহাকাব্যৰ প্ৰথম পাততে ক্ষান্ত নাথাকি দ্বিতীয়, তৃতীয় পাতকে আদি কৰি শেষ পাত পৰ্য্যন্ত আমাক এইজন ডেকা কবিয়ে দিব। অৱশ্যে কবিতাৰ শিৰোনামাৰ ক্ষেত্ৰত কিছু সতৰ্ক হ'লে কবিৰ কবিতাবোৰৰ যুক্তিৰ খেলা হোৱাৰ উপৰিও হৈ পৰিব "best words in the best order." (ক'লৰিজ)।

কিন্তু কবিতাৰ এই সকলো আনুসঙ্গিকতাৰ প্ৰতি সমানে লক্ষ্য ৰাখি কবি সনন্ত তাঁতিয়ে 'ছন্দোবদ্ধ শব্দৰ শোভাযাত্ৰা' ৰচনা কৰিছে "এটা জীৱন জুৰি বৈ যোৱা ভাষালৈ। অকল চাহ শ্ৰমিকৰে নহয়, বিশ্বৰ প্ৰতিজন শ্ৰমিকৰ জীৱনৰ মাজেদি বৈ গৈছে সনন্ত তাঁতিৰ কবিতাৰ কুলু কুলু নৈ। কাৰণ শব্দৰ অনিৰ্বান শক্তিৰে সৌৰজগতত

"উজ্জ্বল নক্ষত্ৰৰ সন্ধানত" ব্ৰতী হৈ কবিয়ে সুতীক্ষ্ণ কণ্ঠে চিঞৰি উঠিছে, "মই মানুহৰ অমল উৎসৱ," চিঞৰি ইঠিছে, "বিপ্লৱ মানে নতুন চিন্তাৰ শস্য, সোণালী আশাৰ গান / অমল বৰষুণ / বিপ্লৱ মানে প্ৰবাহিত অন্ধকাৰ ৰাতিৰ নিৰ্মোহ চিঙি উন্মোচিত স্বাস্থ্যোজ্জ্বল সময়।" ফাঁচী কাঠত ওলমি চকুৰ পৰা পৃথিবীৰ পোহৰ শেষবাৰলৈ অন্তৰ্হিত হোৱাৰ আগেয়ে বা বাগ্মিতা শক্তি ভাগি অস্থিৰ হৈ যোৱাৰ আগেয়ে কোনোবা সৰস জাতিস্মৰে সকণ্ঠে আবৃত্তি কৰিব সনন্তৰ নবোন্মেষ কবিতা : "প্ৰিয় জনগণ / এফালে জঠৰ অন্যফালে দীৰ্ঘ কাৰাবাস কৰি / এতিয়া চিন্তাৰ সময় / কাৰ বাবে যুদ্ধ আৰু কাৰ বাবে মৈত্ৰীৰ বন্ধন / কাৰ বাবে উৰি থাকে দাৰিদ্ৰ পতাকা / কাৰ বাবে নিসৰ্গৰ অমল বৰষুণ আমাৰেই হালধীয়া দেশত"। অথবা "সৃষ্টি আৰু ধ্বংসৰ মই যে মন্ত্ৰ সম ধ্বজা / মই মানুহৰ কৰুণ অনুভূতি আৰু জ্যোৎস্না-ময় স্থিতি / বিশাল বুকুৰ প্ৰসাৰিত চেতনাত মই মানুহৰ আশা / মই জীৱন।" আশা আছে বাবেই মানুহে জীয়াই থাকিবলৈ বিচাৰে। হৃদয়েৰে মগজুৰ বতৰা দিয়া বাবে সনন্ত তাঁতি অসমীয়া কাব্য সাহিত্যত আশাৰ কবি। নৰকান্ত বৰুৱাৰ দৰে সনন্তৰ কবিতাৰ অতীত আছে কালাতীত হৈ আৰু বৰ্ত্তমান আছে ভৱিষ্যত হৈ।

যদি, উল্লিখিত চাৰিজন কবিক বাস্তৱবাদী কবি বোলা হয়, তেন্তে আনিছু উজজামান আৰু সমীৰ তাঁতিক অতি বাস্তৱবাদী কবি বুলিব লাগিব। ধুমুহাৰ দৰে তীব্ৰ আৰু বজ্ৰৰ দৰে তুমুল কবি আনিছু উজজামানে সেয়েহে 'অজ্ঞাতে' চিঞৰি উঠে, গোটেই ৰাতি চিঞৰি চিঞৰি তেওঁ মোক মাতে/পুৰা নাৰিকল পাতৰ মাজেৰে তেওঁক চাওঁ/তেওঁক বাৰু কেনেকৈ জনাওঁ বসন্তৰ কোমল ঘাঁহ খাই ফুৰা হৰিণাটো মৰিল।" নিতান্ত ব্যক্তিগত প্ৰতীকে কবিতাক সবলো কৰে, দুৰ্বলো কৰে। চিত্ৰকল্পৰ চমৎকাৰিত্বই কবিৰ কবিতা-বোৰ সবল কৰিলেও দুই এক ব্যক্তিগত প্ৰতীকে কবিতাবোৰ দুৰ্বোধ্য কৰি পেলাইছে। সাধাৰণতে গভীৰ মননশীল আৰু অন্তৰ্দৃষ্টিয়েহে এনে কবিতাৰ বোধ গ্ৰহণ কৰাত সহায় কৰিব পাৰে। "কবিতা সকলোৰে বাবে নহয়, কিছুলোকৰ বাবেহে"— বোলা কথাষাৰ আধুনিক কবিতাৰ এনে কঠিন অনুষঙ্গই সত্য বুলি প্ৰতিপন্ন কৰে। জামানৰ কবিতাবোৰ এনে বিচাৰত জটিল আৰু ব্যাখ্যা উৰ্দ্ধত আবেদন সৰ্বস্ব; কিন্তু এই আবেদনৰ মাজতে নিহিত হৈ আছে ইয়াৰ সৌন্দৰ্য।

আকৌ, সমীৰ তাঁতিৰ কাব্য দৰ্শনত ৰসঘন শক্তিৰ সংবেদনৰ মূল্যতকৈ সমগ্ৰ কবিতাটোৰ সামগ্ৰিক সংবেদনৰ মূল্যহে অত্যাধিক। কোনো সংঘাতলৈ তিলমাত্ৰাও কেৰেপ নকৰা কবিৰ কণ্ঠৰে নিনাদি উঠে— "আঘাত আহক। কোবাল ধুমুহাৰ দৰে হোহোৱাই আঘাত আহক/অকস্মাৎ দুখৰ দৰে আঘাত আহক দুৰ্বল দেহৰ দৰে সব কিছু ভাগি পৰক। ভাগি পৰক প্ৰতিনিয়ত দেখি থকা আদৰ্শহীন গছ বিৰিখবোৰ। অতীতক খামুচি ধৰি থকা অহংকাৰী মন্দিৰ চূড়াবোৰ। মোহাবিষ্ট অপৰাহ্নৰ উন্মাদ শ্লোগানবোৰ। তথাপিতো তোমালোক থিয় হৈ থাকা।"— ক'ত পালে কবিয়ে এনে দুৰ্মদ শক্তি? ক'ত পালে ইমান সাহস?? হয়তো জীৱনে তেওঁক বাধ্য কৰালে মানুহ হিচাপে জীয়াই থাকিবলৈ। আৰু তাৰ বাবেই প্ৰশ্ন কৰে, "এৰাতি আনৰ সতে শুলেনো কিনো পাপে চুব/এৰাতি অবাইচ মাত মাতি-লেনো কিনো পাপে চুব ভোকে গৰকা এই দেহা জানো এৰাতিৰ সোৱৰণী?" সমস্ত শুৰুকত চাহ শ্ৰমিকৰ ওপৰত চলা অবৰ্ণনীয় অত্যাচাৰৰ কথাই যুটি উঠে। সামাজিক বৈপৰীত্য, অৰ্থনৈতিক সংকট আৰু ৰাজনৈতিক স্থলনে কবিক লিখিবলৈ বাধ্য কৰালে "যুদ্ধ ভূমিৰ কবিতা"। দুখৰ কথা, সমাজ চেতনাৰ লগত মনৰ তেজস্বীতা আৰু চিন্তাৰ ক্ৰমিক প্ৰকাশ আৰু জীৱনবোধৰ প্ৰতি থকা তীব্ৰ উপলব্ধিয়ে কবিয়ে এক সুগভীৰ আত্মপ্ৰত্যয়ৰ দিশত পৰিচয় কৰাই দিয়ে; কিন্তু কবিতাৰ মিতভাষিত, সূক্ষ্ম ব্যঞ্জনা আৰু শব্দ সংযোজনাৰ নতুন প্ৰচেষ্টাৰ বিপৰীতে কবি সমীৰ তাঁতিৰ পূৰ্বৰ কবিতাত প্ৰকাশি উঠা ভাষাৰ তীব্ৰতাক হেৰুৱাই পেলাইছে যেন অনুমান হয়। তথাপি "আমি আশা কৰিম, তেওঁ তেওঁৰ উত্তৰাধিকাৰৰ পবিত্ৰতা ৰক্ষা কৰি অসম তথা ভাৰতৰ জনগণৰ অক্ষয় কৃতজ্ঞতা অৰ্জন কৰিব"। (ড° হীৰেণ গোহাঁই)। যিহেতু তেওঁৰ বাবে "জীৱন আজিও জীৱন হৈয়ে আছে।"

মাটিৰ পৰা আলফুলে বুটলি লোৱা শব্দাৱলীৰে জীৱন আৰু জগতৰ প্ৰতি এক গভীৰ সচেতনতা অনুভৱ কৰিছে অনুভৱ তুলসী আৰু নীলিম কুমাৰে। আপাতত: দুয়োজন কবি যুলৰ দৰে কোমল হলেও, প্ৰথমজন জানিবা পদুমৰ দৰে সুশান্ত আৰু প্ৰশান্ত, আৰু আনজন জানিবা গোলাপৰ

দৰে জেদী আৰু তীক্ষ্ণ। জীৱনৰ প্ৰতিশ্ৰুতি দুয়োজন কবিতেই আছে সমানেই। যথা :—

"মোৰ বয়স হৈছে তুমিও মৃত্যুসম অভিজ্ঞ সু-প্ৰাচীন সৌধ
হৈ থিয় দিয়া মোৰ সমাধিত
ময়ো হৈছো সোণাৰু শোভিত সেই নিসৰ্গ তোমাৰ নাম
কাঢ়ি মোৰেই ডালত নিয়তি" — তুলসী
আৰু, "পুৰণি তৰাৰ সঁচবোৰ বোকোচাত লৈ
মই এতিয়াও ঘূৰি ফুৰো
জীৱনৰ প্ৰস্তৰ ভূমিত গজি উঠা তুমি কোন
বেদনাময়ী নাৰীৰ যৌৱন
কতবাৰ তুলি ললো তোমাক"—নীলিম কুমাৰ

সঁচা কথা, অনুভৱ তুলসীৰ কবিতাত যিদৰে refrainৰ ভাৰ ঘনতা আছে তেনেকৈ নীলিম কুমাৰৰ কবিতাত কল্পচিত্ৰৰ বনৰীয়া উন্মত্ততা আছে। অৱশ্যে, তুলসীৰ কিছুমান কবিতাত বিকশিত হোৱা দুখ তেওঁৰ কবিতাৰ ৰীতি নহয়, অলংকাৰহে। কাৰণ কবিয়ে নিৰ্বিবাদে বিশ্বাস কৰে "Our sweetest songs are those/that tell of saddest thought." (P.B Shelly)। স্বৰূপতেই কবিৰ কবিতাবোৰ তেখেতৰ হৈও আমাৰ, ব্যক্তিনিষ্ঠ (subjective) হৈও বস্তুনিষ্ঠ (objective)। অৱশ্যে, জাপানী হাইকু আৰু উৰ্দু কবিতাৰ ব্যঞ্জনাময় ব্যঞ্জনাই তেখেতৰ কিছুমান কবিতাক দোলা দি গৈছে। সেই কাৰণেই নলিনীধৰ ভট্টাচাৰ্যই কৈছে, "নাজমাৰ অনুপাম প্ৰবাৰণে আমাক মুগ্ধ কৰে যদিও সি ঐতিহাসিক সত্যৰ প্ৰতিধ্বনি নহয়।" তেনেকৈ, নীলিম কুমাৰৰ কাব্যিক প্ৰকৰণত বংগীয় কবি সুনীল গংগোপাধ্যায়ৰ কাব্য দৰ্শনৰ কিঞ্চিত ছাঁ পৰিছে যেন লাগে। তথাপিও দুয়োজন কবিৰেই স্বকীয় সৃষ্টি ক্ষমতা অপৰিসীম।

কিন্তু, এওঁলোকৰ বিপৰীতে মানৱ মুক্তিৰ বাবে সন্ত্ৰাসবাদত জপিয়াই পৰিছে ৰবীন্দ্ৰ বৰা আৰু ৺মোহনকৃষ্ণ মিশ্ৰৰ কবিতাই। গৰ্জ্জিত সমুদ্ৰ লৈ সময়ক নিৰ্বাসিত কৰি চাৰিটা হেমন্তৰ অন্তত 'শহীদ মানুহ' গঢ়িবলৈ বিচৰা কবি ৰবীন্দ্ৰ বৰাৰ কবিতাত সেয়েহে বাজি উঠে, "চৌদিশে মানুহৰ ভীষণ চিৎকাৰ, প্ৰতিটো ঋতুৱেই অনিৰ্দিষ্ট নদী পথাৰ অৰণ্য পাহাৰ আৰু সকলোৱেই যেন জড়াগ্ৰস্ত।"

তেনেকৈ 'সমদল'ৰ কবি মোহন মিশ্ৰৰ কবিতাত ফুলৰ কোমলতা আৰু নিয়ৰৰ অলসতাৰ বিপৰীতে প্ৰকাশি উঠে তৰোৱালৰ তীক্ষ্ণতা আৰু ৰ'দৰ ৰৌদ্ৰতা : "বাৰে বাৰে নিৰ্যাতনত মোৰ মৃত্যু হৈছে / মূহুৰ্ততে সহযোগীৰ মতে মই জী উঠিছো।"— ধৰ্তব্য দিশ হ'ল এওঁৰ কাব্য জিজ্ঞাসা দৰ্শনৰো কাষ চপা— : "হেজাৰ জনৰ দৰে ময়ো কব পাৰো / মোৰ কোনো ক্লান্তি নাই, মায়া নাই, মোহ নাই / আছে মাথো নাড়ীৰ স্পন্দন।" অনুকৰণ প্ৰিয় নবীন কবিয়ে ত্যাগ কৰিব ধৰা ৰোমান্টিক দৃঢ়-পিনদ্ধতাৰ বিপৰীতে কবিৰ কবিতাৰ তাত্বিক সৌন্দৰ্যৰ বাবেই সাহিত্যিক মূল্য সুকীয়া আৰু অত্যাধিক। ৰফিকুল হুছেইনৰ 'শৰবিদ্ধ আকাশৰ" ব্যঞ্জনাময় ব্যঞ্জনাৰ ক্ষীপ্ৰ পদক্ষেপৰ কথা সৰল পাঠকে কোনোকালে পাহৰিব নোৱাৰিব।

ইতিহাস চেতনাক কেন্দ্ৰ কৰি আন্তৰ্জাতিকতাৰ পোহৰ মেলা কবি চৈয়দ আব্দুল হালিম সম্পূৰ্ণই একক নাম। (যদিহে সমৰেন্দ্ৰ নাথ উজ্বলৰ কাব্য সৃষ্টিক পৃথকাই ৰখা হয়।) কবিৰ 'চেনিৰাম বায়নৰ বিশ্বৰূপ দৰ্শন'ৰ কবিটা সমূহ সাম্প্ৰতিক কবিসকলৰ কবিতাতকৈ কিছু ব্যতিক্ৰম বিশেষকৈ বিষয় বস্তুৰ ক্ষেত্ৰত। কাজেই তেখেতৰ কবিতাৰ কাব্যিক মূল্য নাথাকিলেও সাহিত্যিক মূল্য প্ৰতিপন্ন কৰিছে।

ই যি কি নহওক, অনুভৱ তুলসী কিম্বা নীলিম কুমাৰ প্ৰমুখ্যে ৰবীন্দ্ৰ বৰা কিম্বা চৈয়দ আব্দুল হালিম আদি প্ৰতিজন নবীন কবিয়েই অসমীয়া কবিতাৰ ক্ষেত্ৰত নতুন নতুন পৰীক্ষা নীৰিক্ষা চলাই আছে। তাৰ বাবে পাঠক সমাজ আশাবাদী। তেনেকৈ কবিতাৰ প্ৰকৰণক লৈ নীৰিক্ষা কৰা আন কেইজনমান কবিয়ে ইতিমধ্যেই পাঠক মহলত আসন পাতি লৈছে। তেওঁলোক হ'ল — অৱনী চক্ৰৱৰ্তী, অতনু ভট্টাচাৰ্য, ৰফিকুল হুচেইন, ৰাজীৱ ফুকন, কিশোৰ ভট্টাচাৰ্য, প্ৰদীপ শৰ্মা, সুমিত্ৰা গোস্বামী, লুটফা হান্নুম, খনীন দাস, মেঘালী ফুকন, বিদ্যুৎ বিকাশ ভূঞা, প্ৰণতি বৰুৱা, ৰাজু বৰুৱা ইত্যাদি। তেনেকৈ অৰ্চনা পূজাৰী, নেনীৰাম গগৈ, নাহেন্দ্ৰ পাদুন, মনজিৎ সিং, খবিৰ আহমেদ, প্ৰেম নাৰায়ণ নাথ, ছামচুল ইছলাম, মনোৰমা বৰগোহাঞি, ৰনজন কুমাৰ ৰেগন, দিনেশ ডেকা, মনোজ বৰপূজাৰী, মদন শৰ্মা আদিৰ কাব্য চেতনাত উজ্জলৰ ভৱিষ্যৎ জিলিকি উঠিছে। এওঁলোক কবিতাৰ ভাববস্তু আৰু ৰূপবস্তুত ইলিয়টৰ প্ৰভাৱ মুঠেই পৰা নাই —

পৰিছে অলেকজেণ্ডাৰ পুশ্চিন, নেৰুদা, এজৰা পাউণ্ড, আৰাগঁ, জীৱনানন্দ আদিৰ প্ৰভাৱ। এওঁলোকে অনুভৱ কৰিছে কবিতা বিজ্ঞাপন নহয়, মৰ্মৰ বস্তু। উল্লিখিত সকলোৱে নিৰ্বিবাদে ঘোষণা কৰিছে— "নৱৈৰ উপকণ্ঠত মই মানুহৰ কবি।"

প্ৰবৃত্ততই, "কবিতাৰো বতৰ আছে।" (হীৰেন-ভট্টাচাৰ্য্য)। বতৰৰ কবিতা বতৰতে সামৰিব লাগে। 'আধুনিক' সাম্প্ৰতিক' আদি শব্দবোৰ তেনেই আপেক্ষিক। মানুহৰ দোষণীয় হ'লেও কনিষ্ঠতমৰ প্ৰতি থকা আমাৰ দুৰ্ব্বলতা এইখিনিতে স্বীকাৰ কৰি থ'লো। যিকোনো বস্তুৰ প্ৰতি দুৰ্ব্বলতা থাকিলে কেতিয়াও সঠিক সমীক্ষা কৰিব নোৱাৰি। জোনাক মানুহৰ ভাল লাগে। কিন্তু জোনাকৰ মায়াবী পোহৰে মানুহক প্ৰকৃত পথৰ সন্ধান দিব নোৱাৰে।

অসমীয়া নতুন কবিৰ ক্ষেত্ৰত সমসাময়িক ইংৰাজ কবি সকলৰ উদ্দেশ্যে ভাৰ্জিনিয়া উলফেৰ এষাৰ মন্তব্য স্মৰ্ত্তব্য। তেওঁ কৈছিল, তেওঁলোকৰ কবিতাত এক অপ্ৰস্তুত উদ্দীপ্ততা বিৰাজমান। সঁচাই ৰোমান্টিক কবিতাত জীৱন বোধৰ সত্যতা থাকিলেও গতিশীলতা নাছিল। তেনেদৰে, চতুৰ্থ দশকৰ সমসাময়িক কবিতাত জীৱনবোধৰ ব্যঞ্জনা থাকিলেও স্বচ্ছতা নাছিল। কাজেই, 'জয়ন্তী', 'পছোৱা', 'ৰামধেনুৰ' কবিতাৰ তুলনাত 'প্ৰকাশ' ('৭৫), 'প্ৰান্তিক' ('৮১), 'সূত্ৰধাৰ' (৮৯) ৰ কবিতাই মানুহৰ বহুত কাষ চাপিছে। ই শুভ লক্ষণ। নবীন কবিয়ে এটা পৰিবৰ্তন বিছাৰিছে; কিন্তু যথোচিত সফল হ'ব পৰা নাই। শিল্প প্ৰসঙ্গত লিও টলষ্টয়ে কৈছিল— "শিল্প বস্তুৰ সৰ্বোচ্চ সীমা হ'ল সেইটোৱেই যি চিৰকাল সকলো মানুহৰ বাবে প্ৰয়োজনীয়।" কিন্তু শিল্পবস্তু হিচাপে কবিতা আজিৰ কিমান মানুহৰ বাবে প্ৰয়োজনীয়? তৎস্বত্ত্বেও, কবিসকলৰ সীমাহীন প্ৰচেষ্টাৰ উপমা নাই। মাও ছে টুং, হো চি মিন, লেংষ্টন হিউজ, হিকমৎ, সুকান্ত ভট্টাচাৰ্য, মিৰোস্লাভ হলুব, নিকোচ কাজানৎ জাকিচ— আদি পঢ়িব লাগে সঁচা, কিন্তু এই শিল্পীসকলে আপোন দেশৰ মাটিৰেহে চিত্ৰ আঁকিছিল— সেই কথাও মনত ৰাখিব লাগে। অনুকৰণ আৰু অনুসৰণৰ ক্ষেত্ৰত নবীন কবি সকল অধিক সচেতন হোৱাৰ প্ৰয়োজন। যেতিয়ালৈকে এওঁলোকে ভাষাৰ দাৰ্ঢ্যতা বা নতুন শৈলীৰ উদ্ভাৱন কৰিব নোৱাৰিব তেতিয়ালৈকে তেওঁলোকৰ চেষ্টাৰ যতি পেলা নোৱাৰিব।

বন্দুক ল'লেই যি দৰে বিপ্লৱী হব নোৱাৰে, তেনেকৈ ৰসাল অভিব্যক্তিৰে জীৱন বোধ প্ৰকাশ কৰিলেই কবিতা হ'ব নোৱাৰে। মন আৰু হৃদয়ৰ, জীৱন আৰু জগতৰ সুসমন্বিত গঢ় লোৱা কবিতা এক অখণ্ড অবিভাজ্য সৃষ্টি; আৰু ইলিয়টৰ ভাষাৰে কবি হ'ল—

"Our concern was speech, and speech impelled us
To purify dialect of the tribe."

# অৰ্থনৈতিক উন্নয়নৰ গতি আৰু ধাৰা

—ড° আতিকুদ্দিন আহমেদ
অৰ্থনীতি বিভাগ

অৰ্থনৈতিক উন্নয়নৰ হাৰ ক্ষীপ্ৰ কৰি এখন সমাজৰ আৰ্থ-সামাজিক সমস্যাসমূহ সমাধান কৰিবলৈ হলে উন্নয়নৰ বাবে গ্ৰহণ কৰা অৰ্থনৈতিক পৰিকল্পনাত সেই সমাজৰ বিভিন্ন সমস্যা সমূহৰ বাস্তৱ প্ৰতিফলন হব লাগিব। অন্যথাই উন্নয়নে কোনো সমস্যাৰে সমাধান কৰিব নোৱাৰে। সাম্প্ৰতিক অৰ্থনৈতিক সমস্যাসমূহৰ পটভূমিত উন্নয়নৰ বাবে গ্ৰহণ কৰা দৃষ্টিভঙ্গী এই আলোচনাত আমি বিচাৰ কৰি চোৱাৰ প্ৰয়াস কৰিছো।

পঞ্চাশৰ দশকত আমাৰ দেশত অৰ্থনৈতিক উন্নয়নৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হয়। প্ৰথমতে কৃষি, তাৰ পিচত উদ্যোগ আৰু পিচলৈ অন্যান্য ক্ষেত্ৰ সমূহৰ বিকাশত মনোযোগ দিয়া হয়। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনালৈকে চৰকাৰে গ্ৰহণ কৰা মূল দৃষ্টিভঙ্গীটো আছিল উন্নয়নৰ গতি ক্ষীপ্ৰ কৰা। তেতিয়া উন্নয়নৰ সুফলখিনি সমভাবেই দেশৰ প্ৰতিজন লোকৰ মাজত বিতৰণ হব বুলি এটা ধাৰণা পোষণ কৰা হৈছিল। সেয়েহে ক্ষীপ্ৰ অৰ্থনৈতিক বিকাশে সমাজৰ সকলো সমস্যাকে স্বয়ংক্ৰিয় ভাবেই সমাধান কৰিব বুলি দৃঢ়ভাৱে বিশ্বাস কৰা হৈছিল।

কিন্তু প্ৰথম চাৰিটা পঞ্চবাৰ্ষিক পৰিকল্পনা ৰূপায়ণ কৰাৰ পিচত দেখা গ'ল যে অৰ্থনৈতিক উন্নয়নে দেশৰ আৰ্থ-সামাজিক সমস্যাবোৰ সমাধান কৰিব পৰা নাই। ইয়াৰ বিপৰীতে অৰ্থনৈতিক বৈষম্য, আঞ্চলিক অসমতা আদিহে বাঢ়ি আহিল। সেয়েহে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পৰা উন্নয়নৰ বাবে গ্ৰহণ কৰা পূৰ্বৰ **'trickle down'** তত্বটো পৰিহাৰ কৰা হ'ল। ভাৰতবৰ্ষত পৰিকল্পিত উন্নয়নী প্ৰক্ৰিয়াৰ অভিজ্ঞতাৰ পৰা দেখা গ'ল যে সমস্যা সমূহৰ বাস্তৱ মূল্যায়ণ নহলে আৰু পৰিকল্পনাত সেইবোৰ প্ৰতিফলিত নহলে কেৱল ধন ব্যয় কৰি কোনো সমস্যাকে সমাধান কৰিব পৰা নেযায়।

ভাৰতবৰ্ষ এখন কৃষি নিৰ্ভৰশীল অনগ্ৰসৰ দেশ। দেশৰ অধিকাংশ লোকেই এতিয়াও দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰে, তদুপৰি কৃষি ভাৰতীয় কৃষকৰ বাবে জীৱিকাৰ আহিলাহে; বাণিজ্যিক নহয়। তাতে বতৰ নিৰ্ভৰশীলতা সাৰ কৃষিঋণ, বজাৰ, জলসিঞ্চন, মূল্যনীতি আদিৰ অভাৱত কৃষি উৎপাদনশীলতাও অতি নিম্ন পৰ্য্যায়ৰ। অসমান ভূমি বিতৰণ নীতিও কৃষি উৎপাদনৰ অন্য এটি অন্তৰায়। আমাৰ কৃষি পদ্ধতি বতৰ ভিত্তিক হোৱা বাবে ইয়াত নিয়োগৰ সম্ভাৱনাও তেনেই সীমিত। এনে এক পটভূমিত ভাৰতবৰ্ষৰ ক্ৰমবৰ্ধমান নিবনুৱা আৰু অৰ্দ্ধনিৰনুৱাৰ সমস্যাও সমানেই গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষৰ পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰোতে উল্লেখিত কথাবোৰলৈ বিশেষ ভাবে মনোযোগ দিয়া হয়। অৱশ্যে কথাত কবলৈ গ'লে দেশৰ মূল সমস্যাবোৰ চিনাক্ত কৰি সেইবোৰ সমাধান কৰিবলৈ বিশেষ কিছুমান আচনি ৰূপায়ণৰ দিহা কৰা হয়। সত্তৰ দশকৰ পৰা উন্নয়নৰ হাৰ ক্ষীপ্ৰ কৰি সমস্যা সমাধান কৰাৰ বিপৰীতে সমস্যাবোৰ আগত ৰাখি তাৰ সমাধানৰ প্ৰচেষ্টা কৰাত উন্নয়ন আচনিবোৰত প্ৰকৃততে সমাজৰ বিভিন্ন আৰ্থ-সামাজিক সমস্যাবোৰ প্ৰতিফলিত হোৱা দেখা যায়। দৰিদ্ৰতা দূৰীকৰণ, নিয়োগ সৃষ্টি, আয় আৰু সম্পদৰ সমতাপূৰ্ণ বিতৰণ, আঞ্চলিক অসমতা হ্ৰাস, নিম্নতম চাহিদা পূৰণ আদি বিষয়বোৰে তেতিয়াৰে পৰা পৰিকল্পনাত অগ্ৰাধিকাৰ পায়। সময় অতিবাহিত হোৱাৰ লগে লগে ভাৰতীয় পৰিকল্পিত আচনিবোৰৰ নৱ মূল্যায়ণো কৰা হয় আৰু ইয়াৰ দুৰ্বলতাসমূহ আঁতৰ কৰাৰ যত্ন কৰা হয়।

এতিয়া গ্ৰাম্য অৰ্থনীতিৰ অনগ্ৰসৰতা আৰু স্থবিৰতা আঁতৰাই ইয়াক এক গতিশীলতা প্ৰদান কৰিবলৈকে দেশৰ মুঠ বিনিয়োগযোগ্য পুঁজিৰ পঞ্চাশ শতাংশ গ্ৰাম্য-খণ্ডলৈ হস্তান্তৰ কৰাৰ কথা ভবা হৈছে। কৃষি অনগ্ৰসৰতা

আৰু গ্ৰাম্য বিকাশৰ স্বাৰ্থতে কথাটো জৰুৰী হৈ পৰিছে। কিন্তু পুঁজিয়েই সৰ্বৰ্স্ব নহয়। যি কোনো উন্নয়ন আঁচনি বা পৰিকল্পনাৰ বাস্তৱসন্মত প্ৰস্তুত আৰু ৰূপায়ণৰ বাবে বিকেন্দ্ৰীকৰণ ব্যৱস্থাহে অধিক ফলপ্ৰসু হ'ব। কাৰণ দেশৰ সকলো অঞ্চল উন্নয়নৰ সমান পৰ্য্যায়ত নাই। তদুপৰি প্ৰতিখন ঠাই বা অঞ্চলৰে অভাৱ অভিযোগ আৰু উন্নয়নৰ বাবে লগা প্ৰয়োজনবোৰো একে নহয়। গতিকে সৰ্বভাৰতীয় ভিত্তিত প্ৰস্তুত কৰা উন্নয়ন আঁচনিবোৰ বহুতো ঠাইত নিমিলা ধৰণৰ হৈ পৰিবলৈ বাধ্য হৈছে। আৰু ইয়াৰেই ফলশ্ৰুতি হিচাপে বৰ্ত্তমান উন্নয়ন প্ৰক্ৰিয়াটোৰ অধীনত কিছুমান অঞ্চল ক্ষীপ্ৰতাৰে আগবাঢ়িছে আৰু কিছুমান অঞ্চল পিছপৰি ৰৈ গৈছে। অৰ্থাৎ আঞ্চলিক অসমতাৰ সৃষ্টি হৈছে। এই আঞ্চলিক অসমতাৰ পৰাই আকৌ আঞ্চলিকতাবাদী ধ্যান-ধাৰণাৰ জন্ম হৈছে। অঞ্চল ভিত্তিক উন্নয়নৰ দাবী লৈ ঠায়ে ঠায়ে বিভিন্ন ৰূপত বিভিন্ন আন্দোলনেও আত্ম প্ৰকাশ কৰিছে।

সেয়েহে একে আষাৰে এই কথা ক'ব পাৰি যে সামগ্ৰীক উন্নয়নৰ হাৰ ক্ষীপ্ৰ কৰি সমস্যা সমাধানি কৰিব নোৱাৰি; ভাৰতীয় পৰিকল্পিত উন্নয়নৰ যোৱা চাৰিটা দশকেই ইয়াৰ প্ৰমাণ। দেশৰ উন্নয়ন পৰিকল্পনাত প্ৰতিখন ঠাই আৰু প্ৰতিজন মানুহৰে আশা আকাংখ্যাখিনি প্ৰতিফলিত হোৱা হলে আজিৰ দৰে অৰ্থনৈতিক বৈষম্য আৰু আঞ্চলিক অসমতাকে ধৰি বিভিন্ন সমস্যাই ইমান গভীৰ ৰূপত গা কৰি নুঠিলহেতেন। সেয়েহে এতিয়াৰে পৰা আমাৰ উন্নয়নৰ বাবে দৃষ্টিভঙ্গী সলনি কৰিবৰ হ'ল। অৰ্থাৎ বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰে ৰাজনৈতিক, প্ৰশাসনীয় আৰু অৰ্থনৈতিক পদ্ধতিটো জনসাধাৰণৰ স্বাৰ্থত উপযোগীকৈ গঢ়ি তোলাৰ সময় আহি পৰিছে। এতিয়া ৰাজ্য সমূহক অধিক স্বায়ত্বতা প্ৰদান, স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাটো শক্তিশালী কৰা আৰু বিকেন্দ্ৰীকৃত পৰিকল্পনা ব্যৱস্থাৰে একোখন ঠাইৰ যিকোনো সমস্যা সমাধানৰ চেষ্টা কৰাৰ লগতে উন্নয়নৰ বাবেও বহুখিনি কৰিব পৰা যায়।

যিকোনো সমস্যা সমাধানৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে সমস্যা সমূহৰ উৎপত্তি, প্ৰসাৰ আদি সম্পৰ্কীয় অধ্যয়ন। কিন্তু ভাৰতবৰ্ষত উপযুক্ত অধ্যয়ন, অনুসন্ধানৰ অভাৱতে যে বাস্তৱসন্মত পৰিকল্পনা প্ৰস্তুত কৰিব পৰা হোৱা নাই তাক বিনা দ্বিধাই কব পাৰি। আৰু দৃষ্টান্ত হিচাপে অসমৰ কথাই আটাইতকৈ প্ৰাসঙ্গিক। অসম বিভিন্ন আৰ্থ সামাজিক মাফকাঠিৰে এখন পিচপৰা ৰাজ্য। ৰাজ্যখনৰ উন্নয়নৰ অন্তৰায়ো একাধিক। ইয়াৰে ভিতৰত নিম্ন কৃষি উৎপাদনশীলতা, মন্থৰ উদ্যোগী-কৰণ, বুনিয়াদি সা-সুবিধাৰ অভাৱ, বানপানীৰ প্ৰাদুৰ্ভাৱ, স্থানীয় মূলধন আৰু সংগঠনৰ নাটনি, প্ৰব্ৰজনৰ সমস্যা, জনশক্তি পৰিকল্পনাৰ অভাৱ, দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা ইত্যাদিয়েই প্ৰধান। বিগত দশক কেইটাত সংগঠন আৰু সুদৃঢ় নেতৃত্বৰ অভাৱত ৰাজ্য চৰকাৰেও বিশেষ কিবা কৰিছে বুলি কব নোৱাৰি। সেয়েহে আজি যিকোনো ৰাজনৈতিক দল বা ব্যক্তিৰ ওপৰত জনসাধাৰণৰ আস্থা আৰু বিশ্বাস নোহোৱা হৈ আহিছে। ইফালে অসমৰ সমস্যাবোৰৰ সমস্যা হৈয়েই ৰৈছে। কেৱল সেয়েই নহয় বহুতো নতুন নতুন সমস্যাৰ সৃষ্টি হৈছে।

এই প্ৰসঙ্গতে আমি অসমত সম্প্ৰতি গঢ়ি উঠা অস্থিৰতাৰ পৰিবেশটো বিশ্লেষণ কৰি চাব পাৰোঁ। অসমৰ প্ৰাকৃতিক সম্পদ সমূহৰ ওপৰত সংবিধান প্ৰদত্ত ক্ষমতাৰে কেন্দ্ৰীয় চৰকাৰে নিজৰ অধিকাৰ সাব্যস্ত কৰি সম্পুৰ্ণ ঔপনীবেশিক আহিৰে যি শোষণ চলাই আছে সেয়া কাৰো অবিদিত নহয়। ৰাজ্যখনৰ সম্পদৰ ওপৰত ৰাজ্য চৰকাৰৰ কোনো কৰ্তৃত্ব আৰু নিয়ন্ত্ৰণ নাই। ৰাজ্য চৰকাৰে সম্পদৰ ভিত্তিত পোৱা ৰাজহৰ পৰিমাণো তেনেই নগণ্য। আনহাতে ব্যৱহাৰৰ অভাৱত অসমত বিৰাট পৰিমাণৰ প্ৰাকৃতিক গেচ প্ৰতিদিনে জ্বলাই পেলোৱা হৈছে। একেদৰেই তেল উদ্যোগৰ বিকাশত সমগ্ৰ দেশৰ ভিতৰত আগ্ৰণী ভূমিকা পালন কৰা অসমৰ শোধনাগাৰ কেইটিকো পুতলা শোধনাগাৰ আখ্যা দিয়া হয়। অসমৰ উন্নয়নৰ অন্যান্য সম্ভাৱনাবোৰ যেনে, ডিব্ৰুগড়লৈকে ব্ৰডগজ ৰেলপথ স্থাপন ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ আৰু ইয়াৰ ওপৰত চতুৰ্থখন দলং নিৰ্মাণ ইত্যাদি প্ৰকল্পবোৰৰ কাম কাজ পুজিৰ অভাৱ দেখুৱাই বছৰৰ পিছত বছৰ ধৰি পিচুৱাই থোৱা হৈছে। বিদেশী প্ৰব্ৰজনকাৰী সকলৰ সমস্যা সমাধানতো কেন্দ্ৰই নিজৰ দায়িত্বখিনি পালন কৰা দেখা নগল। ফলস্বৰূপে অসমৰ উন্নয়নৰ গতি আৰু ধাৰাটো বেয়াকৈ ব্যাহত হৈ পৰিছে।

অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলটোত উন্নয়নৰ প্ৰচুৰ সম্ভাৱনা আছে। উদ্যোগীকৰণ আৰু শিল্প বাণিজ্যৰ

প্ৰসাৰেৰে পূৰ্বাঞ্চলীয় অৰ্থনীতিৰ চমকপ্ৰদ পৰিবৰ্ত্তন কৰিব পৰা যায়। কিন্তু ইয়াৰ বাবে বান-নিয়ন্ত্ৰণ, বাট-পথ উন্নয়ন, জনশক্তি পৰিকল্পনা আদিত বিশেষ গুৰুত্ব প্ৰদান কৰাটো আৱশ্যক। লগতে লাগিব কেন্দ্ৰীয় দৃষ্টিভঙ্গীৰো কিছু সালসলনি। উল্লেখযোগ্য যে অসমক বিশেষ শ্ৰেণী-ভুক্ত ৰাজ্যৰ (special category state) তালিকাভুক্ত কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে ৰাজ্যখনে বহুখিনি বিত্তীয় স্বায়ত্বতা পাব বুলি আশা কৰা যায়। কাৰণ বেছিখিনি পুঁজি এতিয়া কেন্দ্ৰীয় সাহায্য হিচাপে ৰাজ্যখনলৈ আহিব।

অসমৰ আৰ্থ-সামাসজিক সমস্যাবোৰ সমাধানৰ বিশেষ প্ৰচেষ্টা হাতত লোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অনতি-পলমে উন্নয়নৰ বাবে লব লগা বুনিয়াদি সা-সুবিধা খিনিও সৃষ্টি কৰা উচিত। ৰাজ্যিক অৰ্থনীতিৰ ভাগ্য নিয়ন্তা স্বৰূপ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ অৰ্থে ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰা হয় যদিও আজি পৰ্য্যন্ত কিয় নদী নিয়ন্ত্ৰণ তথা বান প্ৰতিৰোধ কৰিব পৰা হোৱা নাই তাক বিচাৰ বিশ্লেষণ কৰ্‌্যাৰ সময় ইতিমধ্যেই পাৰ হৈছে। ডিব্ৰুগড়লৈকে ব্ৰদগজ ৰেলপথ সম্প্ৰসাৰণ, বগীবিলত ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থখন দলং নিৰ্মাণ আদি কেন্দ্ৰীয় প্ৰকল্পবোৰৰ বাবে শীঘ্ৰে অনুমোদন তথা মঞ্জুৰীৰ প্ৰয়োজন। লগতে কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান আদি অন্যান্য প্ৰকল্পবোৰৰ কামো আৰু বিলম্ব নোহোৱাকৈ আৰম্ভ কৰা উচিত। ৰাজ্যখনত পৰ্য্যটন উদ্যোগৰ বিকাশ, মানৱ সম্পদ পৰিকল্পনা, কৃষি আধুনিকীকৰণ, সাধাৰণ শিক্ষা তথা স্বাস্থ্য সেৱাৰ প্ৰসাৰৰ অৰ্থেও অধিক কেন্দ্ৰীয় মনোযোগিতাৰ প্ৰয়োজন অনুভৱ কৰা যায়। তদুপৰি ৰাজ্যখনত বসবাস কৰা সকলো জাতি-বৰ্ণৰ লোকেই যাতে গণতান্ত্ৰিক ভাবে উন্নয়নী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ পায় তাকো সুনিশ্চিত কৰাটো প্ৰয়োজন। এইখিনি ব্যৱস্থা হাতত ললে উন্নয়নী প্ৰক্ৰিয়াটোৱেও এটি বল (force) পাব বুলি কব পাৰি।

বৰ্ত্তমান ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে এটি শান্ত-সুস্থিৰ উন্নয়নী পৰিবেশ সৃষ্টি কৰা। যোৱা ১৯৮০-৯০ দশকটোত অসমক কোনফালে লৈ যোৱা হ'ল সেয়া কাৰো অজানা নহয়। সেয়েহে এতিয়া অসমত সময়ৰ আহ্বান হৈছে কিছুমান সংস্কাৰ আৰু সচেতনতা। প্ৰতিজন লোকেই সেয়েহে নিজ নিজ স্থানৰ পৰা নিজস্ব শক্তিৰে উন্নয়নৰ কামত আত্মনিয়োগ কৰাৰ অবিহনে অসমৰ প্ৰগতিও হব নোৱাৰে আৰু শোষণো আতৰ নহয়। বছৰি ৭০০ কোটি টকা মূল্যৰ কেৱল কৃষি-জাত সামগ্ৰী অসমে বাহিৰৰ পৰা কিনি আনিব লগীয়াটো কম পৰিতাপৰ কথা নহয়। ৰাজ্য চৰকাৰেও কৃষিক এটি উদ্যোগ হিচাপে গঢ়ি তোলাৰ বাবে এখন কাৰ্য্যকৰী আচনি (action plan) হাতত লওক। ৰাজ্যখনক শোষণ কৰাৰ যি অভিযোগ উঠিছে তাক আঁতৰাবলৈ চাহ, তেল, কয়লা আদি উদ্যোগসমূহেও অসমৰ বাবে নিজাকৈ কিছু কৰি দেখুৱাওক।

মুঠতে পৰিকল্পনাৰ যোৱা চাৰিটা দশকৰ পিচতো জন-সাধাৰণে ইয়াৰ সুফলখিনি পাবলৈ সক্ষম হোৱা নাই। অৰ্থাৎ উন্নয়নী প্ৰক্ৰিয়াত সৰ্বসাধাৰণৰ অংশগ্ৰহণ প্ৰায় শূণ্য হৈয়ে আছে। বৰ্ত্তমানৰ উন্নয়নী প্ৰচেষ্টাই কেৱল নগৰীয়া অঞ্চল (urban areas) আৰু এচাম অৱস্থাবান (affluent section) লোকৰহে উন্নতি সাধিছে। এই অসমতাৰ পৰাই বঞ্চিত লোকসকলৰ মনত ক্ষোভৰ জন্ম হৈছে। আৰু ইয়াৰেই আত্মপ্ৰকাশ আমি বিভিন্ন ৰূপত সমাজত দেখিবলৈ পাইছো। ইয়াকে আঁতৰাবলৈ উন্নয়নী প্ৰক্ৰিয়াটো গাঁওকেন্দ্ৰীক (rural-based) কৰাৰ বিকল্প নাই। দিল্লী বা দিশপুৰে শাসন কৰাৰ ঠাইত স্থানীয় স্বায়ত্ব শাসন প্ৰৱৰ্ত্তন কৰিলেহে উন্নয়নী প্ৰক্ৰিয়াত সৰ্বসাধাৰণৰ অংশ গ্ৰহণ সুনিশ্চিত হব আৰু উন্নয়নো ফলপ্ৰসূ হব। সংবিধানে দেখোন সমতা আৰু ন্যায়ৰ কথা কৈছেই। কিন্তু কিয় তাক বাস্তৱত ৰূপ দিয়া হোৱা নাই তাকহে বিচাৰ কৰাৰ সময় আহি পৰিছে।

# যুৱ মানসিকতা

মঃ ইমান বড়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

সাম্প্ৰতিক সমাজ ব্যৱস্থাত 'যুৱ মানসিকতা''— এই তাৎপৰ্য্যপূৰ্ণ বিষয়টোৰ গুৰুত্ব অতি প্ৰয়োজনীয়। 'যুৱ মানসিকতা' হৈছে যুৱক যুৱতী সকলৰ মানসিক অৱস্থা। এই মানসিক উদ্যম কোনো সময়ত উচ্চ পৰ্য্যায়লৈ গতি কৰে আৰু সময় অনুযায়ী নিম্নগামী হৈ আহে। যুৱ ব্যক্তিৰ মানসিকতাৰ ওপৰতে এটা জাতিৰ অস্তিত্ব নিৰূপণ কৰিব পাৰি। ব্যক্তিৰ মানসিকতা যদি বিকাশ হয় তেন্তে জাতিটোৱে উন্নতিৰ পথলৈ ধাৱিত হ'ব পাৰে আৰু যদি মানসিকতা দুৰ্বল ভাৱাপন্ন হয় তেন্তে জাতিটোৱে ধ্বংসৰ মুখলৈ অগ্ৰসৰ হ'ব পাৰে। সুস্থ মানসিকতাই সুস্থ জাতি গঠনত সহায় কৰে। কিন্তু বৰ্ত্তমান মানসিকতাৰ দিশটো, বিশেষকৈ যুৱ সমাজৰ মাজত নিম্নস্তৰলৈ গতি কৰিছে।

বাতৰি কাকত, আলোচনী আদিত আমি যুৱ সমাজৰ বিৰুদ্ধে যিমানবোৰ অভিযোগ উত্থাপিত হোৱা দেখিছো বা যিমানবিলাক আলোচনা সমালোচনা হৈছে সমাজৰ বাকী অংশৰ তুলনাত ই অধিক। যুৱ সমাজৰ উশৃংখলতা, নৈতিকতাবিহীন, অসামাজিক কাৰ্য্যকলাপৰ বিষয়ে বাতৰি কাকত, আলোচনী আদিৰ পাতত সদায়েই প্ৰচাৰ হৈ থকা দেখা যায়। মুঠৰ ওপৰত যুৱ সমাজ বৰ্ত্তমান অৱস্থাত সভা সমিতিৰ পৰা আৰম্ভ কৰি নানা বাৰ্ত্তালোচনী সমূহৰ বাবে এক আলোচ্য বিষয় বস্তুত পৰিণত হৈছে।

বিভিন্ন লিখকৰ লিখনি অধ্যয়ন কৰিলে আমি দেখা পাম যে অধিকাংশ লিখক, সমালোচকে যুৱ সমাজৰ মানসিক অন্তৰ্নিহিত কাৰণ.বোৰ বিচাৰ নকৰাকৈ একপক্ষীয় ভাৱে কেৱল যুৱ সমাজৰ প্ৰায়বোৰ কাৰ্য্যকে দোষাৰোপ কৰিছে। কিন্তু তেওঁলোকে এইটো মানি লব সকলে নাখোজে যে বৰ্ত্তমান যুৱ সমাজৰ যি মানসিক স্খলন ঘটিছে সেইটো আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাত দীৰ্ঘকাল ধৰি চলি থকা অৱক্ষয়ৰ পৰিণতি।

বিভিন্ন অসামাজিক আৰু অপৰাধমূলক কাৰ্য্য-কলাপত জড়িত হব পৰাকৈ যুৱ সমাজৰ মানসিকতা একে দিনাই গঢ়লৈ উঠিছিলনে? যুৱ সমাজক উশৃংখলতাৰ পৰা ৰক্ষা কৰিব পৰা নাযাবনে? এনে বিভিন্ন প্ৰশ্নসমূহ আমাৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত বিচাৰ কৰি নাচালে অধোগামী যুৱ মানসিকতাৰ ক্ষেত্ৰত সদোত্তৰ পোৱা সম্ভৱ নহব। যেনেকৈ আমি ইতিহাসৰ কোনো যুগৰ মানুহৰ মানসিক চিন্তাধাৰা সম্পৰ্কে জ্ঞাত হব খুজিলে সেই যুগৰ মানুহৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশ সম্পৰ্কে বিশ্লেষণ নকৰাকৈ সেই যুগৰ মানুহৰ মানসিক চিন্তাধাৰা সম্পৰ্কে জ্ঞাত হব নোৱাৰো। সেয়েহে যুৱ মানসিকতা বিকৃত হোৱাৰ কাৰণসমূহ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটত বিচাৰ কৰি চাব লাগিব।

সামাজিক কাৰণ :— মানুহ সমাজপ্ৰিয় প্ৰাণী। সমাজ ত্যাগ কৰি মানুহে বাস কৰিব নোৱাৰে। সৰু কালৰে পৰা ব্যক্তিৰ ওপৰত সমাজৰ প্ৰভাৱ পৰে। অৰ্থাৎ পৰিৱেশেই ব্যক্তিৰ জীৱনত প্ৰভাৱ পেলায়। E. J. Ross ৰ মতে ''পৰিৱেশ এটা বহিঃ শক্তি যি আমাক প্ৰভাৱান্বিত কৰে।'' সামাজিক পৰিৱেশে ব্যক্তিৰ জীৱনত প্ৰভাৱ পেলোৱাই নহয়, ব্যক্তিৰ জীৱন বহু পৰিমাণে নিয়ন্ত্ৰণ কৰে। এইটো সমাজ বিজ্ঞানৰ এটা স্বীকৃত সত্য। যুৱকসকল যিহেতু সমাজৰ এটা লেখত লবলগীয়া অংগ সেয়ে তেওঁলোকৰ ওপৰতো সমাজৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। অৰ্থাৎ সমাজৰ বাকী অংশৰ মানসিক স্খলন ঘটিছে কাৰণে ইয়াৰ প্ৰভাৱত পৰি যুৱ সমাজৰ মানসিক স্খলন ঘটিছে। পাৰ্থক্য মাথোন ইমানেই যে যুৱসমাজে প্ৰত্যক্ষভাৱে

অসামাজিক আৰু নীতিগৰ্হিত কাম কৰি যায় আৰু সমাজৰ বাকী অংশই লোকচক্ষুৰ আঁৰত থাকি অনুৰূপ ধৰণৰ কাৰ্য্যকেই কৰি যায়। নহ'লে ব্যৱসায় বাণিজ্যৰ পৰা আৰম্ভ কৰি শিক্ষা, কৰ্মসংস্থান আৰু প্ৰশাসন ব্যৱস্থাৰ সৰ্বস্তৰত দুৰ্নীতি, স্বজন প্ৰীতি আদি অন্যায় কাৰ্য্যবোৰৰ অবাধ ৰাজত্ব চলি থাকিব নোৱাৰিলেহেঁতেন। এই দুৰ্নীতিপৰায়ণ লোক সকলে তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ বাবে যুৱকসকলক প্ৰবীন অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি সকলো দুস্কৃতিমূলক বা অপৰাধমূলক কাম কৰায়। এই দুস্কৃতিমূলক কাৰ্য্যৰ প্ৰধান গুৰি হ'ল দুৰ্নীতিপৰায়ণ শাসক শোষক সকল। কিন্তু সমাজে এই অপকৰ্ম, দুস্কৃতিমূলক কাৰ্য্যৰ আতিগুৰি বিচাৰ নকৰাকৈ উপৰুৱাকৈ যুৱসমাজক দোষাৰোপ কৰাৰ ফলস্বৰূপে তেওঁলোকৰ মানসিক বিকৃতি ঘটে।

সামাজিক কাৰণ অনুযায়ী যুৱ সমাজ মানসিক ভাৱে বিকৃত হোৱাৰ আন এটা উদাহৰণ দাঙি ধৰিব পাৰি। যদি এজন যুৱকে কোনো বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰি আহি কৃষি কাৰ্য্যত নিয়োজিত হয় তেনেহ'লে সেইজন ব্যক্তিক ঠেক মনোবৃত্তি অধিকাৰী সকলে উপলুঙা কৰিব। যাৰ ফলত যুৱক জনৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি নোহোৱাকৈ নাথাকিব আৰু মানসিকতাই বিকৃত ৰূপ ধাৰণ কৰিবলৈ বাধ্য। এইদৰে সামাজিক দিশসমূহেও কোনো ব্যক্তিৰ সুস্থ মানসিকতাক বিকৃত ৰূপলৈ আগবঢ়াই নিয়াত অৰিহনা যোগায়।

ৰাজনৈতিক কাৰণ :— ৰাজনৈতিক চাতুৰ্য্য আৰু শাসকশোষক সকলৰ চক্ৰান্তৰ ফলস্বৰূপেও কিছু সংখ্যক যুৱকে নিজৰ অলক্ষিতেই নানা অপকৰ্মত লিপ্ত হৈ পৰিছে। ব্যক্তিগত অথবা দলীয় স্বাৰ্থপূৰণ কৰিবৰ কাৰণে শাসকশোষকসকলে যুৱক সকলক হাঁঠিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। বিভিন্ন অসামাজিক কাম কৰিবলৈ যুৱকসকলক উচটনি দিছে। এই কাৰণ সমূহেও যুৱ সমাজক ভুলপথে পৰিচালিত কৰি নানা অপকৰ্মত লিপ্ত কৰায়। কিন্তু এনে আসোঁৱাহপূৰ্ণ ৰাজনৈতিক ব্যৱস্থাৰ মাজতো যে যুৱসমাজৰ মাজত উচ্চ মানসিকতা আছে তাক অস্বীকাৰ কৰিব নোৱাৰি। ছবছৰীয়া অসম আন্দোলনৰ কালছোৱাত যুৱসমাজে যি ত্যাগৰ আদৰ্শ দাঙি ধৰিলে সেইটো.ৱেই তাৰ প্ৰমাণ। যুৱ সমাজে চৰকাৰ গঠন কৰিবলৈও সক্ষম হ'ল। এইটোৱেই যুৱ সমাজৰ মাজত লুকাই থকা উচ্চ মানসিকতাৰ প্ৰত্যক্ষ প্ৰমাণ দাঙি ধৰিলে। কিন্তু এইটোও স্বীকাৰ নকৰি নোৱাৰি যে এনে নিকা প্ৰশাসনৰ মাজতো লুকাই আছিল মানসিকতাৰ বিকৃত ৰূপ যিটোৱে কিছুদিনৰ পিছতে ভুৱা প্ৰশাসকৰ দল ৰূপে দেখা দিলে।

বৰ্তমান সময়ছোৱাত আমি দেখা পাইছোঁ যে দেশৰ শাসন ক্ষমতা যুৱক সকলে নিজৰ হাতত তুলি লব বিচাৰিছে। এটা উদাহৰণ দিলেই ইয়াৰ প্ৰমাণ ওলাই পৰিব। কোনো এজন যুৱ নেতাক যদি তেওঁ কৰা অসামাজিক কাম কাজৰ কাৰণে আইনৰ ওচৰত দায়ী কৰা হয় আৰু পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰে তেন্তে তেওঁৰ অনুগামী অন্যান্য যুৱকসকলে সেই দোষী নেতাজনক এৰি দিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। চৰকাৰে যদি তেওঁ কৰা অসামাজিক কামৰ বাবে তেওঁক এৰি দিবলৈ অস্বীকাৰ কৰে তেতিয়া যুৱ নেতাসকলে বিনা দোষত সেই নেতাজনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি ৰাইজৰ আগত ভুৱা প্ৰচাৰ আৰম্ভ কৰে আৰু তেওঁক মুকলি কৰি নিদিয়াৰ কাৰণে নিৰ্দিষ্ট দিনত বন্ধৰ ঘোষণা কৰে। এই বন্ধৰ কাৰণে বিশেষকৈ সৰ্বসাধাৰণ ৰাইজৰহে ক্ষতি হয়। জনসাধাৰণে ভয়তে ঘৰৰ পৰা নোলায়; তেওঁলোকক সমৰ্থন কৰিছে বুলি নহয়।

ঠিক সেইদৰে যুৱ সমাজৰ আন এটা দুৰ্নীতিৰ উদাহৰণ দাঙি ধৰিব পাৰি। কোনো লোকৰ চৰকাৰী কিবা কাম কাজ থাকিলে দালাল লাভখোৰ যুৱক সকলে ভেটি লৈ কাম সমাধা কৰি দিয়ে। অৱশ্যে এই ক্ষেত্ৰত দুখীয়া লোক সকলক বুজোৱা নাই। তেওঁলোক যিহেতু আৰ্থিক ভাৱে অনগ্ৰসৰ। সেয়েহে এই দুখীয়া লোকসকলৰ এনেবোৰ কাম কাজ কৰি দিবলৈ এই লাভখোৰ যুৱকসকল অপাৰগ।

"ঐক্য, শান্তি আৰু প্ৰগতি" এইয়ে নতুন অসমৰ বুনিয়াদ বুলি যুৱক সকলে প্ৰচাৰ চলাইছিল। এইটো এক ভুৱা প্ৰচাৰ। তেওঁলোকে ৰাজনৈতিক ক্ষমতা যাতে জনসাধাৰণৰ পৰা লাভ কৰিব পাৰে তাৰ বাবেহে যে এনে প্ৰচাৰ চলাইছিল তাৰ প্ৰমাণ আমি ইতিমধ্যে পাই গৈছো। আমি ঐক্য, শান্তি আৰু প্ৰগতি কোনো ক্ষেত্ৰতে নাপালো। প্ৰথম অৱস্থাত সিংহ পুৰুষ ৰূপে স্বীকৃতি পোৱা যুৱকসকলে পিছত আখ্যা পালে দালাল, লাভখোৰ হিচাপে।

এইবাৰৰ শেহতীয়া নিৰ্বাচনৰ সময়ত আমি দেখা পালো যে যুৱকসকলে বিপৰীত ৰাজনৈতিক দলসমূহৰ পোষ্টাৰ, বেনাৰ আদি নষ্ট কৰা বা ফলা কাৰ্য্যত লিপ্ত হৈছিল। এনেধৰণৰ আন বহুতো দুস্কৃতি কাৰ্য্য কৰিছিল। এনে কিছুমান যুৱকে গোটেই যুৱ-সমাজখনৰ নামত কলঙ্ক সানিছে আৰু গোটেই জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। অৱশ্যে এইটোও স্বীকাৰ কৰিব পাৰি যে এনে কাৰ্য্যসমূহ যুৱকসকলৰ হতুৱাই শাসক ৰাজনৈতিক দলসমূহে তেওঁলোকৰ দলগত সংকীৰ্ণ স্বাৰ্থৰ কাৰণে কৰোৱায় আৰু বিভিন্ন অসামাজিক কাম কাজ কৰিবলৈ উচটনি দিয়ে। ৰাজনৈতিক ক্ষেত্ৰত যে মানসিকতাৰ বিকৃতি ঘটিছে এইবোৰ তাৰেই প্ৰত্যক্ষ প্ৰমাণ।

অৰ্থনৈতিক কাৰণ :— যুৱ মানসিকতা বিকৃত হোৱাৰ অৰ্থনৈতিক কাৰণ হিচাপে আমি প্ৰথমে উল্লেখ কৰিব লাগিব দেশত বৰ্ত্তমান দেখা দিয়া ব্যাপক নিবনুৱা সমস্যা। অসমত বৰ্ত্তমান এনে বহুত শিক্ষিত তথা অৰ্দ্ধ শিক্ষিত যুৱক আছে যি নিবনুৱা ৰূপে দিন কটাব লগীয়া হৈছে। চৰকাৰেও এনে ভয়াবহ নিবনুৱা সমস্যা দূৰ কৰি যুৱকসকলক কৰ্মসংস্থান দিয়াৰ ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। অসমক কেন্দ্ৰীয় চৰকাৰে অৰ্থনৈতিক ভাবে শোষণ কৰি আহিছে। এনে অৱস্থা দেখি শুনি যুৱক সকলৰ মনত হতাশা ভাৱৰ সৃষ্টি হৈছে। এনে হতাশাজনিত ভাবে তেওঁলোকৰ মনত গভীৰ ভাৱে ৰেখাপাত কৰিছে আৰু পৰিণতি স্বৰূপে যুৱক সকলে বিভিন্ন অপকৰ্মত লিপ্ত হৈ যুৱশক্তিৰ নামত কলঙ্ক আনিছে।

সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰণসমূহৰ উপৰিও যুৱ মানসিকতা বিকৃত হোৱাৰ অন্য বহুতো কাৰণ আছে। যেনে সাম্প্ৰদায়িকতা, শৈক্ষিক পৰিবেশ, নৈতিকতা, মাদক দ্ৰব্যৰ প্ৰচলন ইত্যাদি।

সাম্প্ৰদায়িক ভেদাভেদৰ কাৰণেও যুৱমানসিকতা বিকৃত হৈছে। আমাৰ সমাজত ধৰ্মৰ নামত চলি অহা ভেদাভেদ সমূহেও যুৱ সমাজক মাজে মাজে উত্তেজিত কৰি তোলা দেখা গৈছে। সাম্প্ৰদায়িকতাৰ ঠেক মনোবৃত্তিয়ে মানসিকতা দুৰ্বল কৰি তুলিছে।

শিক্ষা জগতখনৰ কথাও এইখিনিতে উল্লেখ কৰি লব পাৰি। আজি অসমত শিক্ষা জগতৰ সকলো বিভাগত দুৰ্নীতি আৰু স্বজনতোষণে ছাটি ধৰিছে। অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে শিক্ষাৰ কোনো পৰিবেশ নোহোৱা হৈ পৰিছে। অত্যাধিক চৰকাৰী বন্ধ, অনিয়মীয়া শিক্ষাদান, বিভিন্ন সংগঠনে নিজৰ নিজৰ দাবীৰ সমৰ্থনত আহ্বান কৰা বন্ধ আদিৰ বাবে শিক্ষানুষ্ঠানবোৰত প্ৰায়ে পাঠ্যক্ৰম শেষ নহয়, যাৰ ফলস্বৰূপে নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ সকলো পৰীক্ষাতে অসৎ উপায় অৱলম্বন কৰা দেখা যায়। যুৱক সকলৰ এই মানসিক অধোগামীৰ বাবে আমাৰ শৈক্ষিক পৰিবেশেই প্ৰধানকৈ দায়ী। যুৱমানসিকতা বিকৃত হোৱাৰ অন্য এক প্ৰধান কাৰণ হৈছে সমাজত প্ৰচলিত মাদক দ্ৰব্যৰ ব্যৱহাৰ। বৰ্ত্তমান যুৱ-সমাজেই এই মাদক দ্ৰব্যৰ বিভীষিকাৰ আটাইতকৈ ডাঙৰ বলি হিচাপে পৰিগণিত হৈছে।

যুৱ মানসিকতা বিকৃত হোৱাৰ অন্য এক দুৰ্বল দিশ হ'ল নৈতিক দিশ। আমাৰ মহাবিদ্যালয় সমূহৰ পৰা বছৰে বছৰে হাজাৰ হাজাৰ স্নাতক ডিগ্ৰীধাৰী যুৱকৰ জন্ম হৈছে, কিন্তু পূৰ্ণ নৈতিকতা সম্পন্ন যুৱকৰ জন্ম হৈছে কেইজন? এই খিনিতে আমি নৈতিকতানো কি তাক জানিব লাগিব। সামাজিক নিয়ম শৃংখলা মানি লৈ যি সাম্য, আনন্দ আৰু প্ৰগতিত বৰঙণি যোগায় উচ্চ মূল্যবোধোৰে, উচ্চ আদৰ্শৰে জীৱনৰ চৰম মানদণ্ডত উপনীত কৰি যি নিজৰ কৰ্ত্তব্য সুচাৰুৰূপে সমাধা কৰি যায় তেনে ব্যক্তিকে নৈতিক গুণসম্পন্ন ব্যক্তি বুলি অভিহিত কৰা হয়। কিন্তু আমাৰ যুৱ সমাজৰ নৈতিকতাৰ দিশটোত এইবোৰ দেখা নাযায়। আমাৰ যুৱ সমাজত নৈতিকতাৰ দিশটো নিম্ন পৰ্য্যায়লৈ গতি কৰিছে। ইয়াৰ বাবে আমি যুৱ সমাজক দায়ী কৰিলেই নহব; আমাৰ সমাজখনকো দায়ী কৰিব লাগিব। প্ৰত্যেক ব্যক্তিয়ে জীৱনৰ প্ৰতি পদক্ষেপতে স্তৰ অনুযায়ী সমাজৰ লগত খাপ খায়। এজন ব্যক্তিয়ে জন্মগত ভাৱে পোৱা গুণসমূহৰ প্ৰকাশ আৰু বিকাশৰ ওপৰতেই তেওঁৰ নৈতিকতা নিহিত হৈ থাকে। এজন ব্যক্তিৰ জন্মৰ লগে লগে নৈতিক বিকাশ হবলৈ আৰম্ভ কৰে আৰু ই অবিৰাম ভাৱে আজীৱন চলি থাকে। জন্মগত ভাৱে পোৱা গুণসমূহৰ প্ৰকাশ আৰু বিকাশৰ ওপৰতেই যিহেতু আমাৰ নৈতিকতা নিহিত হৈ থাকে। এই ক্ষেত্ৰত আমি স্বীকাৰ কৰিব লাগিব যে আমাৰ সমাজখনেই যিহেতু

নৈতিকতাবিহীন, ভ্ৰষ্টাচাৰী, —সেয়ে আমাৰ যুৱসমাজো নৈতিকতাবিহীন হোৱাটো স্বাভাৱিক ; কিয়নো যুৱকসকল সমাজৰেই অংশ। বৰ্ত্তমান যুৱ সমাজে বহু পৰিমাণে উশৃংখলতাৰ মাজেৰে বিভিন্ন অসামাজিক আৰু লজ্জাজনক কৰ্মত জড়িত হৈ পৰিছে। বৰ্ত্তমানৰ যুৱ সমাজেই ভৱিষ্যতৰ সমাজৰ, দেশৰ তথা সমগ্ৰ মানৱ জাতিৰ ধৰণীস্বৰূপ। তেওঁলোকেই সৃজনী শক্তিৰ আধাৰ স্বৰূপ। এখন সমাজৰ ভাষা, সাহিত্য-শিক্ষা-সংস্কৃতি- কলা-দৰ্শন, ৰাজনীতি, প্ৰশাসনৰ ক্ষেত্ৰত যুগান্তকাৰী প্ৰতিভা সঞ্চিত হৈ থাকে এই যুৱ সমাজতেই। আজিৰ যুৱসমাজে যদি বৰ্ত্তমানৰ নিদ্ৰাক্লিষ্ট অলসতা পৰিহাৰ নকৰে আৰু উশৃংখলতা, দায়িত্বহীনতা পৰিহাৰ নকৰে তেন্তে তেওঁলোকৰ দ্বাৰা পৰিচালিত হবলগীয়া সমাজখনৰ ভৱিষ্যত যে এন্ধাৰে আৱৰা হ'ব ই ধ্ৰুৱপ। "অতীতৰ কৰ্মই যদি বৰ্ত্তমানৰ ভোগ বিলাসৰ বাবে দায়ী হয়, তেন্তে বৰ্তমানৰ কৰ্মফল প্ৰতিফলিত হব ভৱিষ্যত জীৱনত।"

বৰ্ত্তমান যুৱ সমাজৰ হাতত বহুতো দায়িত্ব আৰু কৰ্ত্তব্য আহি পৰিছে। সময়ে যিহেতু কালৈকো অপেক্ষা নকৰে, সেয়েহে বৰ্ত্তমান যুৱ সমাজে নিজৰ দায়িত্ব আৰু কৰ্ত্তব্য উপলব্ধি কৰি সময়মতে কাম কৰাৰ কাৰণে আগবাঢ়ি অহা উচিত। কিন্তু তাকে কৰিবলৈ যাওঁতে যুৱসমাজে তেওঁলোকৰ বিবেচনা শক্তিৰে শৃংখলা আৰু দায়িত্ববোধ আহৰণ কৰি লব লাগিব। বিভিন্ন সমালোচকৰ দ্বাৰা যুৱ সমাজৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ দলিয়াই নিদি তেওঁলোকে আত্মসমালোচনাৰ মাজেৰে নিজৰ কাম কাজৰ ভুল ক্ৰটি সমূহ বিশ্লেষণ কৰাৰ প্ৰয়োজন নিশ্চয় আছে। সমালোচনা আৰু আত্মসমালোচনাই আগুৱাই যোৱাত বাধাৰ প্ৰাচীৰ হিচাপে থিয় নিদি যিহেতু শুদ্ধ পথৰেই সন্ধান দিয়ে, সেয়ে এনে কাৰ্য্যই যুৱ সমাজৰ মঙ্গলেই সাধন কৰিব।

আমি যুৱ সমাজে সমাজত ঘটি থকা দুৰ্নীতি, অন্যায়, শোষণৰ বিৰুদ্ধে সদায় তীব্ৰ প্ৰতিবাদ কৰি আহিছোঁ। কিন্তু এইখিনি কৰাৰ আগতে আমি বহুতে এবাৰো ভাৱি নাচাওঁ যে দৈনন্দিন জীৱনত আমাৰ মাজৰেই বহুতো শিক্ষিত নতুন পুৰুষে কৰা দুনীৰ্তিৰ কথা। ক'ৰবাত কিবা দুৰ্নীতি দেখিলে দেখুৱাই দিয়াটো বলিয়ালি নহয়; কিন্তু আটাইতকৈ ডাঙৰ কথা হ'ল অইনৰ দোষক্ৰটিবোৰ বিচাৰ কৰাৰ আগতে নিজকে যিমানখিনি ন্যায়গত ভাৱে প্ৰতিষ্ঠা কৰিব পাৰিছো সেইটো বিচাৰ কৰি চোৱাটোহে।

সেইবাবে যুৱ সমাজে সুস্থ, সবল আৰু নিকা সমাজ এখনৰ কথা চিন্তা কৰাৰ আগতে নিজৰ চিন্তা ধাৰা সমূহ ভুলপথৰ পৰা শুদ্ধ পথলৈ আনি লব লাগিব। নিজৰ বিবেক আৰু হৃদয়ত পোহৰৰ শলিতাগছি জ্বলাই লব পাৰিলেহে আনক পোহৰ দেখুৱাব পাৰি। ঠগ, প্ৰৱঞ্চক, শোষক বুলি পৃথিবীত কোনো এটা শ্ৰেণীকে ঈশ্বৰে সৃষ্টি কৰা নাই। ইয়াক সৃষ্টি কৰিছোঁ আমিয়েই আৰু নিৰ্মূলো আমিয়েই কৰিব লাগিব।

সেয়েহে আমি যুৱসমাজে নিজকে সৎ পথেৰে পৰিচালনা কৰিব লাগিব আৰু সমাজত চলি থকা অন্যায়, শোষণ আদি নাশ কৰিব লাগিব। ইয়াৰ দ্বাৰাই আজি যুৱ মানসিকতাই বৰ্ত্তমান যি বিকৃত ৰূপ ধাৰণ কৰিছে তাক সুপথলৈ আনিব পাৰিম। কাৰণ আগতেই উল্লেখ কৰি অহা হৈছে যে বৰ্ত্তমান যুৱ মানসিকতাৰ যি বিকৃত ৰূপ সেয়া আমাৰ আৰ্থ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ দীৰ্ঘকাল ধৰি চলি অহা অৱক্ষয়ৰ পৰিণতি।

# হৃদয়ৰ এক অজান অনুভূতি— প্ৰেম

— দুলাল বৰগোঁহাই
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান)

যুগ যুগ ধৰি বহুতো ঘাত প্ৰতিঘাতৰ মাজেদি মানুহৰ মন, চৰিত্ৰ, ব্যক্তিত্ব বিকশিত হৈছে। "মানুহ" এই শব্দটো কিহৰ বাবে পৰিচিত বাৰু ? ইয়াৰ উত্তৰত আহি পৰে বিদ্যা, বুদ্ধি, বিবেক, ধৰ্ম, সমাজ, সভ্যতা ইত্যাদি। কিন্তু আমি যদি কওঁ নিশ্চয় ভুল নহ'ব নেকি যে, জীৱশ্ৰেষ্ঠ মানৱৰ শ্ৰেষ্ঠতম অনুভূতি হৈছে "প্ৰেম"। এই দুটা আখৰীয়া শব্দ প্ৰেমেই মানুহৰ এটা উল্লেখযোগ্য বৈশিষ্ট যাৰ বাবে মানুহে নিজকে অন্য প্ৰাণীৰ পৰা পৃথক কৰিব পাৰিছে। প্ৰেমেই হৈছে মানৱ সভ্যতাৰ আধাৰ-শিলা। আমি ভাল পাওঁ, আমি ভাল পোৱা আশা কৰো, আমাক কোনোবাই ভাল পায়— এইবোৰ কথাই আমাক মানুহ কৰি ৰাখিছে। প্ৰেম নামৰ বস্তু এটা এতিয়াও পৃথিৱীত আছে বাবে পৃথিৱীখন চলি আছে। দুৰ্নীতি, হিংসা, হত্যা, লুণ্ঠন ইত্যাদিৰ মাজতো এই প্ৰেম মানৱীয়তাৰ প্ৰতীক ৰূপে জীয়াই আছে। প্ৰেম হৈছে বিভিন্ন আত্মাৰ আবেগিক ঐক্যৰ, ঘনিষ্ঠতাৰ মিলনৰ নাম। ই এনে এটা বস্তু যাক পঞ্চ ইন্দ্ৰিয়য়ো ধৰা পেলাব নোৱাৰে। কেৱল প্ৰকৃত প্ৰেম কৰাজনে ইয়াৰ অস্তিত্ব, মহানতা, গভীৰতা উপলব্ধি কৰিব পাৰে। প্ৰেমক অৰ্দ্ধ পুষ্পিত ফুলৰ লগতো তুলনা কৰিব পাৰি। প্ৰেম এনে এক অনুভূতি যি মনৰ তাঁৰত সুৰৰ সৃষ্টি কৰে। প্ৰেম প্ৰতিজন মানুহৰ জীৱনত দেখা দিয়ে বিভিন্নৰূপে, প্ৰেমৰ কোনো সময় নাই, কোনো ধৰ্ম নাই। সৌন্দৰ্য্য, অৰ্থ-সম্পত্তি, শিক্ষা, জাতি, ধৰ্ম - প্ৰেমৰ ওচৰত তুচ্চ। সেয়েহে ড: ভূপেন হাজৰীকাই গাই গৈছে— জয় বা পৰাজয়, সময় অসময় কপালত জ্বিলিকাই প্ৰেম নাহে, প্ৰেমে সময় নুবুজে ........। ইংৰাজীত তাকে কয়—"Love can come upon a person uninvited and unsought. It can develop in the most unlikely relationships defying barriers of wealth, nationality, religion and diff rence of age". প্ৰেমৰ নিয়মবোৰ সাৰ্বিক, সাৰ্বজনীন আৰু শাশ্বত; ইয়াত স্বাৰ্থপৰতাৰ গোন্ধ নাথাকে।

নানা জাতি-উপজাতি, সম্প্ৰদায়ৰ মাজত ঐক্যৰ এনাজৰীডাল সুদৃঢ় কৰাত প্ৰেমৰ ভূমিকা অপৰিসীম। খ্ৰীষ্টান, সনাতন, ইছলাম, বৌদ্ধ, জৈন আদি বিভিন্ন ধৰ্মৰ নিজস্ব বৈশিষ্ট্য আছে যদিও উক্ত ধৰ্মসমূহৰ মাজত থকা সাদৃশ্যটো হৈছে প্ৰেম। সকলো ধৰ্মৰ ধৰ্ম গ্ৰন্থত প্ৰেমৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। প্ৰেম যথেষ্ট গুৰুত্বপূৰ্ণ, বলিষ্ঠ আৰু স্বতন্ত্ৰীয়া অনুভূতি। ধৰ্মই এই মানৱ প্ৰেমক অৰিহণা যোগায়। প্ৰেমে কেৱল দিয়েহে বিনিময়ত একো নিবিচাৰে। প্ৰেমৰ বাবে মানুহে অকাতৰে চৰম স্বাৰ্থ ত্যাগ কৰিব পাৰে। উদাহৰণস্বৰূপে সন্তানক জন্ম দিওঁতে মাকে কৰা কষ্ট স্বীকাৰ, ল'ৰা ছোৱালীৰ স্বাস্থ্য আৰু শিক্ষাৰ বাবে মাক দেউতাকৰ ত্যাগৰ কথা, দেশৰ কাৰণে, ধৰ্মৰ

বাবে, ভাষাৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদৰ কথা ভাৱক। এইবোৰৰ মূলতে প্ৰেম।

পৃথিবীত আদম-ইভৰ দিনৰ পৰাই পুৰুষ আৰু নাৰীৰ সম্বন্ধ চলি আহিছে। নাৰী আৰু পুৰুষ গঠনৰ দিশত ভিন্ন হ'লেও দুয়োৰে আত্মা অভিন্ন। নৰ নাৰীৰ মিলনেহে এই পৃথিৱীত মানুহক জীয়াই ৰাখিছে। নৰ নাৰীৰ মিলনত প্ৰেমৰ অৱদান অপৰিসীম। প্ৰেমৰ দুটা দিশ আছে। মানসিক আৰু শাৰীৰিক। বহুলোকে প্ৰেম সম্পূৰ্ণ হ'বৰ বাবে দুয়োটা দিশৰ আৱশ্যক বুলি ভাবে। অনেকে প্ৰেম মানসিক পৰ্য্যায়ত চলাব পাৰি বুলি কব বিচাৰে। দুটি মনৰ মিলন, য'ত শৰীৰ অৱৰ্তমান, সম্ভৱ নে অসম্ভৱ এই বিষয়ে নানা লোকৰ নানা মত। এচাম লোকে ক'ব বিচাৰে যে য'ত শাৰীৰিক সম্বন্ধ নাই সি প্ৰেম হ'ব নোৱাৰে। মনৰ মিলন নহ'লে যৌন মিলন অসম্ভৱ বুলি কয়। আন-হাতে এচাম লোকে কব বিচাৰে যে প্ৰেম স্থায়ী আৰু সুন্দৰ হ'বলৈ হ'লে শৰীৰৰ আকৰ্ষণতকৈ মনৰ আকৰ্ষণ বেছি শক্তিশালী হোৱা প্ৰয়োজন।

প্ৰেম সদায় সফল হ'ব এনে নহয়। প্ৰেম ব্যৰ্থও হ'ব পাৰে। কাৰণ প্ৰেম এনে নহয় যে যত্ন কৰিলে বস্তু পোৱা যাব। বলপূৰ্বকভাৱে, ভয় দেখুৱাই ভালপোৱা আদায় কৰিব নোৱাৰি, তেনেদৰে আদায় কৰা প্ৰেমত পৱিত্ৰতা বা আন্তৰিকতা নাই। গোটেই জীৱন ধৰি এজন ব্যক্তিয়ে এজন ব্যক্তিক ভালপোৱাটো যদিও কঠিন ই অসম্ভৱ নহয়। এজনকেই ভাল পাই অহাৰ সংখ্যা তেনেই তাকৰ। প্ৰেম চিৰস্থায়ী হোৱাটো নিৰ্ভৰ কৰে প্ৰেমিক-প্ৰেমিকাৰ মাজত থকা বুজাবুজি, বিশ্বাস, আস্থা তথা একাগ্ৰতা, সাহস আৰু ধৈৰ্য্যৰ ওপৰতে। সেয়েহে কয়— **'An absolute rule of Love is implicit faith in the beloved's words— even when suspicions come to mind they must be cast aside.'**

দেখা যায় যে প্ৰেমক বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে। উদাহৰণ স্বৰূপে, ভালপোৱা, "লাভ", "প্যাৰ", ভালবাসা, প্ৰণয় ইত্যাদি। কিন্তু কবলৈ গ'লে প্ৰেম প্ৰেমেই, ইয়াৰ কোনো বিকল্প নাই। মুঠৰ ওপৰত কবলৈ গ'লে প্ৰেম হৃদয়ৰ এক অদৃশ্যমান অনুভূতি, বিলাসিতাৰ সামগ্ৰী নহয়। প্ৰেম বজাৰৰ সামগ্ৰীৰ দৰে নহয়। প্ৰেম চাবি দিয়া পুতলাৰ দৰে নহয় যে চাবি দি দিম চলি থাকিব। চাবি শেষ হৈ যাব, প্ৰেমও শেষ হৈ যাব। সকলোৱে প্ৰেমক মানৱীয়তাৰ দৃষ্টিৰে চোৱাটোহে উচিত যিহেতু প্ৰেম মানৱ জীৱনৰ এক মহত্তম উপলব্ধি।



# ৰবীন্দ্ৰ সৰকাৰৰ 'নিজানত ৰাতিৰ শব্দ'

( আকাশ বাণীৰ সৌজন্যত )

মুনীন্দ্ৰ নাথ শৰ্মা
অধ্যাপক, ইংৰাজী বিভাগ

বিশাল পৰিধিৰ সংবেদনশীল এটি মন আৰু সজীৱ অনুভূতিৰে ভৰপূৰ এখনি হৃদয়ৰ অবিহনে কাব্যৰস হৃদয়ংগম কৰিব পৰাটো বোধ হয় সম্ভৱপৰ নহয়। কাব্য-ৰস হৃদয়ংগম কৰিব নোৱাৰিলে আকৌ কাব্যৰ সমালোচনা কাৰ্য্যও অসম্ভৱ। তদুপৰি কবিতাত স্ৰষ্টাৰ মানসিকতাৰ কেতবোৰ এনে অনুপম ব্যক্তিগত বৈশিষ্ট্যৰ স্ফুৰণ ঘটে যিটো সাধাৰণতে সৃষ্টিমূলক সাহিত্যৰ অন্যান্য বিভাগ যথা গল্প, উপন্যাস, নাটক আদিত ইমান প্ৰকট হৈ উঠা দেখা নাযায়। ফলত কবিতা কেতিয়াবা হৈ উঠে জনসাধাৰণৰ বাবে এক দুৰ্বোধ্য সাথৰ।

দৰাচলতে আওপকীয়া প্ৰকাশভংগীয়েই সকলো শিল্প সাহিত্যৰ মূল উপজীব্য হিচাপে ধৰিলোৱা দেখা যায়। কবিতাত এই আওপকীয়া প্ৰকাশভংগীৰ ব্যৱহাৰক ইয়াৰ চৰম ৰূপত ব্যৱহাৰ কৰাৰ হেপাহ কবিসকলৰ মাজত ব্যাপক-ভাৱে দেখা যায়। এইটো মাথোন আজিৰ কবিতাৰ ক্ষেত্ৰতেই নহয়, দেশ-বিদেশৰ সকলো কাব্য পৰম্পৰাৰ ক্ষেত্ৰতেই এই আওপকীয়া প্ৰকাশভংগী প্ৰীতি লক্ষণীয়। কিন্তু মাথোন প্ৰকাশভংগীৰ যাদুকৰী শক্তিয়েই মহৎ কাব্যৰ সাহিত্যৰ বুনিয়াদ হব পাৰেনে? হয়তো বহুদূৰ পাৰে— কিন্তু এই প্ৰকাশভংগী ব্যৱহাৰ হব লাগিব এক সাৰ্বজনীন জীৱনৰ ফল্গুধাৰাৰ প্ৰকাশৰ মাধ্যম হিচাপে। নহলে কুমলীয়া বাঁহেৰে নিৰ্মিত সুন্দৰ আচবাবতো অকালতে ঘুণে ধৰাৰ দৰে এনে ধৰণৰ তথাকথিত আৰ্ট সৰ্ব্বস্ব কাব্য সৃষ্টি কালৰ বুকুত চিৰকালৰ বাবে জাহ যাব। বৰ্ত্তমান কালত অৱশ্যে সমাজৰ সকলো স্তৰতে এনে এক দেউলীয়া অৱস্থা বিৰাজমান যে নিকৃষ্টতা আৰু উৎকৃষ্টতাৰ মাজৰ ব্যৱধানকণ আঙুলিয়াই দেখুৱাবলৈও আজি আমি অক্ষম। ফলত উৎকৃষ্ট মানৱ সৃষ্টিকৰ্মৰ ওপৰতো প্ৰকাশৰ মুখ দেখা পোৱাৰ দুমাহৰ ভিতৰতে উঁই হাফলু উঠিছে আৰু নিতান্তই বেপেৰুৱা শ্ৰেণীৰ বস্তুৰেও গ্ৰাহকৰ মাজত উজান তৰংগৰ সৃষ্টি কৰিবলৈ সমৰ্থবান হৈছে। কৰ্কট ৰোগৰ দৰে এক উল্লাসিততাই লৰা-ডেকা-বুঢ়া-মুনিহ তিৰোতাৰ সকলোৰে মানসিকতাত এনে ধৰণৰ বিস্তাৰ লাভ কৰিছে যে অন্যান্য কথাৰ লগতে শিল্প সাহিত্যৰ প্ৰমূল্য সম্পৰ্কেও কোনো ধৰণৰ সুস্পষ্ট মতামত, সেই মতামত ভুলেই হওক বা শুদ্ধই হওক, প্ৰকাশ কৰাটো একপ্ৰকাৰ অবান্তৰ, অপ্ৰাসংগিক তথা অৰ্থহীন হৈ পৰা যেন দেখা গৈছে। এই পাইকাৰী দেউলীয়া সম্পৰ্কে খেদ কৰি দিলীপ বৰুৱাই তেওঁৰ 'অবান্তৰ' নামৰ কবিতা পুথিখনিৰ প্ৰস্তাৱনাত এই বুলি খেদ কৰিছে— সাহিত্যিকে সাহিত্য চৰ্চাৰ অনিশ্চয়তাৰ পটভূমি পৰিত্যাগ কৰি যেতিয়াই সভাৰ সু-স্থাপিত ৰঙ্গমঞ্চত উঠি পৰে তেতিয়াই সাহিত্যৰ অনুপ্ৰেৰণা পনীয়া হয়। যশ লাভৰ, খ্যাতি লাভৰ, ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভৰ হাঁবিয়াস বাঢ়ি যায়। অসমত এতিয়া বোধহয় একেবাৰে পুৰস্কাৰ নোপোৱা সাহিত্যিকৰ

সংখ্যা মুঠেই কম। ইমানবোৰ পুৰস্কাৰ আহৰণ আৰু বিতৰণৰ পিছতো অসমীয়া সাহিত্যৰ অৱস্থা বোধহয় এতিয়াতকৈ শোচনীয় কুৰি শতিকাৰ কোনো দশকতে হোৱা নাছিল। অসমীয়া সাহিত্যৰ সৃষ্টি তথা প্ৰকাশৰ সা-সুবিধা নিতৌ সংকীৰ্ণ হৈ আহিছে। প্ৰত্যেক স্তৰতে ন্যস্ত স্বাৰ্থৰ প্ৰভাৱ বাঢ়ি জাতীয় মন শ্বাসৰুদ্ধ হৈ পৰিছে। সাহিত্য চৰ্চাৰ বাবে অনুপ্ৰেৰণা লাগে, একে মনৰ একে প্ৰাণৰ বুজ্‌-পৰা থকা কেইজনমান হলেও সহৃদয় পাঠক লাগে। একেবাৰে সহানুভূতি নোপোৱাকৈ অকলে অকলে বহি সাহিত্য চৰ্চা কৰাটো সম্ভৱ হলেও বাঞ্ছণীয় নহয়।"

এই খেদোক্তিৰ মাজেদি অন্যান্য প্ৰাসংগিক কথাৰ উপৰিও আৰু এটি কথা স্পষ্ট হয় যে পাঠকৰ অবিহনে সৃষ্টি কৰ্ম সম্ভৱ হলেও বাঞ্ছণীয় নহয়। কিন্তু পাঠক সৃষ্টিৰ দায়িত্ব বহু পৰিমাণে কবি-শিল্পী-সাহিত্যিকৰো দায়িত্ব। এই প্ৰসংগত এটি অতি গুৰুত্বপূৰ্ণ কথা পাহৰি গ'লে নচলিব যে এজন পাঠক একেবাকী দায়িত্ব বোধসম্পন্ন উদাৰ মনৰ সু নাগৰিক হোৱাটোও অতীৱ প্ৰয়োজনীয়। নহলে, কেৱল কবিতা বা সাহিত্যৰ গ্ৰাহক সৃষ্টি কৰাৰ উদ্দেশ্যেহে এনে প্ৰচেষ্টা হাতত লোৱাৰ কোনো সাৰ্থকতা থাকিব নোৱাৰে।

কবি ৰবীন্দ্ৰ সৰকাৰে এনে এচাম সচেতন পাঠক সমাজ সৃষ্টি কৰাত উল্লেখযোগ্য ভূমিকা লৈছে বুলি কলে হয়তো অত্যুক্তি কৰা নহব। ষাঠিৰ দশকৰে পৰা প্ৰকনিষ্ঠভাৱে এক বিশেষ সামাজিক দায়বদ্ধতাৰ গুৰু দায়িত্ব কান্ধত লৈ সৰকাৰে কাব্য চৰ্চা কৰি আহিছে। এই তিনিটা দশকত তেখেতে এচাম জীৱনমুখী কবিতা-প্ৰেমী পঢ়ুৱৈৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। পুঢ়ুৱৈ সমাজৰ কৃপণ ভাল-পোৱা আৰু সহযোগিতা নোপোৱা হলে ৰবীন্দ্ৰ সৰকাৰে হয়তো আজি অতীতৰ স্মৃতিলৈ পৰ্য্যবসিত হ'লহেতেন। কবি আৰু পঢ়ুৱৈৰ মাজত এইয়ে আদান প্ৰদান তথা ভাব বিনিময়ৰ মধুৰ সম্পৰ্ক।

এই সম্পৰ্কই কেৱল যে স্ৰষ্টা আৰু পাঠকৰ হৃদয়তেই আবেগ অনুভূতি তথা অনুপ্ৰেৰণাৰ উদ্ৰেক কৰে এনে নহয়; দৰাচলতে ইয়েই প্ৰবাহিত কৰি ৰাখে সমাজ দেহৰ শিৰা-উপশিৰাৰ ৰক্তসঞ্চালন; ধমনীত প্ৰতিনিয়ত যোগান ধৰি থাকে জীৱনদায়িনী বিশুদ্ধ অক্সিজেন।

ৰবীন্দ্ৰ সৰকাৰ তথা তেখেতৰ সমসাময়িক আন কেইগৰাকীমান কবিয়ে পাঠকৰ সৈতে এনেধৰণৰ আত্মীয়তাৰ সেতুবন্ধন কৰি এক ভিন্ন ৰুচিৰ কাব্যৰ বুনিয়াদ তৈয়াৰ কৰিবলৈ সক্ষম হৈছে বুলি কব পাৰি। চিন্তাৰ সৰলতা, উপলব্ধিৰ গভীৰতা, প্ৰকাশভংগীৰ স্পষ্টতা আৰু সৰ্বোপৰি এক বিশ্বজনীন জীৱনদৰ্শনৰ প্ৰতি দায়বদ্ধতা — এই কেইটিয়ে সম্ভৱ তেখেতৰ কাব্যিক সফলতাৰ ঘাই কাৰণ। ১৯৮০ চনৰ জানুৱাৰী মাহত প্ৰকাশ পোৱা তেখেতৰ কবিতাৰ পুথি "সত্তৰৰ পদাতিক'ত লব্ধপ্ৰতিষ্ঠ সাহিত্যিক সমালোচক ড° হীৰেণ গোহাঁয়ে ৰবীন্দ্ৰ সৰকাৰৰ কবিতাৰ বিষয়ে এনে ধৰণৰ মন্তব্য কৰিছিল :

"তেওঁৰ কবিতাৰ অতিশয় সুস্পষ্ট আৰু অতীৱ আকৰ্ষণীয় গুণ হ'ল তাৰ জৰুৰী কণ্ঠস্বৰ, মুহূৰ্ত্ততে আত্মকেন্দ্ৰীক তুচ্ছতাৰ বাধা ভাঙি সি আমাক লৈ যায় জীৱনৰ বৃহত্তৰ প্ৰত্যাহ্বানৰ পিনে। এই কণ্ঠস্বৰ কেতিয়াবা ক্ৰুদ্ধ আৰু ক্ষুব্ধ। কেতিয়াবা সি তীব্ৰ ঘৃণাত ফাটি পৰিছে। কিন্তু তাৰ পৰাই প্ৰমাণ হয় জনতাৰ মুক্তি তেওঁৰ বাবে এটা মধুৰ সপোনেই মাত্ৰ নহয় জনগণৰ বৰ্তমান দাসত্ব তেওঁৰ বাবে এটা দুঃস্বপ্ন আৰু যন্ত্ৰণা।" কবি ৰবীন্দ্ৰ সৰকাৰৰ কবিতা সম্পৰ্কে হীৰেণ গোহাঁইৰ এই স্পষ্ট মন্তব্য আমাৰ বৰ্তমান পুথিৰ আলোচনাৰ বাবে এক গুৰুত্বপূৰ্ণ নিৰ্ণায়ক হিচাপে ব্যৱহাৰ কৰিম।

আজিৰ আলোচনাৰ বাবে হাতত লোৱা ৰবীন্দ্ৰ সৰকাৰৰ কবিতা পুথিখনি হ'ল—'নিজানত ৰাতিৰ শব্দ'। 'নিজানত ৰাতিৰ শব্দ'— পুথিখনিৰ নামকৰণেই সূচায় কিমান আলসুৱা, কিমান স্পৰ্শকাতৰ আৰু সৃষ্টিশীলতাৰ কিমান গভীৰলৈ বিস্তৃত কবিৰ কাব্যিক চেতনা। পুথিখনিত সন্নিবিষ্ট কবিতাসমূহ ৰচনাৰ কাল উনৈশ শ সত্তৰৰ পৰা উনৈশ শ উনান্নৈ চনৰ ভিতৰত দুবছৰৰ কাল। কবিতাৰ মুঠ সংখ্যা দুকুৰি তিনিটা। পৰিতাপৰ বিষয়, পুথিখনিৰ বাবে কোনোধৰণৰ 'ভূমিকা বা পাতনি'ৰ ব্যৱস্থা কৰা হোৱা নাই। ১৯৮০ চনত প্ৰকাশিত তেখেতৰেই আগতে উল্লেখ কৰি অহা কবিতাৰ পুথি 'সত্তৰৰ পদাতিক'ৰ বাবে 'ৰবীন্দ্ৰ সৰকাৰৰ প্ৰতিশ্ৰুতি শীৰ্ষক শিতানত 'কবি পৰিচিতি' এটি প্ৰস্তুত কৰিছিল ড° হীৰেণ গোঁহাই ডাঙৰীয়াই। আমাৰ ধাৰণা,

কবিতা পুথিৰ ক্ষেত্ৰত বিদগ্ধ সমালোচকৰ সমালোচনামূলক পদ্ধতিৰ উপৰিও কবিৰ নিজৰেই বিবৃতি ভূমিকা এটি অত্যন্ত প্ৰয়োজন। কাৰণ আমি আগতেই উনুকিয়াই অহাৰ দৰে কবিতাৰ ভাবৰ প্ৰায় ত্ৰি-চতুৰ্থাংশই লুকায়িত অৱস্থাত থাকে কবিৰ হৃদয় সমুদ্ৰৰ গভীৰত ঠিক Iceberge ৰ দৰেই। প্ৰসংগ নেজানিলে বহু ক্ষেত্ৰত কেৱল শব্দৰে নহয় একো একোটি বাক্যৰ অৰ্থ পৰ্য্যন্ত উদ্ঘাটন কৰাটো অসম্ভৱ হৈ পৰে। কবিতাৰ ক্ষেত্ৰত এই সমস্যাটিয়ে পাঠকৰ বাবে প্ৰায়েই গুৰুত্বৰ সমস্যাৰ সৃষ্টি কৰা দেখা যায়। সৰকাৰ ডাঙৰীয়াই অৱশ্যে দুই এটি কবিতাৰ ক্ষেত্ৰত আমাৰ সুবিধাৰ্থে পাদটীকাৰ ব্যৱস্থা কৰি দিছে যাতে সাধাৰণ পাঠকৰ বাবে আচহুৱা শব্দবোৰৰ প্ৰাসংগিক অৰ্থ স্পষ্ট হৈ উঠাত সহায় হয়। দুই চাৰিটা কবিতা তেখেতে কোনো কোনো নিৰ্দিষ্ট ব্যক্তি বিশেষৰ সোঁৱৰণত ৰচনা কৰিছে কিন্তু সেই ব্যক্তি-সকলৰ সম্পৰ্কে প্ৰাসঙ্গিক দুই চাৰি এষাৰ কথা আগধৰি নেজানিলে কবিতাৰ বিষয় বস্তুৰ সৈতে তেওঁলোকৰ সম্পৰ্ক স্থাপন কৰি কবিতাবোৰৰ আচল মৰ্মাৰ্থ বুজি উঠাত অসুবিধা হয়। উদাহৰণ স্বৰূপে 'স্বাধীনতা' নামৰ কবিতাটি কবিয়ে ৰচনা কৰিছে জনৈক বীৰেণদাৰ স্মৃতিত। কোন এই বীৰেণদা ? কবিৰ বাবে নিশ্চয় এই বীৰেণদাৰ নেপথ্যত আছে এক গুৰুত্বপূৰ্ণ ইতিহাস। কিন্তু সাধাৰণ পাঠকৰ বাবে বীৰেণদা হয়তো চিৰদিনৰ বাবেই হৈ ৰ'ব ৰহস্যময় সাথৰ। অথচ এনেবোৰ ক্ষেত্ৰত ৰহস্যৰ আবৰণ যিমানেই উন্মোচন কৰি দিয়া হয় সিমানেই পাঠকৰ বাবে মঙ্গলজনক নহলেও সুবিধাজনক বুলি আমাৰ ধাৰণা।

কবিতাৰ ক্ষেত্ৰত দুই ধৰণৰ সমান্তৰাল ব্যাখ্যাৰ দুৱাৰ মুকলি থাকে। এবিধ প্ৰত্যক্ষ— দৃষ্টিগোচৰ অভিজ্ঞতা সম্ভূত আৰু আনবিধ প্ৰচ্ছন্ন অৰ্থাৎ ৰূপকৰ বহুৰূপী ৰহস্যঘন মায়াজালেৰে আবৃত। কবিতাৰ ৰহস্যমুখী এই দিশটোৰ নিজাকৈ এটি সম্মোহনী শক্তি নথকা নহয়। কিন্তু বাস্তৱ জ্ঞানৰ পৰা তাক সদায়েই বিচ্ছিন্ন কৰি ৰাখিলে অতি সোনকালেই তাৰ মাধুৰ্য্য লোপ পোৱা আৰম্ভ হয়। আধুনিক যুগৰ জটিলতা বৃদ্ধিৰ লগে লগে কবিৰ চিন্তাধাৰাৰ জটিলতা বৃদ্ধি হোৱাটো একো আচৰিত কথা নহয়। কিন্তু কবিতাৰ জগতত সৰলতাতকৈ শ্ৰেষ্ঠ সম্পদ আৰু বোধ হয় একোৱেই নাই। ঠিক যিবোৰ কাৰণত শিশুৰ হাঁহিয়ে আমাক আনন্দ দিয়ে, জীৱনীশক্তিৰে পূৰ্ণ ডেকা গাভৰুৰ উজ্জ্বল আনন্দৰ প্ৰকাশে আমাক যোগায় জীৱনৰ প্ৰতি এক অভিনৱ প্ৰেম, মানুহৰ প্ৰতি মানুহৰ নিৰ্দয় আচৰণে যিদৰে অন্তৰ বিষাদ, ক্ষোভ আৰু ঘৃণাৰে ভৰাই তোলে— থিক একেবোৰ কাৰণতে আৰু প্ৰায় একে ধৰণৰ প্ৰক্ৰিয়াৰেই কবিতাই আমাৰ অন্তৰত জগাই তোলে প্ৰেম, শ্ৰদ্ধা, আনন্দ, উচ্ছাস, আশা-নিৰাশা; ক্ষোভ, ঘৃণা, প্ৰতিবাদ ইত্যাদিৰ অনুভূতিবোৰ। গতিকে আমাৰ ধাৰণা, কবিতাৰ ক্ষেত্ৰত কবিয়ে কেতবোৰ গুৰুত্বপূৰ্ণ ব্যাখ্যা শিল্পসম্মত ভাবেই খৰচি মাৰি নিবেদন কৰাটো প্ৰয়োজন।

তথাপিও ৰবীন্দ্ৰ সৰকাৰৰ কবিতাৰ এক বিশেষ বৈশিষ্ট্য হৈছে ইয়াৰ চুম্বকত্ব। পাঠকে ইয়াৰ চৌম্বক ক্ষেত্ৰৰ পৰা ওলাই আহি বিষয়গত (objectivity) ভাবে তেওঁৰ কবিতাৰ বিশ্লেষণ কৰাটো খুবেই দুৰুহ কাম। ভাব ভাষাৰ সৰলতা আৰু পৰ্য্যবেক্ষণৰ সূক্ষ্মতা বোধহয় তেওঁৰ এই চুম্বকত্বৰ ঘাই কাৰণ। 'স্বাধীনতা' নামৰ মুঠেই সাতটি পংক্তিৰ এই অকণমানি কবিতাটিৰ নেপথ্যত লুকাই আছে বঞ্চনা-নিৰ্য্যাতন-নিপীড়ণৰ এক কলংকময় ইতিহাস যাৰ নাম হয়তো সভ্যতা।

চকুত পোহৰ নাই
জিভাত শব্দ নাই
মজিয়াত মাটি নাই
ভোকত ভাত নাই
উলঙ্গ !
তোমাৰ সৰ্বাঙ্গত লাগি আছে
মানুহ নামৰ পাপ।

এনেকৈয়ে আৰম্ভ হৈ এনেকৈয়ে শেষ হৈছে 'স্বাধীনতা' নামৰ ১ম কবিতাটো। বাইবেল গ্ৰন্থৰ সৰলতাৰ সবলতাৰে পুষ্ঠ কবিতাটিৰ ভাব ভাষাই পলকতে পাঠকক কৰি তোলে নিৰ্বাক নিষ্পন্দ। 'তোমাৰ সৰ্বাঙ্গত লাগি আছে মানুহ নামৰ পাপ' এই শাৰী দুটিয়ে যেন পাঠকক মেৰাই ধৰে এক বিশাল অজগৰৰ দৰে। তেওঁ হৈ পৰে চিন্তিত, ব্যথিত, লজ্জিত। ইয়াতেই কবিৰ সাধনাৰ সাৰ্থকতা।

সংকলনটিত সন্নিবিষ্ট দ্বিতীয় কবিতাটিৰ নাম 'ভাৰত'। কবিতাটিত ব্যৱহৃত বিভিন্ন উপমা তথা চিত্ৰকল্পই সৰকাৰৰ কল্পনাশক্তিৰ বিৰাট ব্যাপ্তি আৰু স্বতঃস্ফূৰ্ত্ততাৰ ইংগিত দিয়ে। জোনাকত উৰি ফুৰা নিশাচৰ পক্ষীৰ দৰে উৰা মাৰি কবিৰ কল্পনাই আমাক লৈ যায় পাহাৰৰ পৰা নিষিদ্ধ ছাউনীৰ কাঁইটৰ বেৰ পাৰ কৰি বিস্তীৰ্ণ সেউজীয়া প্ৰান্তৰৰ সন্ধানত। পৰৱৰ্তী পংক্তি কেইটিমান এনেধৰণৰ :

এই সেউজীয়া নাথাকিলে সহজেই মোৰ
মৃত্যু হব। আন্ধাৰৰ দ'গাতবোৰে গিলি
খাব সকলো ত্বৰা-নিজৰা জিলীৰ মাত
মতা গৰখীয়া লৰাটোৰে
চৰায়ে তেতিয়া
কুহুমবুলীয়া পোৱালীবোৰৰ উম নিদিব,
গাখীৰ নহব ধানত। চকুৰে পোহৰ হেৰুৱাই
অকল বিচাৰি ফুৰিব তোমাক সময়ৰ
পাক-ঘূৰণিত।

সহজ সৰল চহা জীৱনৰ পৰা আহৰণ কৰা সুন্দৰ এই চিত্ৰ কেইখনৰ পাচতেই কবিয়ে আমাক লৈ যায় তেওঁৰ লৰালিৰ দিনবোৰলৈ। শেষৰ শাৰী কেইটি এনেধৰণৰ—

লৰালিৰ ধেমালিৰে সেই যে গীতটো
লুকাই থলো তাত। পাহাৰটোত। বসন্তত পাখি
গজে। নিজম দুপৰত আহি বহে
মোৰ চকুৰ পতাত।
পাৰত জহি যায়। পৰি থাকে মাথো
তাৰ পাখি আৰু হাড়বোৰ।

'উট' নামৰ কবিতাটিৰ চিত্ৰধৰ্মীতাই পাঠকৰ মানস পটত অচিৰেই আঁকি দিয়ে এখনি মৰ্মস্পৰ্শী ছবি। এই মৰ্ম-স্পৰ্শীতাৰ মূলতে আছে এক যথাৰ্থতেই দাৰ্শনিকসুলভ জিজ্ঞাসু মন তথা কাব্যিক ব্যঞ্জনাৰ অনুশীলনৰ প্ৰতি কবিৰ সুগভীৰ আন্তৰিক নিষ্ঠা। কবিতাটিৰ কেইটিমান শাৰী পাঠ কৰি দিলে বোধহয় শ্ৰোতাসকলৰ বাবে আমাৰ এই মন্তব্য বুজাত সহায় হব :

মৰুযাত্ৰাত/জোনটো যেতিয়া শীতল হৈ যায়;
মৰু ধুমুহাই ডেউকা কোবাই/খেজুৰ আৰু বালীৰ শূন্যতাক
তছনছ কৰি খেদি আহে,
প্ৰাৰ্থনাৰ ভংগীত/দীঘল দি ই পৰি থাকে।

জন্মিয়ন্ধ গম পায় সকলো
আমাৰ অতীত বৰ্তমান
কিন্তু ঘোঁৰাৰ দৰে বিদ্ৰোহী নহয়।

'ৰখীয়া' নামৰ কবিতাটি প্ৰায় 'উট'ৰ আৰিহতেই বিৰচিত কিন্তু ইয়াৰ মেজাজ আৰু সুৰ কিঞ্চিৎ কাঢ়া। 'উটত আছে হাজাৰ বছৰ ধৰি পদদলিত প্ৰজ্ঞাৰ অসহায় আত্ম সমৰ্পণৰ প্ৰতি কৰুণা বেদনা ও অনুকম্পা মিশ্ৰিত শ্ৰদ্ধা 'ৰখীয়া'ত প্ৰকাশ পাইছে যুগ যুগান্তৰ ধৰি হলো চোলা পিন্ধি পথাৰ ৰখা মানুহজনৰ অসহায় ক্লীৱত্বক উদ্দেশ্যি কবিৰ ধিক্কাৰ। পাঠকৰ ৰসভংগ নকৰি গোটেই কবিতা-টিকেই পাঠ কৰি দিয়াৰ লোভ সামৰিব নোৱাৰিলো :—

হলো চোলাটো পিন্ধি কাউৰী খেদা মানুহজন
পথাৰ ৰাখিছে
চকুৰ আন্ধাৰ সানি মুখখন ক'লা
বাঁহৰ হাত ভৰি
পৰ দিছে এই পৃথিৱীক
আঁকি লোৱা চকু দুটাই নেদেখে
কোনে পথাৰৰ ঐশ্বৰ্য্য লুটি নিয়ে;
ভেটি খহে,
চাপৰ আকণ গছ হালি পৰে
আকাশৰ ছাঁ চোতালত

চিন্তাৰ আধুনিকতা আৰু প্ৰকাশভংগীৰ গীতি-ধৰ্ম্মী সৰলতাৰ কি অপূৰ্ব সমাহাৰ! বসন্তত পাখি গজি পাৰত বহি খোৱা পখীটো মাথোন লৰালিতে ধেমালিতে পাথৰৰ বুকুত লুকাই যোৱা কবিৰ জীউটোৱেই নে? নে ই এচাম মানুহৰ কৌটিকলীয়া যন্ত্ৰণাৰ ইতিহাস? এৰাই যাব খুজিলেও এনে ধৰণৰ এশ এবুৰি চিন্তাই পাঠকৰ মন অশান্ত কৰি তোলে।

'অতীত' নামৰ কবিতাটিৰ মেজাজত আছে শ্লেষ, ব্যঙ্গ আৰু বিদ্ৰুপৰ সুৰ। অতীত প্ৰীতি ৰাগীত আচ্ছন্ন হৈ বৰ্তমান ভৱিষ্যতৰ দায়িত্ববোধক আওকাণ কৰা আমাৰ দৰে মানুহক সকিয়নি দিবলৈ এই কণমানি কবিতাটি যেন সময়ৰ হাতত উদ্যত এক নিৰ্মোহ চাবুক। সমাজ বাস্তৱক বস্তুনিষ্ঠ বিশ্লেষণেৰে চিত্ৰিত কৰিবলৈ প্ৰয়াস কৰা হৈছে কবিতা-টিত এইদৰে :

সোণৰ গলপতা নাই
গামখাৰু নাই
মণি-মুকুতাৰ ঐশ্চৰ্য্য

মামৰে খোৱা এটা চন্দুক
মজিয়াত—
লোভ আৰু স্বাৰ্থ

ৰাতি ভূত প্ৰেত
পিশাচে
চন্দুকটো আগুৰি
কিৰীলিয়ায়
আৰু দেওধনী নাচে

লক্ষ্যণীয় কথা এই যে ব্যঙ্গ শ্লেষৰ মেজাজৰ হেতু কবিতাটি বেছ কিছু দীঘলিয়া হোৱাৰ সম্ভাৱনা আছিল। ৰবীন্দ্ৰ সৰকাৰে খুব সাৱধানতাৰে এই সম্ভাৱনাক নাকচ কৰিছে তেওঁৰ বুদ্ধিনিষ্ঠ সংযমেৰে। এই ব্যঙ্গত উপহাসপূৰ্ণ কটাক্ষতকৈ প্ৰাধান্য পাইছে দুখ আৰু বেদনা অনুভূতিয়ে। এই যে দুখ, এই যে বেদনা ই কিন্তু কোনো ধৰণৰ তৰল চিন্তাৰ পৰা উৰ্দ্ধৃত হোৱা নাই— ইয়াৰ উৎপত্তিস্থল কবিৰ ইতিহাস সচেতন অন্তৰাত্মাৰ সুগভীৰ কেন্দ্ৰস্থলত।

আদিম ৰখীয়া এইটো
সেই তাহানিৰ পৰাই
চকু কাণ নোহোৱা
অন্ধ বোবা।

কবিতাটি সম্বন্ধে অধিক মন্তব্য বোধহয় নিস্প্ৰয়োজন।

সি যি কি নহওঁক, কবি ৰবীন্দ্ৰ সৰকাৰৰ 'নিজানত ৰাতিৰ শব্দ' কবিতা পুথিখনৰ কেউটি কবিতাই যে স্বতঃস্ফূৰ্ত কাব্যৰ হৃৎস্পন্দনেৰে স্পন্দিত তেনে নহয়। স্থান, কাল আৰু প্ৰসংগভেদে তেখেতৰ এই স্পন্দন হয়তো কেতিয়াবা হৈ পৰিছে অহেতুক ভাৱেই তীব্ৰতৰ আৰু কেতিয়াবা অপ্ৰয়োজনীয় ভাৱেই মন্দাক্ৰান্তা। তথাপি, ই আমাৰ ব্যক্তিগত ধাৰণাহে, মন্তব্য নহয়। মহান সাহিত্যই সমালোচকৰ পৃষ্ঠপোষকতাক ধিয়াই নিস্পন্দ শিলাখণ্ডৰ দৰে কেতিয়াও থমকি ৰোৱা নাই আৰু থমকি নৰয়। বিশাল জনসমাজৰ বুকুৰ উমত জীপ লৈ স্বতঃস্ফূৰ্তভাৱেই লহপহকৈ বাঢ়ি ফলে-ফুলে জাতিস্বাৰ হয় মহৎ সাহিত্যৰ বৃক্ষ।

"বিশ্ব মানৱৰ হৃদয়ৰ অসংখ্য তাঁৰৰ এডালো যি সাহিত্যিকে তেওঁৰ আঙুলিৰে কঁপাব পাৰিব তেওঁৱেই প্ৰকৃত সাহিত্যিক।"

— লক্ষ্মীনাথ বেজবৰুৱা।

"বাস্তৱতে, উচ্চ ভাৱৰ ভাবুক আৰু ওখ দৰৰ কাৰ্য্যকাৰক সকলোৱেই পৃথিৱীৰ যুৱজীৱো যাই ভেঁটি সেইসকলৰ মহান ভাৱ আৰু কাৰ্য্যৰ চিন আঁকিবৰ কাৰণেই বুৰঞ্জীৰ প্ৰথম সৃষ্টি হয় বুলি কব পাৰি।"

— পদ্মনাথ গোহাঁঞি বৰুৱা

"জ্ঞানপিপাসু আৰু সাধনাৰত লোকক কোনো
বাহিৰৰ দুখ-কষ্ট বা অভাৱ-অনাটনৰ চিন্তাই
বিচলিত কৰিব নোৱাৰে।"

— [illegible] মানৱ

# নিৰাশাবাদ এক অপৰাধ

সুনীল ৰাজকোঁৱৰ

চিন্তাক ক্রিয়াশীল কৰি ৰখাৰ মহৌষধ হৈছে আত্ম-বিশ্বাস। উদ্দেশ্যৰ ওপৰত আত্ম বিশ্বাস থাকিলে সফলতাৰ পথো তৈয়াৰ হৈ আছে।

যাৰ মনত নিৰাশা আৰু ব্যাকুলতাৰ প্ৰাদুৰ্ভাৱ ঘটে তেওঁ স্পষ্ট ভাৱে চিন্তা কৰিবলৈ শক্তি হেৰুৱায়, তেওঁৰ দৃষ্টিকোণ স্পষ্ট নহয়, তেওঁৰ বিচাৰ উৎসাহপূৰ্ণ, যুক্তিপূৰ্ণ আৰু সাহসী নহয়। মস্তিষ্ক ধুঁৱলি-কুঁৱলী আৰু অস্পষ্ট কৰি দিয়ে আৰু উচ্চ চিন্তা কৰা শক্তি কণো ক্ষীণ হৈ পৰে। দুঃচিন্তাগ্ৰস্ত হৈ কাৰোবাক মুগ্ধ কৰিব পাৰিবনে ? কাৰোবাক সন্তুষ্ট কৰিব পাৰি নে ? নিৰাশাজনক চিন্তাই নিজৰ প্ৰসাৰতাৰ লগতে আনৰো প্ৰসাৰতা হৰণহে কৰে। দুঃচিন্তাই মানুহৰ মোহনীয়তা নষ্ট কৰে আৰু আকৰ্ষণীয়তাও মাটিত মিলি যায়। যি ব্যক্তিয়ে কষ্টতো হাঁহি থাকিব পাৰে তেওঁৰ সাহস কেতিয়াও কম নহয়। সকলো কাম ইচ্ছাৰ বিপৰীতে হৈ থাকিলেও যি ব্যক্তিয়ে আনন্দত থাকিব পাৰে বা পৰিৱেশৰ মুখামুখি হব পাৰে, সাহসেৰে নিজৰ পথেৰে আগবাঢ়ি যাব পাৰে, তেওঁ স্পষ্টভাৱে প্ৰকট কৰি দিয়ে যে তেওঁৰ মন সেই ধাতুৰে গঢ়া যাক ধৰাব নোৱাৰি, চিঙিব নোৱাৰি।

কিছুমান লোক আছে যি কোনো সংকটজনক অৱস্থা আহি পৰিলেও কেতিয়াও আত্মবিশ্বাস নেহেৰুৱায় বা ভাগি নপৰে। কিন্তু ইয়াৰ বিপৰীতে কিছুমান লোক এনে আছে যিয়ে তেওঁলোকৰ বিপদৰ কথা, দুখ-যাতনাৰ কথা সমাজত বিস্তাৰিত কৰি ভাল পায়। তেওঁলোকৰ মনৰ নিৰাশা আৰু চিন্তাৰ দূষিত প্ৰভাৱ আনৰ ওপৰতো পৰে। তেওঁলোকে জোৰ দি কব খোজে যে ভাগ্যত তেওঁলোকৰ কাৰণে দুখহে লেখা আছে। গতিকে তেওঁলোকে দুখ-যাতনা ভুগিবই লাগিব। পিছে এই কথাটো কোনেও এবাৰো চিন্তা কৰি নাচায় যে ভাগ্যৰ নিয়ন্ত্ৰক তেওঁলোক স্বয়ং নিজে।

বিনা বৃক্ষ ৰোপনে ফল পাবলৈ বতৰলৈ বৈ থকা আৰু ভাগ্যত অমুক লেখা আছে বুলি বহি থকা একে কথা। এনে ধৰণৰ চিন্তাবিলাক আমাৰ মূৰ্খামীৰহে চিন। কোনো মানুহৰ জন্ম দুখ পাবৰ বাবে, দীন দৰিদ্ৰ হিচাবে জীৱন নিৰ্বাহ কৰিবলৈ হোৱা নাই। সংসাৰত নিজৰ ব্যক্তিগত দুখবিলাক আনৰ ওপৰত বিয়পায় দিয়াৰ কিবা অধিকাৰ জানো আছে ? দুখবাদেই হৈছে নিৰাশাবাদ।

নিৰাশাৰ পৰা মানুহ অকৰ্মণ্য হয় আৰু অকৰ্মণ্য মানুহে আত্মবিশ্বাস হেৰুৱাই পেলায়। নিৰাশাবাদী আৰু অকৰ্মণ্য হৈ পৰিলেই মানুহক দুখ, দুৰ্ভাৱনা আৰু অসং চিন্তাই লগ্ন লয়হি আৰু শান্তি নোহোৱা হৈ পৰে। নিৰাশাবাদত ভুগি থকাজনে সফলতা কোনো পধ্যেই আশা কৰিব নোৱাৰে।

আশাবাদেই হৈছে নির্মাণৰ ভেটি আৰু মানসিক সূৰ্যোদয়ৰ 'স্বৰূপ' যাৰ ফলত মানসিক বিকাশ সাধন হোৱাৰ লগতে বৌদ্ধিক জগতখনৰো বিকাশ সাধন হয়। এনে ধৰণৰ ঋণাত্মক চিন্তা ধাৰাই মানুহৰ সমস্ত শক্তি পঙ্গু কৰি পেলোৱাৰ আশংকা থাকে। যি মানুহে নিৰাশাত ভোগে তেওঁৰ ভৱিষ্যত অন্ধকাৰ বুলি কব পাৰি যাৰ কাল্পনিক ভৱিষ্যতৰ পৰিণাম অতি বেদনাদায়ক হব পাৰে। সজ প্ৰচেষ্টা থাকিলে, মানসিক শক্তি বা ইচ্ছা শক্তি প্ৰবল হ'লে, জীৱনত অধ্যৱসায় আৰু সাধনা থাকিলে কোনো কামেই জটিল নহয়। তথাপি কোৱা শুনা যায় এই কামটো অতি সহজ বা বৰ কঠিন বুলি। ইংৰাজীতে এষাৰ কথা আছে যে Where there is a will there is a way। গতিকে মানুহৰ চেষ্টাৰ অসাধ্য একো থাকিব নোৱাৰে। কিন্তু তাৰ বাবে আমি অকৃতকাৰ্যতা বা বিফলতা বা মানসিক অৱক্ষয় ইত্যাদি ঋণাত্মক চিন্তাবিলাক পৰিহাৰ কৰিবই লাগিব। কিন্তু কথা হ'ল ভীমৰ গদা ঘূৰুৱাৰ আগতে ভীমৰ শক্তিখিনি আহৰণ কৰি লব লাগিব। এই সুন্দৰ বসুন্ধৰা মানুহৰ বাবে উপভোগ্য মাথোন। ইয়াতে মানুহে হাঁহিছে-কান্দিছে, নাচিছে-বাগিছে, আৰু য'ত যি কৰিছে সকলো তেওঁলোকৰ আনন্দৰ বাবে। তেওঁলোকৰ জন্ম এই কাৰণেই নহয় যে আনৰ কুৎসা-ৰটনা কৰক। পিছে নিজৰ অন্তৰৰ দুখ-বেজাৰ আনৰ আগত প্ৰকাশ কৰিলে মনটো কিছু পাতল পাতল লাগে। কিন্তু ইয়াৰ অৰ্থ আনক আঘাত দিয়া ধৰণৰ হব নালাগে। কেতিয়াবা এনেকুৱাও হয় যে মানুহৰ উচ্চাকাংক্ষা থকিলেও সেই স্থানত উপনীত হবলৈ তেওঁলোক কেতিয়াবা অক্ষম। তাৰ কাৰণ হিচাপে কব পাৰি যে উচ্চাকাংক্ষাৰ লগতে অপৰাধ প্ৰৱণতা আৰু উদাসভাৱ জড়িত হৈ থাকে।

যি মানুহ নিজৰ দুৰ্বল বিচাৰৰ দাস, তেওঁ কেতিয়াও সমাজৰ অগ্ৰণী নেতা হব নোৱাৰে, লাগিলে তেওঁ যিমানেই বিচক্ষণ আৰু বুদ্ধিমান নহওক কিয়। মানসিক সন্তুষ্টি, শক্তি, বুজাপৰা আদি গুণবিলাক আমাৰ সকলো কৃতকাৰ্য্যতাৰ মূলধন স্বৰূপ। যেতিয়া মানুহক চাৰিওফালে বিপদে বেৰি ধৰে তেতিয়া তেওঁ ধৈৰ্য পৰীক্ষাৰ সন্মুখীন হোৱা বুলি ধৰি লব লাগিব। মনৰ স্থিৰতা নাথাকিলে এনে পৰীক্ষাৰ সন্মুখীন হোৱাটো সম্ভৱ যদিও ইমান সহজ নহয়। সংযমশীল মানুহৰ বাবে মানসিক স্থিৰতা, ধৈৰ্য ইত্যাদি গুণবোৰ আয়ত্ব কৰাটো কোনো ডাঙৰ কথা নহয়।

আজি গোটেই মানৱ জাতিটোৱেই সমাজ জীৱনৰ প্ৰতিটো স্তৰতে বিশেষ বিশেষ পৰিস্থিতিত পৰি ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য সঠিক পথত স্থাপন কৰাত ব্যৰ্থকাম হৈছে। ইয়াৰ অন্তৰালত থকা কাৰণ সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে— নিৰাশাবাদেই ঘাইকৈ দায়ী। নিৰাশাবাদত ভুগিয়েই বহুতো মানুহে অপৰাধমূলক কাৰ্যত লিপ্ত হবলৈ কুণ্ঠাবোধ নকৰে, যাৰ বাবে মানুহৰ মাজত আজি শান্তি-সম্প্ৰীতি, সমন্বয় ইত্যাদি শব্দবোৰ মৰিচিকাত পৰিণত হৈছে।

যদি মানুহ জীৱশ্ৰেষ্ঠ প্ৰাণীয়েই হয়, পৰিস্থিতিৰ দাস হোৱাৰ পৰা নিজকে মুক্ত কৰিব পৰা নাই কিয়? প্ৰথম কথা হ'ল মানুহে নিজকে উপযুক্ত কৰি গঢ়ি লব লাগিব তাৰ পিছতহে পৰিস্থিতিৰ লগত আপোচ কৰাৰ প্ৰশ্ন আহিব পাৰে। মানুহ আশাবাদী হবলৈ হ'লে আত্ম-বিশ্বাস সদায় দৃঢ় হব লাগিব আৰু তাৰ বাবে চৰিত্ৰ হব লাগিব নিষ্কলুষ। মহৎ ব্যক্তি সকলৰ কৰ্মময় জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে তেখেতসকলৰ জীৱনলৈও কোনোবা এটা মুহূৰ্ত্তত হতাশা নামি আহিছিল। কিন্তু সেই হতাশাক দূৰ কৰাৰ একমাত্ৰ সম্বল হ'ল, তাৰ বিপৰীতে ত্যাগ, সাধনা, তথা আজীৱন অধ্যৱসায়। আৰু এইদৰেই তেখেত সকলে অমৰত্ব লাভ কৰি গৈছে।

নিৰাশাবাদত যিহেতু মহৎ আকাংখ্যা, ত্যাগ, সাধনা, অধ্যৱসায়, কৰ্মনিষ্ঠতা জৰিত হৈ নাথাকে। নিৰাশাবাদে মানুহৰ মানবীয় প্ৰমূল্যবোধ নাইকিয়া কৰি পেলায়, আৰু জীৱনৰ সকলো ৰং-ৰহইচ নোহোৱা হৈ পৰে। প্ৰতিজন মানুহেই কম বেছি পৰিমাণে হলেও নিৰাশাবাদত ভোগে। ঈপ্সিত বস্তু লাভ কৰিবলৈ হ'লে মানুহে যথেষ্ট ত্যাগ স্বীকাৰ কৰিব লগা হয়। কিন্তু তাৰবাবে হতাশাত ভোগাৰ কোনো প্ৰশ্নই থাকিব নোৱাৰে আৰু তেতিয়াই জীৱনৰ সকলোবোৰ ক্ষয়িষ্ণু কাৰ্যৰ আখৰা চলিবলৈ ধৰে। ফলস্বৰূপে অৰ্থ আৰু মৰ্য্যদা উভয় দিশতে হানি হোৱাৰ লগতে সমাজ জীৱন তথা পাৰিবাৰিক জীৱনতো আউল লাগিবলৈ ধৰে। এই মুহূৰ্ত্তত মানুহে আত্মহত্যাৰ কথাও

# চন্দ্ৰকুমাৰৰ কবিতাৰ সৌন্দৰ্য : এটি আভাস

অধ্যাপিকা জ্যোতিমালা গোহাঁই

অসমীয়া ৰমন্যাসিক সাহিত্যৰ বুৰঞ্জীত চন্দ্ৰ কুমাৰ আগৰৱালা নি:সন্দেহে প্ৰথম আৰু প্ৰধান কবি। 'জোনাকী'ৰ প্ৰথম বছৰ ১ম সংখ্যাত প্ৰকাশিত "বনকুঁৱৰী" নামৰ কবিতাটোত কবিয়ে এখন ৰমন্যাসিক কল্পলোকৰ সন্ধান দিছে। দৃশ্যমান জগতৰ মাজত সৌন্দৰ্যৰ অনিৰ্বচনীয় ৰূপ উদ্ঘাটন কৰা কবিৰ কল্পলোকত অন্য এখন জগত সাৰপাই উঠিছে। এইখন কবিসৃষ্ট জগত — চৰ্মচক্ষুৰে নেদেখা যখিনী ছোৱালীৰ নাচ, বনফুল মাজে শুৱনী প্ৰকৃতি কন্যাৰ মৰম-ভিখাৰী বতাহৰ শিহৰণ, নিজম দুপৰীয়া অজ্ঞেয় পখীৰ সতে এই সকলোখিনিৰে অপৰূপ শোভা ৰচনা কৰা কবিৰ মানসলোকত এইখন জগতৰ অৱস্থান। 'বনকুঁৱৰী' কবিতাত কবি-কল্পনাই এনে বিস্ময়ৰ জগত ৰচনা কৰিছে— যি ৰমন্যাসিক মানসিকতাৰ প্ৰতিভূ হিচাপেও ধৰা দিছে। মুখ্যত: এই বিশেষত্বৰ বাবে অসমীয়া কবিতাৰ ইতিহাসত 'বনকুঁৱৰী' এক বিশেষ কাব্যধাৰাৰ সূচক হিচাপে চিহ্নিত হৈ ৰ'ব।

কল্পনাৰ এই মূৰ্ত্তবিকাশে অসমীয়া ৰমন্যাসিক কবিতাৰ নান্দনিক সৌন্দৰ্যৰ আধাৰ নিৰ্ণয় কৰি দিছে। প্ৰাচ্য আৰু পাশ্চাত্য শিল্পতাত্ত্বিক সকলেও সৌন্দৰ্যৰ বিচাৰত 'কল্পনাৰ' ওপৰত গুৰুত্ব স্থাপন কৰিছে। ভাৰতীয় আলংকাৰিকৰ মতে কবি স্ৰষ্টা— ঈশ্বনিয়ন্তাৰ বস্তুজগততকৈ কবিৰ সৃষ্টি-শ্ৰেষ্ঠত্বৰ। এই সৃষ্টি সম্ভৱ হৈ উঠে কবি প্ৰতিভাৰ সম্যক প্ৰকাশৰ দ্বাৰা। কবি প্ৰতিভা এটা প্ৰজ্ঞা, ব্যৱহাৰিক জগতৰ পৰিবৰ্ত্তে কল্পনা আৰু বোধিৰ সমন্বিত প্ৰকাশৰ দ্বাৰা কবিয়ে অক্ষয় আৰু চিৰন্তন জগত ৰচনা কৰে। কল্পনা প্ৰতিভাৰ বলত কবিয়ে ৰচনা কৰা শিল্প-সৌন্দৰ্যক পুনৰ্নিৰ্মিত আখ্যা দিয়া হয়। বনকুঁৱৰীৰ জগত মানুহৰ অচেনা আৰু

**নিৰাশাবাদ এক অপৰাধ** (২১ পৃষ্ঠাৰ পৰা)

এবাৰ চিন্তা কৰি চায় চাগৈ। এলাহ, ভয়, নিৰুৎসাহ ইত্যাদিৰে আমাৰ উচ্চ আকাংক্ষা বিলাক জাগ্ৰত কৰিব নোৱাৰে।

আজি আমাক পৰিবৰ্ত্তন লাগে। ৰাজপথত সকলোৱে পৰিবৰ্ত্তনৰ শ্লগান আউৰাইছে। কিন্তু কি এই পৰিবৰ্ত্তন? আমাক গণ জাগৰণ লাগে, কিন্তু এই পৰিবৰ্ত্তন বা জাগৰণৰ পিছৰ পৰিস্থিতিৰ লগত খাপ খাবৰ বাবে আমি নিজকে প্ৰস্তুত কৰি তুলিছোনে? নিৰাশাবাদীয়ে কেতিয়াও নতুনৰ আশা কৰিব নোৱাৰে। কিন্তু আশাবাদী হ'লেই যে আল্লাউদ্দিনৰ বন্তিৰ দৰে কিবা এটা পাম সেইটো কেতিয়াও হ'ব নোৱাৰে। কথাতে কয় "অল্প বিদ্যা ভয়ংকৰ"। গতিকে আমি প্ৰত্যেকেই নিৰ্দিষ্ট বিষয়ত অভিজ্ঞ হৈ লোৱাটো নিতান্তই বাঞ্চনীয়। সেইয়েহে আমি সীমিত জ্ঞানেৰে উপৰোক্ত কথাখিনি আলোকপাত কৰাৰ অন্তত এটা সিদ্ধান্তলৈ আহিব পাৰো যে নিৰাশাবাদ এক অপৰাধ। ● ●

সুদূৰ পৰাহত নহয়। বাৰীৰ কাষৰে জাৰণি, বাঁহনি ডৰা, নিজম এটা তুপৰীয়া আৰু পৰিচিত চৰাই-চিৰিকতিৰ বিচৰণ-ভূমিৰ মাজতে কবিয়ে আলৌকিক সত্তাৰ অনুভৱ এটিক জীৱন্ত কৰি তুলিলে। কোনো নিৰ্জন মুহূৰ্ত্তৰ অকলশৰীয়া উপলব্ধিক কবিতাৰ মাজেদি প্ৰসাৰিত কৰি তুলিলে। মহেন্দ্ৰ বৰাই কৈছে— "এইবোৰ কবিতাত কলৰিজৰ লেখীয়াকৈ এখন অতিলৌকিক জগতৰ আভাস দিবৰ চেষ্টা কৰিছে। এইখন জগতত সাধুকথাৰ পৰীয়ে মাটিৰ পৃথিৱীত উমলি ফুৰিছেহি, ফুটুকা তলত যখিনী ছোৱালীয়ে চাপৰি বাইছেহি। সোণৰ নাৱত উঠি ৰূপৰ বঠা বাই জলকুঁৱৰীয়ে নৈয়েদি উজাই গৈছেহি, নিজম তুপৰীয়া হাবিৰ মাজত বনকুঁৱৰীয়ে নীলবৰণীয়া চুলি মেলাইছেহি। অথচ সেই আচহুৱা জগতখনো আপোন আপোন, চিনাকি চিনাকি লাগি যায়।.........কাৰণ সেই জগতখন প্ৰকৃতিৰ অনন্য সাধাৰণ দৃশ্য শোভাৰ লগত খেলিমেলিকৈ মিহলি হৈ আছে।........বাস্তৱ জগতখনৰ এখোজৰ বাট পাৰ হৈয়েই কবিকল্পনাত ভাঁহি উঠা সেই ঐন্দ্ৰজালিক জগতখনৰ দুৱাৰদলি। দুয়োখন জগতৰ সান-মিহলিৰ ধুঁৱলি-কুঁৱলীত আমি আপোন ইচ্ছাৰে অবিশ্বাসৰ ভাবক নিচুকাই থৰ খোজো। এইধাৰা কবিতাৰ সৌন্দৰ্য এইখিনিতে।"

কল্পদৃষ্টিৰ প্ৰসাৰতাই অসমীয়া ৰমন্যাসিক কবিতাৰ ধাৰা আলোক উদ্ভাসিত কৰি তুলিলে। প্ৰকৃতিৰ ক্ষুদ্ৰতম এটি অংশ নিয়ৰ আৰু লোককথাৰ নায়িকা তেজীমলাক লৈও চন্দ্ৰকুমাৰে উদ্ভাসিত কল্পলোক ৰচনা কৰিলে। নৈসৰ্গিক প্ৰক্ৰিয়াৰ ফলস্বৰূপে জিলিকি উঠা মুহূৰ্ত্তৰ নিয়ৰ কণাতে কবিয়ে সন্ধান কৰিলে দিনৰ পোহৰে ঢুকি নোপোৱা সৌন্দৰ্যৰ ৰহস্য। নিয়ৰ কণা যেন ৰাতিৰ পৃথিৱীত নৃত্যৰতা কোনো অপেশ্বৰীৰ সাতসৰী ছিগি বৈ যোৱা মণি, কোনোৱা মুহূৰ্ত্তত খহিপৰা ৰাতিৰ আকাশৰ নিদ্ৰামগ্ন তৰা— দুয়োটি কল্পচিত্ৰত ৰাতিৰ ৰহস্যময়তাই অনুপম সৌন্দৰ্যৰ উপলব্ধি দান কৰে। ফটিক পানীত ধোৱা মুকুতাৰ উজ্জ্বলতা আৰু ৰাতিৰ ধেমালী পতা জোনৰ নিখুঁট ছবি হৈ নিয়ৰ জিলিকি উঠে, পুৱাৰ বেলিমুখ চাই এটুপি চকুৰ পানী হৈ খহি পৰে সৌন্দৰ্যৰ আকৰ। 'নিয়ৰ' কবিতাৰ মাজেদি কবিৰ সৌন্দৰ্যানুভূতি ফুটি উঠিছে। সাধাৰণ দৃষ্টিত পাৰ্থিব কোনো বস্তুৱেই এনে অনুভূত আৰু অনাবিল আনন্দ হৈ ধৰা দিব নোৱাৰে, যদিহে তাত চৰ্মচক্ষু অতিৰিক্ত অন্তৰ্দৃষ্টিৰ জ্যোতি উদ্ভাসি নুঠে। সেয়ে অসমীয়া সাহিত্য পৰম্পৰাত জীৱন আৰু জগতৰ প্ৰতি দেখুওৱা ৰমন্যাসিক দৃষ্টিভংগী অপূৰ্ব বস্তু হিচাপে দেখা দিলে। নিয়ৰ কণা মাটিত ভূলোক-দ্যুলোকৰ অপৰূপ সৌন্দৰ্য সানমিহলি কৰি অঁকা ৰূপকল্প প্ৰকৃততে এনে অনন্য দৃষ্টিসম্ভাৰৰ প্ৰকাশ। 'প্ৰকৃতি', 'সৌন্দৰ্য' আদি কবিতাতো চন্দ্ৰকুমাৰৰ এনে দৃষ্টিভংগীৰ প্ৰতিফলন ঘটিছে। শিল্পদৰ্শন বা নন্দনতাত্ত্বিক বিচাৰৰ ক্ষেত্ৰত এই অনন্যতাখিনি, এই অপূৰ্ববস্তু নিৰ্মাণক্ষম প্ৰজ্ঞাখিনিকে শিল্প মূল্যায়ণৰ প্ৰধানতম মানদণ্ড হিচাপে দেখা দিছে। প্ৰাচ্য আলংকাৰিকে কোৱা প্ৰতিভা, প্ৰজ্ঞা আৰু পাশ্চাত্য আলংকাৰিকৰ **intution, expression, creative imagination** আদি ধাৰণাই কল্পদৃষ্টিৰ সেই আলোক সন্ধানী ৰূপতে পৰিচয় বহন কৰে যি জাগতিক সত্য আৰু প্ৰকৃতি জীৱনৰ মাজতেই নতুন সত্য উপলব্ধি আৱিষ্কাৰ কৰে। লেখকৰ সৃষ্টিকৰ্ম হৈ পৰে এক উদ্ভাসিত অন্তৰলোকৰ ৰূপায়ণ; য'ৰ পৰা বিচ্ছুৰিত হয় অনিৰ্বচনীয় আনন্দ, এই আনন্দোপলব্ধিয়েই সাহিত্যৰ নান্দনিক মূল্য নিৰূপণ কৰে।

তেজীমলা এটা লোক কথা। মাহী আইৰ অত্যাচাৰত নিৰীহ-জীয়াৰী তেজীমলা ফুল হৈ ফুলে, জৰা হৈ লাগে, সজাৰ মইনা হৈ পিতাকৰ সৈতে ঘৰমুখে উভতি আহে [বুঢ়ী আইৰ সাধু দ্ৰষ্টব্য]। মাহী মাকে পাপৰ ফল ভোগ কৰে। জনচিত্তৰ আনন্দৰ উৎস এই এটি লোক কথাক আশ্ৰয় কৰি লিখা "তেজীমলা" চন্দ্ৰকুমাৰ আগৰৱালাৰ শিল্পবোধৰ এটি উজ্জ্বল চানেকী। চিৰাচৰিত প্ৰথাৰে মালিতা বা কাহিনী গীতৰ ৰূপ দিয়াৰ সলনি ইয়াত কবিয়ে কাহিনীৰ মৰ্ম বাণীক লৈ এটা মানবীয় চেতনাৰ শিল্পৰূপ তৈয়াৰ কৰিলে, য'ত কবিকল্পনা কেৱল লোকায়ত আনন্দৰ বাহক নহয়। আধুনিক মানুহৰ বোধি আৰু মননশীলতাৰ সংযোগেৰে প্ৰচলিত লোককথা এটিক মানুহৰ চিৰায়ত উপলব্ধিলৈ উত্তীৰ্ণ কৰিছে। কল্পদৃষ্টি ইয়াত বোধিৰ সৈতে সম্পৃক্ত। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই গঢ়ি তোলা আধুনিক জগতৰ মানুহে যে কেৱল বস্তুগত জীৱনৰ ৰূপহে সলাই পেলাইছে তেনে নহয়, ব্যক্তিসত্তাৰ স্বীকৃতি আৰু মানবীয় মূল্যবোধৰো জন্ম

দিছে। মধ্যযুগীয় ধ্যান ধাৰণাৰ পৰা মুক্ত মানুহে নিযাতিত, লাঞ্ছিত, দুৰ্বল আৰু অসময়ে মানুহৰ পৃথিৱীখনলৈ চকু দিলে। ৰজা নহয়, ঈশ্বৰ পুত্ৰ নহয়, সম্ভ্ৰান্ত বংশোদ্ভৱ ব্যক্তি নহয়, ধনী আৰু যশস্বীজন নহয়— নিৰ্বিশেষ সাধাৰণ আৰু আতুৰজনলৈ দৃষ্টি দি গঢ়ি তুলিলে জীৱনৰ নতুন মূল্যবোধ। জীৱন সম্পৰ্কে গঢ়ি তোলা এনে মূল্যবোধে লেখকৰ কল্প দৃষ্টিত অনন্য কৰি তোলে। ৰমন্যাসিক লেখকসকলৰ কল্প-দৃষ্টিৰ স'তে জীৱনৰ মূল্যবোধজনিত বোধিৰ সম্পৰ্ক অনস্বীকাৰ্য। চন্দ্ৰকুমাৰৰ 'তেজীমলা'ত মানৱতাবাদৰ প্ৰছন্নতা এনে সম্পৰ্কৰ আধাৰিতে গঢ়ি উঠিছে। অসমীয়া সাহিত্যৰ ঐতিহ্যত বিশ্বচৰাচৰ আৰু ভগৱৎ ভক্তিৰ মনোৰম বৰ্ণনা আছে। কিন্তু ই ৰমন্যাসিক দৃষ্টিয়ে দিয়া মানবীয় আবেদনৰ সৌন্দৰ্যতকৈ পৃথক। তেজীমলাৰ মাজেদি পৃথিৱীৰ সকলো দুৰ্গত, নিৰ্য্যাতিত আৰু দুখীতজনৰ বেদনা বৰ্ণিত হৈছেঁ। মানুহ কুটুমে দলিয়াই পেলোৱা, মানুহৰ মৰমবিহীন ঠাইত বিশ্বাস স্থাপন কৰিব নোৱাৰা ব্যথিত আৰু আৰ্তজনৰ বেদনা তেজীমলাত প্ৰতিফলিত হৈছে। প্ৰকৃতিৰ নিৰ্ভেজাল আশ্ৰয়ত, ধুমুহা বতাহ, খংৰাগ চিঙিব নোৱাৰাকৈ শকত বান্ধেৰে বান্ধ খাবলৈ তেজীমলা পাৰিজাত হৈ শিপালে। মানৱ সমাজৰ প্ৰতি চৰম ক্ষোভ আৰু অভিমানত আঁতৰি অহা তেজীমলা প্ৰিয়জনৰ উপস্থিতিত খন্তেকলৈ চঞ্চল হৈ উঠিছিল "সিদিনা সন্ধিয়াৰ দৰে আজি কিয়
[illegible] এনেকুৱা কৰে মন—"

কিন্তু মানুহৰ স্বাৰ্থপৰতাত অতীষ্ঠ তেজীমলাই "কেলেই লাগিছে মানুহৰ সংগ" বুলি প্ৰাণৰ দেৱতাৰ আকৰ্ষণৰ তীব্ৰতাতো অস্বীকাৰ কৰি সংযত হৈ ক'লে—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৰবীয়া তই
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

এই গৰাকী তেজীমলা সাধুকথাৰ আজল্মী ৰূপহী তেজীমলা নহয়, হৃদয়ত সকলো পীড়িত মানুহৰ ক্ষোভ, অভিমান, ব্যথা আৰু চকুপানী সামৰি লোৱা চন্দ্ৰকুমাৰৰ তেজীমলা এক করুণ আৰু কঠিন বিদ্ৰোহৰ প্ৰতীক, মানৱতাবোধৰ ৰেঙনি স্বৰূপে।

চন্দ্ৰকুমাৰৰ কবিতাৰ আঁৰত প্ৰকৃতিপ্ৰীতি, দেশাত্মবোধ, ঐতিহ্য চেতনা ক্ৰিয়াশীল হৈ থাকিলেও মানৱতাবাদী দৃষ্টিভংগীয়েহে তেওঁৰ কবিতাৰ প্ৰভাৱশীল প্ৰেৰণা হৈ দেখা দিছে। তেজীমলা বীনবৰাগী, মানৱ-বন্দনা আদি কবিতা তাৰ উদাহৰণ। তেজীমলাৰ মাজত প্ৰতিফলিত মানৱতাবোধৰ বিভূতি ঘটিছে তেওঁৰ "বীণবৰাগী' 'মানব বন্দনা' আদি কবিতাত। স্বৰ্গতো অধিক এই পৃথিৱীত মানুহেই মানুহৰ পূজ্য। স্বাৰ্থপৰতা, হীনতা, কপটতাই জটিল আৰু ধ্বংসমুখী কৰি তোলা এনেহেন পৃথিৱীৰ মংগল সাধনৰ চিন্তা প্ৰেৰণাই কবিক উদ্বাউল কৰিছে, বিদ্ৰোহৰ অগ্নিমন্ত্ৰ দান কৰিছে, চিৰসুন্দৰৰ অনন্য ৰহস্যৰ ওচৰত নতশিৰ কৰিছে। মানুহৰ ওপৰত থকা এই অসীম বিশ্বাস আৰু সম্ভাৱনাৰ স্বীকৃতি পাশ্চাত্য মানৱতাবাদী দৰ্শনৰে প্ৰভাৱ। এই দৃষ্টিৰ স'তে ভাৰতীয় ঐতিহ্যগত চিন্তাই তেওঁৰ কবিতাক এক বিশিষ্টতা প্ৰদান কৰিছে। সৌন্দৰ্য্যানুৰাগ আৰু দেশপ্ৰেমৰ ভাবধাৰাই এই দুয়োটা চিন্তাৰ স'তে সমানে ক্ৰিয়া কৰি আছে। দৰাচলতে ৰমন্যাসিক শিল্পদৃষ্টি এক বিশিষ্ট জীৱনবোধৰ প্ৰকাশ। ইউৰোপীয় ৰোমান্টিক সাহিত্যৰ প্ৰধান বিশেষত্ব হ'ল ই ক্লাচিকেল সাহিত্যই গঢ়ি তোলা জীৱন আৰু জগত সম্পৰ্কীয় মূল্যবোধ অস্বীকাৰ কৰি বিদ্ৰোহৰ প্ৰতিবাদৰ সাহিত্য হিচাপে প্ৰকাশ লাভ কৰিলে। অসমীয়া ৰমন্যাসিক কবিতাৰ আবেদনৰ বিচাৰৰ প্ৰসংগতো জীৱনৰ মূল্যবোধ, সত্য আৰু সৌন্দৰ্য স্পৃহাৰ এই বিশিষ্টতাক আধাৰ হিচাপে গ্ৰহণ কৰিব পাৰি।

৪

অসমীয়া ৰমন্যাসিক সাহিত্যৰ বাটকটীয়া চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীৰ মাজত দেশপ্ৰেম পথিক জাতীয়তাবাদৰ প্ৰতিভূ হিচাপে ধৰা দিলেও মানুহ হিচাপে ভাষা নিৰ্বিশেষে পৃথিৱীৰ মমতা আৰু কল্পনাৰ চিন্তাহে প্ৰভাৱশীল ৰূপত প্ৰতিফলিত হৈছে। 'মানৱ-বন্দনা'ৰ কবিয়ে মানৱী জনম, মানৱী কৰম সোঁতে উটুৱাই দিয়াৰ হাবিয়াস কৰিছে। 'বীণ বৰাগী'ৰ কবিয়ে 'মুকলি মনৰ মানৱী মূৰ্ত্তি অকলঙ্ক মাধুৰিমা' দেখিয়ে ক্ষান্ত হোৱা নাই, মানুহৰ পশুবৃত্তিয়ে মানুহৰে অনিষ্ট সাধন কৰোঁতে বিদ্ৰোহী অন্তৰৰ ক্ষোভ প্ৰকাশ কৰিছে। কিন্তু মানৱতাৰ বন্দনাত, মানুহৰ মংগলৰ চিন্তাত সৰ্বসত্বা উৎসৰ্গা কৰিও কবিয়ে নীচ

অহঙ্কাৰ দূৰ কৰিবলৈ জগতস্বামীক প্ৰাৰ্থনা জনালে। সৰ্বময় কৰ্তাৰ অনন্তজ্যোতিৰ সন্ধান কৰি কৰিয়ে উপনিষদীয় আত্মোপলব্ধি লাভ কৰিলে। ত্ৰৈলোক্যনাথ গোস্বামীয়ে লেখিছে, "বীণ বৰাগী কবিতাটোৰ তৃতীয় খণ্ডৰ পৰা শেষলৈকে থকা কবিৰ দৃষ্টিভংগী ৰহস্যবাদী লেখকৰ দৃষ্টিভংগীৰ সদৃশ। বৰাগীৰ বৈপ্লৱিক চেতনা এক আধ্যাত্মিক উপলব্ধিৰ দাৰ্শনিক চিন্তাধাৰাৰ সোঁতেদি বৰাগীয়ে আগুৱাই গৈ দুখহাৰী পতিতপাৱন জগতস্বামীৰ সান্নিধ্য বিচাৰিছে।" ঐতিহ্যৰ প্ৰতি থকা শ্ৰদ্ধাশীলতাৰ ফলতে কবিৰ মানৱতাবাদী দৃষ্টিভংগীৰ সৈতে আধ্যাত্মিক চেতনাৰ এনে সংমিশ্ৰন সম্ভৱ হৈ উঠিল। ই এটা নিৰ্দ্দিষ্ট যুগ বিশেষত গঢ়ি উঠা মূল্যবোধৰ প্ৰকাশ। যি সামাজিক আৰু আৰ্থ-ৰাজনৈতিক পটভূমিৰ পৃষ্ঠভূমি হিচাপে লৈ অসমীয়া ৰমন্যাসিক লেখকসকলে আধুনিক অসমীয়া সাহিত্য ৰচনাত প্ৰবৃত্ত হৈছিল, সেই সময় আৰু পৃষ্টভূমিক অস্বীকাৰ কৰি তৎকালীন সাহিত্যৰ মূল্য নিৰূপণ কৰিব নোৱাৰি। হৰিপ্ৰসাদ নেওগে চন্দ্ৰকুমাৰৰ যুগমানস আৰু পৃষ্ঠভূমিৰ বিষয়ে লেখিছে— "যিটো কালত খণ্ডিতভাৱে জীৱনৰ প্ৰাত্যহিক তুচ্ছতাকো মহত্তম শিল্পসম্ভাৱৰ প্ৰকাশ পথলৈ আদৰি অনাৰ এক ঐতিহাসিক প্ৰচেষ্টা সমগ্ৰ ভাৰতবৰ্ষ জুৰি গ্ৰহণ কৰা হৈছিল সেই নৱ উন্মেষৰ কালৰ কবি আছিল চন্দ্ৰকুমাৰ। .... সেয়েহে চন্দ্ৰকুমাৰে ৰাখিছিল মানুহৰ ওপৰত গভীৰ আস্থা আৰু ঐতিহ্যগত বিশ্বাস আৰু এই আত্মবিশ্বাসৰ বাবে চন্দ্ৰকুমাৰৰ কাব্যকৃতি আন সকলো ৰোমান্টিক কবিৰ কাব্যতৰঙ্গৰে ওপৰত"।

সাহিত্যৰ সৌন্দৰ্য বিচাৰত আদৰ্শবাদী, নৈতিক আৰু সত্যমূল্যৰ ধাৰণাও গুৰুত্বপূৰ্ণ। সাহিত্যৰ সৌন্দৰ্য্য এক অনিৰ্বচনীয় আনন্দৰ উপলব্ধিত একীভূত আৰু নিবদ্ধ। এনে আনন্দ প্ৰাপ্তি সম্ভৱপৰ হয় যদিহে সি মানুহৰ ইপ্সিত ধাৰণাৰ যোগেদি জীৱনৰ সত্যৰে প্ৰকাশ কৰে। শিল্প হিচাপে সাহিত্যও মানুহৰ ক্ৰমবিকশিত ৰুচি আৰু উপলব্ধিৰ প্ৰকাশ। জীয়াই থকাৰ সংগ্ৰামত অভ্যস্ত মানুহে জীৱনৰ অভিজ্ঞতাক শিল্পৰূপ দিবলৈ যত্ন কৰোঁতে শুভ আৰু কল্যাণকাৰী বোধৰ ওপৰতে গুৰুত্ব দিয়ে। জীৱনৰ বিচিত্ৰতা আৰু হৃদয়ৰ বৰ্ণময় আকাংখ্যাক লৈ শিল্পৰ ৰূপায়ণ সম্ভৱ হৈ উঠে। এনে ৰূপায়ণৰ প্ৰাকৃত সত্য আৰু উপলব্ধি সত্য। দুয়োটাৰে প্ৰতিফলন ঘটে, শ্ৰেয় আৰু প্ৰেয়ৰ সংঘাত হয়, সামাজিক মূল্যবোধ আৰু ব্যক্তিত্বৰ মাজত দ্বন্দ উপস্থিত হয়। সাহিত্য শিল্পত মূল্যবোধৰ সংঘাত সৃষ্টি কৰা এনে উপলব্ধিৰ প্ৰকাশো তাত প্ৰতিভাত হয়। লেখকৰ জীৱন সম্পৰ্কীয় দৃষ্টি আৰু বোধিয়ে আৰ্থ ৰাজনৈতিক চেতনাৰ স্বৰূপে উল্লিখিত ধাৰণাক নিজা বৈশিষ্ট্যৰে ৰূপদান কৰে। কিন্তু তাৰ মাজেদিও জীৱনৰ আদৰ্শ আৰু সত্যৰে অনুধাৱন কৰা হয়। যিহেতু মানুহ আৰু পৃথিৱীৰ শুভচিন্তা বুলিয়ে লেখকসকলৰ অন্তৰ্দৃষ্টিয়ে তেওঁলোকক স্ৰষ্টা আৰু দ্ৰষ্টাৰ মৰ্য্যদা প্ৰদান কৰে। এনে চিন্তাই গঢ়ে জীৱনাদৰ্শ। লেখকৰ জীৱনাদৰ্শৰ এনে ৰুচি আৰু নান্দনিক মূল্যৰ এটা সম্পৰ্ক আছে। চন্দ্ৰকুমাৰৰ কবিতাৰ মাজেদিও তেওঁৰ জীৱনাদৰ্শৰ প্ৰতিফলন ঘটিছে।

সত্য আৰু সুন্দৰৰ আৰাধনাৰ মাজেদি পৃথিৱী আৰু মানুহৰ মংগল সাধনেই তেওঁৰ জীৱনৰ আদৰ্শ। তেওঁৰ সত্যৰ জিজ্ঞাসাত ভাৰতীয় আধ্যাত্মিক চিন্তাৰ প্ৰভাৱ অনুভূত হয়। তেনেদৰে সৌন্দৰ্য অন্বেষণ আৰু মানৱতাৰ ধাৰণা গঢ়ি উঠে পাশ্চাত্য-চিন্তাৰ প্ৰভাৱৰ ফলস্বৰূপে। জীৱনৰ দুখ আৰু সংঘাতত পৰাভূত নোহোৱা মানৱাত্মা আৰু জগৎস্বামীৰ ওচৰত নতশিৰ মানুহ— তেওঁৰ কবিতাই দুয়োটাৰে ছবি ধৰি ৰাখিছে, লগতে আছে সৌন্দৰ্যৰ অভিনৱ ধাৰণা। চন্দ্ৰকুমাৰৰ কবিতাৰ বিষয়ে জ্যোতিপ্ৰসাদে উল্লেখ কৰিছে—

"প্ৰতিমাৰ মাজেদি মানৱাদৰ্শ বিচাৰোঁতা আৰু মানৱজীৱনৰ উদ্দেশ্য ফঁহিয়াই যুৱা চন্দ্ৰকুমাৰৰ যি কবিটিক আমি লগ পাওঁ সেই কবি মনটোৰে বীণবৰাগীত মানৱজীৱনৰ বিষয়ে সঠিককৈ উপলব্ধি কৰা পাওঁ। বীণবৰাগীত কবি চন্দ্ৰকুমাৰৰ জীৱনদৰ্শন পৰিষ্ফুট হৈ ওলাইছে আৰু এই বীণবৰাগীতেই কবি চন্দ্ৰকুমাৰ মানৱ কবি হিচাপে ফটফটীয়া হৈ পৰিছে।"

# ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিংসকল ঃ এটি চমু আভাস

শ্ৰীমুথ্যনাথ দলে
স্নাতক ১ম বাৰ্ষিক (কলা)

ঐতিহ্য প্ৰীতি লগতে ঐতিহ্য গৌৰৱ আৰু ঐতিহ্যৰ প্ৰতি হীনমান্যতা, এই দুই বিপৰীত দৃষ্টিভঙ্গীৰ ভিত্তিত মিচিং জনগোষ্ঠীৰ ঐতিহাসিক উৎসৰ, সংস্কৃতি, অৰ্থনৈতিক অৱস্থা আৰু অ-জনজাতি লোকৰ লগত সাংস্কৃতিক আদান-প্ৰদান সম্পৰ্কে বিশ্লেষণ কৰাটোৱেই এই নিবন্ধৰ মূল লক্ষ্য।

এগৰাকী কুছ গাভৰুৱে কৈছিল :— "We want change, but we are also conservative in our bones for change. Things will change, we will move on to a new chapter of our life, but there will be no radical change, no one should expect a revolution." পৰিৱৰ্তন আহিবই, জীৱন সদায় নতুনৰ প্ৰতি ধাৱমান হ'বই ; কিন্তু এই পৰিৱৰ্তনে সমাজ আৰু জাতিৰ মূল ভেটি ধ্বংস কৰিব নালাগিব। সকলোৱে পৰিৱৰ্তন বিছাৰে, কিন্তু পুৰণি ৰীতি-নীতি ৰক্ষা কৰি চলাৰ প্ৰৱনতা তেওঁলোকৰ মজ্জাগত। সকলোৱে যেতিয়া পৰিৱৰ্তন দাবী কৰি চিঞৰে তেতিয়াও তেওঁলোকে পুৰণি ভাল কথা বিলাক একেদৰে অপৰিৱৰ্তনীয় হৈ থকাটোকে বাঞ্ছা কৰে। মিচিং সমাজলৈ পৰিৱৰ্তন আহিবই, কিন্তু এই পৰিৱৰ্তন হ'ব লাগিব মলয়া বতাহৰ দৰে।

**ঐতিহাসিক পটভূমি :—** আদিতে মিচিংসকল উত্তৰ-পূৰ অঞ্চলৰ কিছুমান পাহাৰত আছিল বুলি মিচিং জনগোষ্ঠীৰ বিষয়ে অধ্যয়ন কৰা বহুতো পণ্ডিতে কয়। উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ ওপৰত গভীৰ নিষ্ঠাৰে অধ্যয়ন চলোৱা হাইমেনডৰ্ফ'ৰ পৰা উদ্ধৃতি দি বিষ্ণু ৰাভাই লেখিছে :— "এই সোৱণশিৰি বিভাগত কেৱল ডফলা, আপাতানি আদি জনগোষ্ঠীৰ লোকহে থাকে এনে নহয়, পাহাৰীয়া মিৰি নামৰ এটা জাতিও বাস কৰে।" কিন্তু এনে বংশধৰ সকলো উপজাতীয় লোকে আত্মপৰিচয় দিয়ে "নিচু" বুলি। বৃটিছ বুৰঞ্জীবিদ ডেল্টৰ পৰা উদ্ধৃতি দি ৰাভাই লেখিছে— "আবৰ মিৰিসকল একে গোষ্ঠীৰ মানুহ।" ১৮৯৭ চনৰ বৰ্ণনামতে মিৰিসকলৰ বাসস্থান দক্ষিণ পূৱে দীজেম নৈ, উত্তৰ পূৱে দিহিং উপত্যকাৰ দক্ষিণ পৰ্বতশাৰী; দক্ষিণে উত্তৰ লক্ষীমপুৰ মহকুমা, দক্ষিণ-পশ্চিমে ৰঙা নৈৰ পৰ্বতশাৰী, উত্তৰে তিব্বত। সোৱণশিৰি নৈখন মিৰিসকলৰ থকা ঠাইৰ সো মাজেদি বৈ গৈছে। ৰাভাই আৰু লিখিছে— উত্তৰৰ মিৰিসকলৰ খেতিবাতিৰ সিমান জ্ঞান নাই। দক্ষিণৰ মিৰিসকলে গম ধান, কচু, ৰঙাআলু আৰু ধানৰ খেতি কৰিলেও এটা ৰছৰৰ কাৰণে সেয়া যথেষ্ট নাছিল। গতিকে আহাৰৰ কাৰণে ভৈয়ামলৈ নামি আহিবলৈ বাধ্য।

কিংবদন্তী, লোকবিশ্বাস আৰু সমসাময়িক আহোম বুৰঞ্জীত সিঁচৰিত হৈ থকা প্ৰাসংগিক উল্লেখৰ পৰা অনুমান কৰি ক'ব পাৰি যে মিচিংসকল প্ৰায় আহোমৰ সমসাময়িক আৰু শদিয়াৰ চুতিয়া ৰাজ্যৰ লুপ্তপ্ৰায় অৱস্থাতেই এই মিৰিসকল লক্ষীমপুৰ জিলাৰ দাঁতিকাষৰীয়া পাহাৰৰ পৰা চিয়াং জিলালৈ শান্তিপূৰ্ণ জীৱন আৰু মাটিৰ সন্ধানত নামি আহিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ আৰু সোৱণশিৰিৰ পাৰত পোনতে আহি বহা মিচিংজাতি কাল-

ক্রমত ব্ৰহ্মপুত্ৰ উপত্যকাৰ শোণিতপুৰ জিলালৈকে বিস্তৃত হৈ পৰিল। মিৰিসকলে কেতিয়াৰ পৰা মিছিং নাম গ্ৰহণ কৰিলে সেইবিষয়ে খাটাংকৈ জনা নাযায় বুলি অধ্যাপক পাহেন্দ্ৰ পাছুনে লেখিছে। তেখেতৰ মতে ভৈয়ামলৈ নামি অহাৰ পাছত মিৰি সকলে মিছিং নাম গ্ৰহণ কৰা বুলি অনুমান কৰা হয়। কিয়নো তাৰ আগতে মিছিং নামটো পাহাৰত থকাৰ কোনো প্ৰমাণ পোৱা নাযায়।

বি, এন, বৰদলৈৰ মতে— চুতিয়া ৰাজ্য আহোমে আক্ৰমণ কৰাত চুতিয়া ৰাজ্যত থকা মিছিং সকলে সেই ৰাজ্যৰ সীমাৰ বাহিৰলৈ ওলাই যায়। কিন্তু আহোমৰ শাসনত থকা জন-গণৰ লগত মিলি যোৱাৰ সুযোগ পায়।

মিৰিসকলৰ বিষয়ে এল, এন, চক্ৰৱৰ্ত্তীয়ে লেখিছে :—

**"It is difficult to say as to exactly from when the word Hill Miri for the people living in the foot hills of the present Subansiri District came into use, but they have been recognised as a separate tribal group by scholars like Dalton, Gait, Gierson and several administrative officers who had served in Hill Miri country."**

১৯৬১ চনৰ লোকপিয়ল মতে অসমত বাসকৰা ৯,৫৩, ৩১০ জন জনজাতীয় লোকৰ ১,৬০,৪৫৬ জনেই মিছিং। এই জনসংখ্যা হ'ল মুঠ জন জাতীয় জনসংখ্যাৰ ১৭।১৫% বৰ্ত্তমান মিছিং সকল অসমৰ বিভিন্ন ঠাইত বাস কৰে। পিছে লক্ষীমপুৰ, ধেমাজি, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু দৰং— এই কেইখন জিলাতহে সৰহকৈ বস-বাস কৰে।

**সমাজ ব্যৱস্থা** — মিছিং সকল বহুতো যৈদ বা টোলত বিভক্ত। সেইবিলাক হ'ল— পাগৰ, দেলু, দাম্বুগ, ময়িং. অয়ান, টায়াং, মিৰাং, তামাৰ, চমুৰা আদি। প্ৰতিটো যৈদতে কেবাটাও খেল থাকে। মিছিং সম্প্ৰদায়ৰ এনে কিছুমান খেল হ'ল— মিলি, দলে, পেগু, কুলি, কাদিং, লেতুম, কুটুম, পাংগিং, পাইত, য়েইন, পাদুন আদি। মিছিংসকলে সাধাৰণতে একেখেলৰ মানুহ এনেখেলতে থাকি ভাল পায়। কিন্তু আজিকালি এঠাইৰ পৰা আন এঠাইত বসতি কৰিবলৈ লোৱাত তেওঁলোকৰ জনজাতীয় চৰিত্ৰ সলনি হৈছে। বিভিন্ন খেলৰ মানুহ একেঠাইতে থাকিব লগা হৈছে।

প্ৰতিখন গাঁও সুচাৰুৰূপে নিয়ন্ত্ৰণ কৰিবলৈ "গাম" নামৰ এজন মুখিয়াল থাকে। 'কেবাং' নামৰ বিচাৰ সভাৰ জৰিয়তে গামে সকলো ধৰণৰ মোকৰ্দমাৰ বিচাৰ কৰে। কেবাখনো কেবাং মিলি একোখন বানে কেবাং' আৰু কেবাখনো বানেকেবাং মিলি একোখন 'বাংগ কেবাং' গঠিত হয়। গামৰ নিৰ্বাচন পুৰুষানুক্ৰমে কৰা নহয়, যোগ্যতা চাইহে কৰা হয়। গাম মুখিয়াল আৰু সন্মানিত ব্যক্তি হলেও স্বেচ্ছাচাৰী হ'ব নোৱাৰে। কিয়নো কেবাঙৰ সদস্য-সকলে গামৰ সিদ্ধান্ত নাকচ কৰিব পাৰে। এই গণতান্ত্ৰিক প্ৰশাসনীয় আৰু ন্যায়িক ব্যৱস্থা পাহাৰীয়া মিৰি আৰু ডফলা সকলৰ লগতো একে বুলি এলুইন চাহাবে কৈছে। মিছিং সমাজত উচ্চ নীচৰ ভেদ-ভাৱ নাই। সমাজত সকলো ব্যক্তিয়েই সমান স্থান পায়। গাঁৱৰ ৰাজহুৱা কাম কাজ ডেকা গাভৰুৱে কৰে। সেইবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ডেকা-গাভৰুৰ সংস্থা থাকে। ডেকা গাভৰু সকলৰ মাজত সমবায় হিচাপে কাম কৰাৰ নীতি আছে।

**সামাজিক ৰীতি-নীতি** :— মিছিংসকলে নৈৰ পাৰত মুক্ত জীৱন-যাপন কৰি ভাল পায়। সেইবাবে মিছিং গাঁওবোৰ সাধাৰণতে নৈৰ পাৰত অৱস্থিত। নৈৰ পাৰৰ উপযোগীকৈ সজা ঘৰবোৰ বাঁহ বেতৰ চাংঘৰ। মিছিং সকল সাধাৰণতে যৌথ পৰিয়াল পন্থী; সেইকাৰণে কেতিয়াবা একোটা ঘৰত ৮০/৯০ জনকৈও মানুহ থকা দেখা যায়। ফলত কিছুমান ঘৰৰ দৈৰ্ঘ্য ২০০ ফুট পৰ্য্যন্তৰ। ডাঙৰ চাংঘৰ বিলাকৰ প্ৰতিটো ঘৰতে সন্মুখত এটা মুকলি আহল-বহল চ'ৰাঘৰ থাকে। চাঙলৈ উঠিবলৈ কাঠৰ এটা জখলা থাকে। চাঙৰ ভিতৰত এটা ডাঙৰ হলঘৰ থাকে। ঘৰৰ পিছফালেও মুকলি বেলকনি (য়াপকুৰ) থাকে। উল্লেখযোগ্য যে ডাঙৰেই হওক বা সৰুৱেই হওক চাংঘৰৰ কেৱল দুখনহে দুৱাৰ থাকে। এখন আগফালে আৰু আনখন পাছফালে। ডাঙৰ হল ঘৰটোৰ মাজত এখন প্ৰকাণ্ড জুহাল (মেৰাম) থাকে। এই জুহালৰ চাৰিওফালে ৰন্ধা-বঢ়া কৰা, গল্প-গুজৱ কৰা, আনকি খোৱা আদি সকলো কামেই হয়। চাঙৰ তলত গাঁহৰি, কুঁকুৰাৰ গড়াল, তাঁতশাল আদি থাকে।

মিছিং সকল বৰ অতিথিপৰায়ণ লোক। ঘৰলৈ

আলহী আহিলে চাহ এৰাতিৰে আপ্যায়ন কৰাৰ দৰে একোবাতি 'আপঙৰে' অতিথিক আপ্যায়িত কৰে। বহুতো সকাম নিকাম, উৎসৱ, অনুষ্ঠান, পূজা পাতল আদিত আপং ব্যৱহাৰ কৰে, দেৱ দেৱীৰ উদ্দেশ্যে আপং উছৰ্গিত কৰে। বেছিভাগ পূজা পাতল গাঁহৰি, কুঁকুৰাৰে সম্পাদন কৰে। আপং দুবিধ— নগিন আপং (ৰগামদ) আৰু পৰ আপং (ছাই মদ)। সৰহ সংখ্যক মিছিং লোকে উৎপাদিত ধানৰ এক বুজন্ অংশ আপং বনাওঁতে ব্যৱহাৰ কৰে। সেইহেতুকে মিছিংসকল অৰ্থনৈতিক ভাবে বৰ জুৰুলা বুলি কব পাৰি। কিন্তু এই আপং মিছিংসকলৰ জনবিশ্বাস, লোক-সংস্কৃতি, সামাজিক আৰু ধৰ্মীয় আচাৰ অনুষ্ঠানত এনেকৈ সাঙুৰ খাই আছে যে এইটো তেওঁলোকৰ এক পৰম্পৰাগত নীতি বুলিয়ে কব পাৰি। মিছিং ডেকা-গাভৰুৰ অবাধ মিলা-মিছাও অইন এক মন কৰিবলগীয়া বৈশিষ্ট। কোনো ডেকা-গাভৰুৰ মনৰ মিলন হলে তেওঁলোকে স্বইচ্ছাই বিয়া পাতিব পাৰে। বিয়া হ'ব লগা ডেকা-গাভৰুৰে ঐ নিতমৰ দ্বাৰা চুপতা চুপতিও কৰে।

অৱশ্যে মিছিংৰ বৈবাহিক নীতি সুনিৰ্দিষ্ট আৰু কটকটীয়া। একে খেল বা 'অপ্‌ন'ৰ মাজত বিবাহ হ'ব নোৱাৰে। মিছিং সকলৰ মাজত একে খেলৰ ভিতৰত চন্দ্ৰ সূৰ্য্য থাকে মানে বিয়া হ'ব নোৱাৰে। পেগুৱে পেগুক, দলে দলেক যুগ যুগ পাৰ হৈ গ'লেও বিয়া কৰাব নোৱাৰে। বিয়া সাধাৰণতে দুই প্ৰকাৰৰ হয়— খোজা বঢ়া কৰি আৰু মনৰ মিল হৈ। কিন্তু খোজা বঢ়া কৰাৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ মতৰ অবিহনে বিয়াৰ বন্ধবস্ত নকৰে। ছোৱালীক পলুৱাই নি পিছত গা-ধন ভৰি বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ প্ৰথাও মিছিং সমাজত আছে।

**ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু উৎসৱ :—** মিছিং সকলৰ বেছিভাগেই বৰ্ত্তমান হিন্দুধৰ্ম গ্ৰহণ কৰিছে। প্ৰণালীবদ্ধ জীৱনৰ নীতি সুনিৰ্দিষ্ট কৰি দিয়া তেওঁলোকৰ নিজা কোনো ধৰ্ম নাছিল। আন জনজাতীয় লোকৰ দৰে তেওঁলোকেও প্ৰকৃতিৰ নানা শক্তিৰ উপাসনা কৰিছিল। তেওঁলোকে মেঘ, বিজুলী, তৰা, চন্দ্ৰ, সূৰ্য্য আদিক পূজা কৰে। চন্দ্ৰ সূৰ্য্য তেওঁলোকৰ প্ৰধান দেৱতা। তেওঁলোকে বেমাৰ-আজাৰ, ভূত-প্ৰেত, বিপদ আপদ আদি কোনো শক্তিৰ দ্বাৰা পৰিচালিত হয় বুলি বিশ্বাস কৰে। সাধাৰণতে পূজাত গাঁহৰি, কুকুৰা আদি উৰ্ছগা কৰে। তাৰোপৰি প্ৰত্যেক বছৰে "দবুৰ" বুলি পৃথিৱীত শস্য হ'বৰ বাবে এটা পূজা পাতে। দবুৰ পূজা নাপাতিলে মানুহ আৰু গৰু-ছাগলী আদিৰ অপায় অমঙ্গল হয় বুলি তেওঁলোকৰ বিশ্বাস। অৱশ্যে বৰ্ত্তমান মিছিং সকলেও বিভিন্ন ধৰ্মত শৰণ লৈছে। তথাপি পুৰণি ৰীতি-নীতি এৰাই চলাটো তেওঁলোকৰ বাবে বৰ কঠিন।

মিছিং সকলৰ খেতিয়েই প্ৰধান জীৱিকা আৰু সেইবাবে দুটা প্ৰধান উৎসৱ "আলিয়াই লিগাং" আৰু 'পৰাগ' পালন কৰা হয়। ফাগুন, চ'ত মাহত আহুধান সিচিবলৈ লোৱাৰ আগতে পৃথিৱীক শস্যৰে নদন বদন কৰিবলৈ বসুমতী আইক আপং, মাছ দি পূজা কৰে। আলিয়াই লিগাঙৰ অৰ্থ হৈছে— আলি মানে শস্য বা কঠিয়া আৰু আয়ে মানে গছৰ গুটি আৰু লিগাং মানে শস্য সিঁচাৰ প্ৰথম দিন। আলিয়াই লিগাং উৎসৱত তেওঁলোকে নিজৰ জাতীয় সাজ পোছাক পিন্ধে। "ৰিবি গাচেং" "গাপা পোৰ" আদিয়েই তেওঁলোকৰ সাজ পোছাক। সেইদিনা নিমা ডেকা-গাভৰুৱে মিলি আলিয়াই লিগাঙৰ বিহু পাতে। আলিয়াই লিগাঙৰ নৃত্যত ডেকা-গাভৰু আটায়ে শাৰী শাৰীকৈ বৃত্তাকাৰে নাচে। বিহু শেষ হোৱাৰ লগে লগে আটায়ে মিলি ভোজ ভাত খায়।

পৰাগ খেতি চপোৱাৰ পাছত হোৱা অন্যতম উৎসৱ। আহুধানৰ নৰা চিগি শেষ হোৱাৰ পাছত, বাম খেতি আৰম্ভ হোৱাৰ আগে আগে আজৰি সময়ত মিছিং সকলৰ পৰাগ উৎসৱ আৰম্ভ হয়— সেয়েহে এই উৎসৱক নৰাচিগা বিহু বুলি কোৱা হয়। সেই উৎসৱ পালন কৰিবলৈ বাঁহ বেতেৰে সজা চাংঘৰ অৰ্থাৎ মুৰঘৰ (ৰাজহুৱা ঘৰ) সজা হয়। এই উৎসৱ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ ডেকা-গাভৰুৰ এটি কমিটী গঠন কৰা হয়। ইয়াৰ সামূহিক ব্যৱস্থা সম্পূৰ্ণ গণতান্ত্ৰিক ভিত্তিত কৰা হয়। ডেকাসকলৰ পৰিচালনাৰ ভাৰ "ডেকা বৰা" আৰু গাভৰু সকলৰ পৰিচালনাৰ ভাৰ 'ডিৰী বৰা'ৰ ওপৰত। ডেকা বৰাক সকলো প্ৰকাৰৰ সহায় কৰিবলৈ 'চুট বৰা' আৰু ডিৰী বৰাক সহায় কৰিবলৈ এগৰাকী গাভৰু বৰাণী থাকে। উৎসৱৰ অতিথিক অভ্যৰ্থনা জনাবলৈ "সিমন বৰা" (অতিথি

ৰৰা ) থাকে। আহোম শাসন ব্যৱস্থাৰ বিভিন্ন আৰ্হিত এনে কাৰ্য্যপালিকা গঠন কৰা হৈছে বুলি অনুমান কৰিব পাৰি। পৰাগ উৎসৱৰ মুখ্য গুৰু হিচাপে পুৰোহিতে ( মিবু ) সকলো অপায় অমঙ্গলৰ বাতৰি দিয়েগৈ। পৰাগত ডেকা-গাভৰুৱে সমানে নাচ-গান কৰে। কিন্তু এই উৎসৱ পাতিবলৈ মুৰং ঘৰ অত্যাৱশ্যকীয়। মুৰংঘৰ মিৰিসমাজৰ কৃষ্টি কেন্দ্ৰ, সংস্কৃতিৰ ঘাই কঠিয়াতলি।

**সমাজত নাৰীৰ স্থান ঃ—** সকলো জনজাতীয় সমাজৰ দৰে মিছিং সমাজতো খেতিবাতিকে আদি কৰি জীৱন নিৰ্বাহৰ বাবে কৰিবলগীয়া যাৱতীয় কাম তিৰোতাই পুৰুষতকৈও বেছি কৰে। হাবি ভাঙি খেতি কৰা, পথাৰত কোৰ মৰা, ধান মৰা, মৰণা মৰা আদি খেতিৰ বেছিভাগ কাম তিৰোতাই কৰে। তাৰোপৰি খৰিৰ যোগাৰ, পানী অনা, হাঁহ, কুকুৰা, গৰু-ছাগলী গাহৰি আদি ঘৰচীয়া পশু পক্ষীৰ তদাৰক কৰা, আপং তৈয়াৰ কৰা ইত্যাদি বিভিন্ন কাম তিৰোতা সকলে কৰিবলগীয়া হয়। সমাজ ব্যৱস্থাত নাৰীৰ স্থান উচ্চ হ'লেও নাৰীয়ে পুৰুষৰ সমানে খোজত-খোজ মিলাব পৰা নাই। অসমীয়াত এষাৰ কথা আছে—

"লাও যিমানে ডাঙৰ নহওক লাগে সি সদায় পাতৰ তল।" বহুতো মিছিং মানুহৰ মুখতো একে কথাই শুনা যায়।

**বয়ন শিল্প :—** মিছিং তিৰোতাই নিজে বোৱা ৰঙীন চাদৰ-মেখেলা পিন্ধে। প্ৰতিগৰাকী তিৰোতাই বোৱা-কটা শিল্পত পাকৈত। মিছিং শিপিনীয়ে ভালপোৱা ৰংবোৰ হ'ল ৰঙা, ক'লা, সেউজীয়া, হালধীয়া আৰু বেঙুনীয়া। ক'লা ৰঙৰ কাপোৰৰ ওপৰত বগা বা হালধীয়া ফুল বাচি কাপোৰখন অধিক ৰংচঙীয়া কৰি তোলে। মিছিং তিৰোতাই বোৱা 'মিৰিজিম' বিশ্বৰ সকলো ঠাইৰ লগতে ফেৰ মাৰিব পৰা বয়ন শিল্পৰ নমুনা। ক্ষুদ্ৰ শিল্প গঠন কৰাত বয়ন শিল্পৰ অৰিহনা অধিক।

গতিকে দেখা গ'ল যে বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিছিংসকলৰ অৱদান কোনো পধ্যেই উলাই কৰিব পৰা নাযায়। ব্ৰহ্মপুত্ৰ নৈ-খনৰ প্ৰতিটোপাল পানী যিদৰে নিৰৱচ্ছিন্ন ভাৱে একেৰাহে বৈ আছে মিছিং জনগোষ্ঠীয়েও ইয়াৰ নিজৰ ঐতিহাসিক বৈশিষ্ট অটুট ৰাখি বৃহত্তৰ অসমীয়া জাতি গঠনত এক অমূল্য অংশীদাৰ হৈ আহিছে আৰু হৈ থাকিব।

গ্ৰন্থপঞ্জী :

১) মিছিং সংস্কৃতিৰ আলেখ্য : ভৃগুমুনি কাগয়ুং

২) The Mising or Miris of Brahmaputra Valley by Dr. Numal Chandra Pegu.

# ৰামায়ণত বিভীষণৰ চৰিত্ৰ

ড০ মহেশ্বৰ হাজৰিকা

মহাকবি বাল্মীকি বিৰচিত ৰামায়ণত সন্নিবিষ্ট হোৱা চৰিত্ৰ সমূহৰ প্ৰায় সকলো বিলাকেই আদৰ্শ চৰিত্ৰ বুলি ভাৰতীয় সমাজত অদ্যপৰিমিত পৰিগণিত হৈ আছে। তাৰে ভিতৰত ৰাৱণানুজ বিভীষণ অন্যতম। শ্ৰীৰাম চন্দ্ৰৰ অপকাৰ কৰাবাবে ভৰতে নিজ মাতৃ কৈকেয়ীক যি কৰ্কথনা কৰিছিল তাক দেখিলে ভৰতৰ প্ৰতি শ্ৰদ্ধাত মূৰ দোঁ নাখাই নাথাকে। — (অযোধ্যাকাণ্ড ৭২, ৭৩, ৭৪ সৰ্গ)। লক্ষণে পিতৃ দশৰথকো উপেক্ষা কৰি ৰাম চন্দ্ৰৰ লগতে বনবাসৰ অশেষ দুখ কষ্ট বৰণ কৰি লৈ এক অভুতপূৰ্ব আদৰ্শ স্থাপন কৰি গৈছে। — কিন্তু জ্যেষ্ঠ ভাতৃ ৰাৱণক আপদ কালত ত্যাগ কৰি শত্ৰুপক্ষত যোগ দি ভ্ৰাতৃপ্ৰেমৰ ক্ষেত্ৰত বিভীষণে অতিশয় গৰ্হিত কাম কৰিছিল বুলিয়েই কব পাৰি। কেৱল সেয়ে নহয়, তেওঁ ৰামচন্দ্ৰক ৰাৱণ বধৰ উপায় পৰ্য্যন্ত নিৰ্দ্দেশ দি ৰাৱণৰ মৃত্যুক ইচ্ছাকৃত ভাৱে নহলেও ৰাজসিংহাসনত আৰোহন কৰি তাতকৈ নিন্দনীয় কৰ্ম্ম কৰিছিল— এনে কৰোঁতে তেওঁৰ চৰিত্ৰ জ্ঞাতি দ্ৰোহিতা, দেশ দ্ৰোহিতা, ৰাজ্য লোলুপতা ইত্যাদি দোষ সমূহেৰে পুষ্ট হৈ পৰিল। তাৰে ফলশ্ৰুতি স্বৰূপ ভাৰতীয় জনগণৰ মানসপটত তেওঁ আজিও হেয় প্ৰতিপন্ন হৈয়ে থাকিল। বাল্মীকিয়ে কিন্তু ধৰ্ম্মাত্মা, ন্যায়বাদী ইত্যাদি বিভিন্ন সুন্দৰ সুন্দৰ বিশেষণেৰে তেওঁৰ চৰিত্ৰৰ মহত্বৰ প্ৰশংসাহে কৰিছে। ৰামৰ সপক্ষে যুক্তি তৰ্কত অৱতীৰ্ণ হোৱা বাবে যুদ্ধ কাণ্ডৰ ষোড়শ সৰ্গত ৰাৱণে বিভীষণক যি জ্ঞাতি দ্ৰোহী আখ্যা দিলে সিয়ে আজিও বস্তুবাদী জনগণৰ মানসত ৰেখাপাত কৰি আছে। এইদৰে অৱহেলাৰ পাত্ৰ হলেও কিন্তু আধ্যাত্মিক ক্ষেত্ৰত বিভীষণৰ এক মহিমামণ্ডিত স্থান নোহোৱা নহয়, বৰং দেখাত অপেক্ষাকৃত ভাৱে উজ্জ্বল চৰিত্ৰ ভৰত আৰু লক্ষ্মণৰ তুলনাত বিভীষণক উচ্চ স্থান দিয়া হৈছে। সাম্প্ৰতিক ভাৰতত প্ৰাধান্য লাভ কৰি থকা ভক্তিমাৰ্গত ছজনমাত্ৰ (উদ্ধৱ, মৈত্ৰয়, বিদুৰ, হনুমান, জাম্বৱন্ত আৰু বিভীষণ) ভক্তৰ ভিতৰত বিভীষণো অন্যতম। অৰ্থাৎ তেওঁ এজন শ্ৰেষ্ঠ ব্যক্তি।

মহাভাৰতৰ ভীষ্ম আৰু দ্ৰোণাচাৰ্য্যই অৰ্থ নৈতিক হলেও দুৰ্য্যোধনৰ পক্ষ কোনোমতে ত্যাগ নকৰি দুৰ্য্যোধনৰ কাৰ্য্য সাধনত যৎপৰোনাস্তি সহায় কৰাৰ দৰে বিভীষণে ৰাৱণক সহায় নকৰি, বিদুৰে দুৰ্য্যোধনৰ বিৰোধিতা কৰাৰ দৰে, তেওঁ ৰাৱণৰ বিৰোধিতা মাত্ৰ কৰিলে। হনুমন্তৰ নেজত অগ্নি সংযোগ কৰোৱা সময়ত, ৰামৰ বিৰুদ্ধে যুদ্ধ আয়োজনৰ সময়ত তেওঁৰ শত্ৰু ৰামচন্দ্ৰৰ পক্ষেহে যুক্তিৰ অৱতাৰণা কৰিলে। তাতোকৈ ডাঙৰ কথা এইটোহে যে হনুমন্তক ৰাৱণে অশোক বন ধ্বংস কৰাৰ দোষত বধ কৰিব খোজোঁতে যি বিভীষণে ৰামৰ অদণ্ড্যত্ব প্ৰমাণ কৰি ৰাৱণৰ বিৰোধিতা কৰিছিল, আৰু যুদ্ধত লংকা তথা ৰাক্ষসকুল ধ্বংসযজ্ঞত তেওঁ ঘৃতাহুতি প্ৰদান কৰি ৰামচন্দ্ৰকহে সহায় কৰিছিল। বিভীষণ অবিহনে হয়তো ৰামচন্দ্ৰই স্বৰ্ণ লংকা চাৰখাৰ কৰিব নোৱাৰিলেহেঁতেন। লৌকিক দৃষ্টিত এইবিলাক তেওঁৰ

মহা অপৰাধ। কিন্তু আধ্যাত্মিক দৃষ্টিত তেওঁ সম্পুৰ্ণ নিৰ্দোষ। উত্তম ভক্তৰূপে তেওঁ পোৱা স্থানেই তাৰ জলন্ত প্ৰমাণ।

শাস্ত্ৰত কৈছে—"আপদ্যুন্মাৰ্গগমনে কাৰ্য কালাত্যয়েযুচ।
অপৃষ্টোৎপি হিতান্বেষী ক্ৰুয়াৎ কল্যাণভাষিতম।"

অৰ্থাৎ আপদকালত, বিপথে পৰিচালিত হোৱাৰ সময়ত আৰু কাৰ্যকাল অতিক্ৰম হোৱাৰ সময়ত হিতান্বেষী-জনে অযাচিতে কল্যাণজনক কথা কোৱা উচিত। সি লাগিলে মনোহাৰী হওকেই বা নহওকেই, কাৰণ "হিতং মনোহাৰি চ দুৰ্লভৱচঃ"। উক্ত শাস্ত্ৰোক্তি মনত ৰাখি আগ বাঢ়িলে আমি বিভীষণৰ মাহাত্ম্য অনুধাৱন কৰাত কৃতকাৰ্য হ'ব পাৰিম।

অশোক বন ধ্বংস কৰাৰ পিছত হনুমন্তক বধ কৰিব খোজোঁতে বিভীষণে "দূত্তা ন বধ্যাঃ সময়েষু ৰাজন্, সৰ্বেষু সৰ্বত্ৰ ৱদন্তি সন্তঃ" বুলি দূতৰ অবধ্যত্ব প্ৰমাণ-পূৰ্বক এনে দুষ্কৰ্মৰ পৰা ৰাৱণক বিৰত কৰি ৰাখিলে। অৱশ্যে প্ৰথমে ৰামৰ দন্ত্যত্ব প্ৰকাশ কৰি পিছত তাৰ বিৰোধিতা কৰাটো যুক্তিসংগত নহয় যেন লাগে। কিন্তু প্ৰথম অৱস্থাত ৰামৰ বিক্ৰম তথা, ঈশ্বৰত্ব সম্পৰ্কে অজ্ঞ বিভীষণে অগ্নিসংযোগতো নিৰ্বিঘ্নে হনুমন্তক উলটি যোৱা দেখি বুজিছিল যে ৰামৰ সমুখত ৰাৱণৰ সৈন্যদল, শক্তিবল ঈশ্বৰত্ব অতি নগণ্য। মনু সংহিতাত কোৱা হৈছে—

যদা তু স্যাৎ পৰিক্ষীণো ৱাহনেন বলেন চ।
তদাসীত প্ৰযত্নেন সনকৈঃ সান্ত্বয়ন্নৰীন্॥ (মনু ৭/১৭২)

সেয়েহে বিভীষণে যেতিয়া দেখিলে যে হনুমন্তক নগৰ নাগুতি কৰি পঠোৱাৰ পাছত ৰামৰ পৰা হ'ব পৰা সম্ভাব্য আক্ৰমণ প্ৰতিৰোধ কৰা সম্পৰ্কে যেতিয়া ৰাৱণে অমাত্যবৰ্গৰ সৈতে আলোচনাত প্ৰবৃত্ত হয় তেতিয়া প্ৰহস্তকে আদি কৰি অমাত্য-সকল নিজৰ নিজৰ তথা ৰাৱণৰ বলবীৰ্য্য পৰাক্ৰম বৰ্ণনা কৰি যুদ্ধৰ সপক্ষে মাত্ৰ মত পোষণ কৰিলে, তেওঁলোকৰ কোনেও শত্ৰুপক্ষৰ বলাবল সম্পৰ্কে আলোচনা নকৰি সাম-দান-ভেদ-দণ্ডৰ কেৱল দণ্ডকেহে গ্ৰহণ কৰাৰ পক্ষপাতী হ'ল; তেতিয়া বিভীষণে ৰাৱণক বুজোৱাৰ চেষ্টা কৰিছিল যে যদিও তেওঁৰ ভয়ত দেৱাসুৰ ত্ৰস্তমান, ৰাম কিন্তু তেওঁৰ বাবে কালাগ্নি সদৃশ। তদুপৰি সাম দান আৰু ভেদৰ জৰিয়তে যদি ৰামক জয় কৰিব পৰা নাযায় তেতিয়াহে দণ্ড প্ৰয়োগ কৰা উচিত। অৱশ্যে ৰামৰ দণ্ডাত্ব পৰ্যন্তও নাই, কিয়নো তেওঁ প্ৰমত্তও নহয়। সামন্তাভিযুক্তও নহয়, দৈৱপ্ৰহৃতো নহয়। গতিকে তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰা অনুচিত। সীতাহৰণ কৰি তেওঁ যি দুষ্কাৰ্য কৰিলে সেই পাপৰ প্ৰায়শ্চিত কেৱল ৰামৰ ওচৰত সীতাক সমৰ্পণ কৰিলহে হ'ব পাৰে। এই-দৰে সামবৰ্গ অনুসৰণ কৰিলে লংকা তথা ৰাক্ষসকুল ৰক্ষা পৰিব। সেই বাবে বিভীষণে "দীয়তামস্য মৈথিলী" "দীয়তামস্য মৈথেলী" বুলি বাৰে বাৰে ককায়েকক অনুৰোধ কৰিছিল। ৰাৱণে কিন্তু তেওঁৰ কথাত গুৰুত্ব নিদি ইন্দ্ৰজিতৰ দৰে ল'ৰামতীয়া লোকসকলৰ উপদেশকে সাৰ বুলি লৈ "হিতং মহাৰ্থং মৃদু হেতুসংহিতং ব্যতীতকালায়তি সম্প্ৰতিক্ষমম্" বাক্য কওঁতা পৰম হিতাকাংক্ষী ভাতৃ বিভীষণক নানা কটুক্তি কৰি অপদস্ত মাত্ৰ কৰিলে। ৰাৱণৰ দ্বাৰা এইদৰে তিৰস্কৃত হৈ বিভীষণে বিদুৰৰ দৰে ৰাৱণৰক পৰিত্যাগ কৰি গুচি যাওঁতে অন্তৰিক্ষত আৰোহণ কৰিও ৰাৱণৰ বিশুদ্ধিৰ আশাত বহু উপদেশ দি গৈছিল, কিন্তু একো কাম নহ'ল। ৰাৱণক পৰিত্যাগ কৰাত বিভীষণৰ এনে দোষ হোৱা নাই, কাৰণ শাস্ত্ৰত কৈছে—

"গুৰোৰপ্যৱলিপ্তস্য কাৰ্যাকাৰ্যমজানতঃ।
উৎপথং প্ৰতিপন্নস্য পৰিত্যাগো বিধীয়তে॥"

অৰ্থাৎ কাৰ্যাকাৰ্য জ্ঞান নোহোৱা গুৰুজনেও যদি দুষ্কৰ্মত প্ৰবৃত্ত হৈ বিপথে গমন কৰে তেন্তে তেওঁক পৰিত্যাগ কৰিব লাগে।

সামান্য ধৰ্ম আৰু বিশেষ ধৰ্মৰ দিশৰ পৰা দেখা যায় যে পৰম জ্ঞানী বিভীষণে এই দুই ধৰ্মৰ প্ৰাবল্য আৰু দৌৰ্বল্য সম্পৰ্কে ভালদৰে জানিছিল। ৰামায়ণত কৈছে "জ্যেষ্ঠো মান্যঃ পিতৃসমঃ।" এনে ভাতৃৰ অনুৱৰ্তী হোৱাটো ধৰ্ম, অৰ্থ, আৰু কাম— এই ত্ৰি বৰ্গৰ সাধন। ই পৰোক্ষ ভাৱে পৰমাত্মাৰ আৰাধনা হোৱা হেতুকে সামান্য ধৰ্ম। অন্যহাতে পৰমব্ৰহ্ম ৰামৰ অনুৱৰ্ত্তী হোৱাটো যজ্ঞাদি ধৰ্মৰ সাধ্য হোৱা হেতুকে বিশেষধৰ্মী। সামান্য ধৰ্ম আৰু বিশেষ ধৰ্মৰ মাজত যেতিয়া বিৰোধ নাথাকে তেতিয়াই দুয়োটাই গ্ৰহণীয়। কিন্তু যেতিয়া এই দুই ধৰ্মৰ মাজত বিৰোধ দেখা দিয়ে তেতিয়া সামান্য ধৰ্ম পৰিত্যাগ কৰি বিশেষ ধৰ্ম গ্ৰহণ কৰিব লাগে। সেয়েহে ইমান দিনে বিভীষণে ৰাৱণানুবৰ্তন

পৰিত্যাগ নকৰাকৈয়ে ৰামানুবৰ্তনৰূপে বিশেষ ধৰ্মও সিদ্ধ হওক বুলি বাৰে বাৰে ৰাৱণক অনুৰোধ কৰিছিল যুদ্ধৰ পৰা বিৰত থাকিবলৈ ; কিন্তু যেতিয়া দেখিলে যে আসুৰিক প্ৰকৃতি-সম্পন্ন ৰাৱণৰ মনৰ পৰা ৰামৰ প্ৰতি থকা শত্ৰুতা দূৰ কৰিব নোৱাৰি, আৰু ৰাৱণৰ অনুবৰ্তী হৈ থাকিলে তেৱেঁা ৰামৰ শত্ৰুত পৰিণত হ'ব আৰু তেওঁৰ বিশেষ ধৰ্ম ভ্ৰষ্ট হ'ব, তেওঁ সামান্য ধৰ্ম ত্যাগ কৰিলে অৰ্থাৎ ৰাৱণক ত্যাগ কৰিলে আৰু ৰামানুৱৰ্তনৰূপ বিশেষ ধৰ্ম গ্ৰহণ কৰিলে। গতিকে তেওঁৰ কৃতঘ্নতা দোষ হোৱা নাই, কিয়নো "আত্মানং সততং ৰক্ষ্যে দাৰৈৰপি ধনৈৰপি" ॥

হনুমানে অৰশ্যে বিভীষণ ৰাজ্যৰ লোভতহে ৰামৰ ওচৰলৈ অহা বুলি কৈছিল। আনকি ৰামচন্দ্ৰয়ো ৰাজ্যাকাঙ্খী বিভীষণঃ বুলি স্থানান্তৰত কৈছে। এই কথা অৱশ্যে পৰমাৰ্থতঃ সত্য নহয়। ৰামৰ ওচৰত আশ্ৰয় লোৱাৰ সময়ত তেওঁ "ত্যক্তা পুত্ৰাংশ্চ দাৰাংশ্চ ৰাঘৱং শৰণং গতঃ" বুলি কোৱাৰ পৰা বুজা যায় যে অন্য বিষয় বাসনাৰ প্ৰতি তেওঁৰ বিৰাগ জন্মিছিল। তেওঁ জানিছিল যে ৰামচন্দ্ৰই সকলো পুৰুষাৰ্থৰ মূল, তেওঁক পালে আৰু একোৱেই পাবলৈ বাকী নাথাকে। তেওঁ সেয়েহে কৈছিল—

"পৰিত্যক্তা ময়া লংকা মিত্ৰানি চ ধনানি চ।

ভৱদ্‌গতং মে ৰাজ্যং চ জীৱিতং চ সুখানি চ ॥" এয়া ভক্তি মাৰ্গৰ একশৰণতত্ত্ব মাত্ৰ।

ৰামচন্দ্ৰই "ৰাজানং ত্বাং কৰিষ্যামি" বুলি বিভীষণক ৰাজ্যদানৰ প্ৰতিজ্ঞা কৰিছিল যদিও সি ভক্তিৰ আনুসঙ্গিক ভোগ প্ৰদান মাত্ৰ। শ্ৰীহৰিয়ে ভক্ত জনক অযাচিতে আয়ু, আৰোগ্য, অৰ্থ ভোগ আদি দান কৰে। বিভীষণে তেওঁৰ ৰাজ্যাদিৰ প্ৰতি কোনো আকাংখা নাই বুলি কৈছে, তেওঁৰ কথা মিছা হোৱা হলে ৰামে ৰাজ্যদানৰ প্ৰতিজ্ঞা কৰোঁতে তেওঁ ইতিবাচক প্ৰত্যুত্তৰ দিলেহেঁতেন; কিন্তু তেওঁ তাকে নকৰি লংকা বিজয়ত ৰামচন্দ্ৰক সহায় কৰিম বুলি মাত্ৰ কৈছিল। তেওঁ অৱশ্যে নেতিবাচক উত্তৰো দিয়া নাছিল ; তাৰ কাৰণ হ'ল যে ইষ্টদেৱতাৰ প্ৰসাদ ভক্তজনে কেতিয়াও উপেক্ষা নকৰে। ৰাৱণবধৰ পিছতো যেতিয়া ৰামচন্দ্ৰই লংকা শাসনৰ ভাৰ বিভীষণৰ ওপৰত ন্যস্ত কৰে তেতিয়া বিভীষণে কোনো আপত্তি কৰিব নোৱাৰিছিল, কাৰণ প্ৰজাঃ সংৰক্ষ ধৰ্মেন নোত্তৰং বক্তুমৰ্হসি বুলি ৰামচন্দ্ৰই তেওঁৰ মাত মতাৰ অধিকাৰ পৰ্য্যন্ত খৰ্ব কৰি দিছিল। দাস্য ভক্তিৰ প্ৰতি পাৰাকাষ্ঠা থকা বিভীষণেও ৰামৰ নিয়োগ বশতঃ কৈংকৰ্য কোটিত অন্তৰ্ভুক্ত ৰাজ্যশাসনৰ ভাৰ বিনা বাক্যব্যয়ে গ্ৰহণ কৰিছিল। লক্ষ্মণ আৰু ভৰতৰ লগত বিভীষণৰ দেখাত পাৰ্থক্য থাকিলেও আধ্যাত্মিক দৃষ্টিত একো পাৰ্থক্য নাই। তেওঁৰ পিতৃত্যাগ ৰূপ দেখি অন্তৰ্হিত হ'ল' বিভীষণে সোপাধিক ভাতৃক পৰিত্যাগ কৰি ৰামৰ ভাতৃত্ব আৰোপ কৰাৰ কাৰণো সেয়ে। বৰং লক্ষ্মণে যি ক্ষেত্ৰত ভাতৃত্যাগ তথা শত্ৰুপক্ষত যোগদান নকৰাকৈ ভক্তি কৰিবৰ সুবিধা পাইছিল বিভীষণে সেই সুবিধা পোৱা নাছিল। তথাপিও তেওঁ নিজ ভাতৃকো ত্যাগ কৰি পৰম ব্ৰহ্ম শ্ৰীৰামচন্দ্ৰক ভক্তি কৰিছিল। লক্ষ্মণক ভক্তৰ তালিকাত নুসুমুৱাই বিভীষণক সুমুৱাৰ তাৎপৰ্য্য বোধহয় এইখিনিতে নিহিত হৈ আছে। সেয়ে নোহোৱা হলে ঋষি বাল্মীকিয়ে ৰাৱণক পৰিত্যাগ কৰা সময়ত বিভীষণক 'শ্ৰীমান' বুলি প্ৰশংসা নকৰিলেহেঁতেন।

প্ৰশ্ন হব পাৰে যে যদি সেয়ে হয় তেন্তে ইন্দ্ৰজিতৰ নাগপাশত ৰাম লক্ষ্মণ আৱদ্ধ হৈ থকাৰ সময়ত বিভীষণে "যযোৰ্বীযমুপাশ্ৰিত্য প্ৰতিষ্ঠাকাংক্ষিতা ময়া। তাবুভৌ মম নাশায় প্ৰসুপ্তৌ পুৰুষৰ্ষভৌ ॥" বুলি ক্ৰন্দন কৰিছিল কিয় ? তেওঁৰ এই ক্ৰন্দনৰ পৰা এইটো বুজা নাযায়নে যে তেওঁ ৰাম লক্ষ্মণৰ সহায়েৰে ৰাজ্যত প্ৰতিষ্ঠা বিচাৰিছিল ? আৰু ৰাম লক্ষ্মণ অবিহনে তেওঁৰ এই প্ৰতিষ্ঠাৰ আশা অপূৰ্ণ হৈ ৰোৱাৰ আশংকাতে তেওঁ ক্ৰন্দন কৰিছিল ? উক্ত শ্লোকৰ তাৎপৰ্য্য যদি এয়ে হয় তেন্তে 'পৰিত্যক্তা ময়া লংকা' ইত্যাদি প্ৰাগুক্ত বাক্যৰ লগত ইয়াৰ বিৰোধ ঘটিব, সেয়েহে ইয়াত প্ৰতিষ্ঠা শব্দৰ দ্বাৰা ৰামকিংকৰত্বৰূপ প্ৰতিষ্ঠাকহে বুজোৱা হৈছে। ইয়াৰ পিছত শ্লোকত থকা ৰাজ্য শব্দই ৰামকিংকৰত্বকে বুজায় অৰ্থাৎ ৰাম লক্ষ্মণ অবিহনে তেওঁ আকাংক্ষা কৰি থকা দাসত্বৰ পৰা বঞ্চিত হব লগা হোৱা বাবেহে তেওঁ এইদৰে ক্ৰন্দন কৰিছিল।

দেখা গ'ল যে কৃতঘ্নতা আৰু ৰাজ্য লোলুপতা নামক দোষ দুটাৰ পৰা বিভীষণ মুক্ত অৰ্থাৎ ৰাৱণক ত্যাগ কৰি ৰামত শৰণ লোৱাত আৰু ৰামৰ নিয়োগ অনুসৰি ৰাজ্যভাৰ গ্ৰহণ কৰাত তেওঁৰ দোষ নাই। তেওঁ ৰামত

# গল্প



## পৰাজয়

শ্ৰীশঙ্কৰ সোনোৱাল
স্নাতক ১ম বাৰ্ষিক ( কলা )

প্ৰণৱ বৰুৱাৰ ব্যক্তিত্বসম্পান্ন চেহেৰাটোৰ বাবেই প্ৰথমবাৰ লগ পায়েই মোৰ বৰ ভাল লাগি গ'ল। কবি যেন লগা চেহেৰাৰ মানুহজনে যেন এতিয়াই কিছুমান কবিতা গাই শুনাব। নাজানো কিয় তেখেতে ইমান নিৰ্জনতা ভাল পায়। প্ৰণৱদাৰ এটা কথা লক্ষ্য কৰো— তেখেতৰ যেন সৌন্দৰ্য্য জ্ঞান কণমানো নাই। ইতিমধ্যে তেখেতৰ লগত মোৰ বেছ অন্তৰংগতা গঢ়ি উঠিছে। এদিন মই তেখেতৰ ওচৰলৈ গৈ বহু সময় কথা পাতিলো। প্ৰণৱদাই মোক হোষ্টেলৰ বিভিন্ন সমস্যাৰ বাবে সজাগ কৰি দিলে। মোক সেই বিলাকৰ বাবে আগতেই সাজু হৈ থাকিবলৈ কলে। প্ৰণৱদাক মাজতে এবাৰ সুধিলো,

"আপুনি কবিতা-চবিতা লিখেনেকি ? নিৰলে থাকি ভাল পায় যে ?" প্ৰশ্ন শুনি প্ৰণৱদাই বেছ কিছু সময় নিজে নিজেই হাঁহি ললে, "তুমি মোক কবি বুলি ভাবা নেকি ? কবিতা কি মই ভালদৰে বুজি নাপাওঁ, কিন্তু কবিসকলক মই সমীহ কৰোঁ।"

"তেন্তে আপুনি ইমান নিৰলে অকলে অকলে বহি কি ভাবি থাকে ? কি চিন্তাইনো আপোনাক ইমান ব্যথিত কৰিছে ?"

এইবাৰ প্ৰণৱদাই খুব উচ্চস্বৰে হাঁহি হাঁহি কবলৈ ধৰিলে, "তুমি হয়তো অন্য দহজনৰ দৰেই ভাবিছা মই কোনোবা ছোৱালীৰ প্ৰেমত পৰিছো। প্ৰেমত পৰাটো সঁচা, পাছে, কোনো বিশেষ ছোৱালীৰ নহয়— মানুহৰ প্ৰেমতহে।"

মোৰ ভাবি আচৰিত লাগি গ'ল, অকলে নিৰলে বহি চিগাৰেট হুপি কি মানৱ প্ৰেম কৰে ! মই আকৌ প্ৰণৱদাৰ ওচৰলৈ এদিন গ'লো। দৰজাত নক্ কৰি সোমালো। তেখেতে আজি ৰুমত বহি সমাজবাদ সম্পৰ্কে লিখা কিতাপ এখন পঢ়ি আছিল। মোক দেখি প্ৰণৱদাই কলে, "অ, আহাঁ আহাঁ। আজি তোমাৰ কথাকে ভাবি আছিলো। বলা আজি ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা ফুৰি আহোঁগৈ।"

---

ৰামায়ণত বিভীষণৰ চৰিত্ৰ ( ৩২ পৃষ্ঠাৰ পৰা )

সৰণ লোৱাৰ মূল কাৰণ আৰু তাৰ যুক্তি-যুক্ততা প্ৰমাণিত হোৱাৰ পিছত তৎপৰৱৰ্তী কাৰ্য্যকলাপৰো যুক্তি-যুক্ততা স্বাভাৱিক ভাৱেই প্ৰমাণিত হ'ল। কিয়নো, জগতৰ কাৰ্য আৰু কাৰণ কেৱল ৰামচন্দ্ৰৰূপ পৰম ব্ৰহ্ম বুলি যেতিয়া তেওঁৰ উপলব্ধি হ'ল তেতিয়া ঈশ্বৰগত পৰা ভক্তি-সিদ্ধ হোৱাৰ লগে লগে তেওঁৰ দেশ প্ৰেম বা ভাতৃ প্ৰেমো স্বাভাৱিকতে সিদ্ধ হল। যদিও ৰামৰ হাতত লংকা ধ্বংস প্ৰাপ্ত হ'ল তথাপি সকলোৰে পৰম মুক্তি লাভ কৰিলে। ইয়াতকৈ ডাঙৰ উপকাৰ আৰু একো হব নোৱাৰে— বিভীষণৰ ভক্তিয়ে এই উপকাৰ লাভত যথেষ্ট সহায় কৰিলে। ●

মই না নকৰিলো। এনেয়েও ব্ৰহ্মপুত্ৰৰ পাৰত বৈ বেলি মাৰ যোৱা দৃশ্য চাবলৈ মোৰ খুব ভাল লাগে।

প্ৰণৱদাৰ লগত গৈ ব্ৰহ্মপুত্ৰৰ পাৰত ৰ'লোগৈ। প্ৰণৱদাই নিৰ্বিকাৰ ভাৱে চিগাৰেট হুপি হুপি বহি আছে আৰু মাজে মাজে পানীৰ মাজলৈ দলি চপৰা মাৰি পানীৰ ঢৌ বিলাক উপভোগ কৰি আছে। মই এবাৰ প্ৰণৱদাৰ মুখলৈ আৰু এবাৰ ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিলৈ চাই আছো। প্ৰণৱদাই মোৰ মুখলৈ চালে, "তুমি হয়তো আচৰিত হৈছা, মই এই নিৰৱে বহি বহি কি মানৱ সেৱা কৰোঁ। মোৰো কেতিয়াবা হাঁহি উঠে। তুমি হয়তো নাজানা মই কি যন্ত্ৰণাত এই হোষ্টেলত দিন কটাইছো।" লাহে লাহে প্ৰণৱদাই কৈ যাবলৈ ধৰিলে—

মোৰ দেউতা এখন চাহ বাগানৰ দায়িত্বশীল এজন উচ্চ শ্ৰেণীৰ বিষয়া। উচ্চ শ্ৰেণীৰ বিষয়া হ'লেও বাগান বিলাক সদায় পৰিচালকৰ অধীনত চলে। মোৰ মন সদায় বাগিচাৰ শোষিত, নিপীড়িত শ্ৰমিকৰ প্ৰতি ব্যাকুল হৈ উঠে। স্কুলত পঢ়া দিনৰে পৰাই বনুৱা ল'ৰা ছোৱালীৰ লগত খেলা-ধূলা কৰিছিলোঁ। মই দশম শ্ৰেণীৰ পৰাই শ্ৰমিকৰ সাংগঠনিক কামতো লাগিলো। ৰতন, বুধোৱা, মাংৰা এইবোৰ মোৰ লগৰ ফুটবল খেলা ল'ৰাক বুজাই মেলি আমি এটা সৰু সংঘ খোলো। প্ৰথম অৱস্থাত খেলা-ধূলা, গান-বাজনাৰ চৰ্চা হৈছিল যদিও পাছলৈ শ্ৰমিক সকলৰ তেওঁলোকৰ ন্যায্য প্ৰাপ্তিৰ বিষয়ে বুজাওঁ। শ্ৰমিক সকলে হয়তো কিছু বুজে, কিছু নুবুজে। তেওঁলোকে মোক বৰ পঢ়াশুনা কৰা, বহুত জনা মানুহ বুলি ভাবে। অৱশ্যে মোৰ সকলো কামকাজ মা-দেউতাৰ অজ্ঞাতেই কৰিছিলোঁ। সেই বাবে মোৰ পঢ়া শুনাখিনি সদায়েই ঠিক ৰাখিছিলো।

শ্ৰমিকৰ লগত মোৰ এনে হলি-গলি বাগিচাৰ অন্য মানুহ বিলাকে পিছুলৈ সহজ ভাবে ল'ব পৰা নাছিল। তেওঁলোকে তেওঁলোকৰ অতিৰিক্ত প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ ভয়ত কিছু অসন্তুষ্ট হৈছিল। দেউতাই ঘৰলৈ আহি মোক বহুত তিৰস্কাৰ কৰিলে। সেই অশিক্ষিত লেতেৰা শ্ৰমিক সকলৰ হৈ কাম কৰাত, ঘৰত থকা সৰু ভনীয়েও মোক ভেঙুচালি কৰি জোকাবলৈ আৰম্ভ কৰি দিলে। এদিন প্ৰায় নিশা ন মান বজাত আমাৰ "দিবাকৰ সংঘৰ" পৰা ঘৰলৈ আহি ঘৰৰ বাৰান্দাত এন্ধাৰে মুন্ধাৰে কোনোবা বহি থকা দেখি মোৰ বুকু চিৰিং কৰি গ'ল। দেউতা যদি বহি আছে, তেন্তে মোৰ অৱস্থা বৰ ভাল নহ'ব। অৱশ্যে সেইয়া দেউতা নাছিল, মা-হে। মাই মনত কিছু দুখ কৰি কলে, "তুমি কেৱল এইবোৰ কামতে গোটেই দিন কটাই দিলে নহব নহয়। এই সময়খিনি তোমাৰ পঢ়াৰ সময়, পঢ়াতো মন দিবা।" মই মনে মনে ভৱিহাত, ধুৱলৈ গলো। মা ৰ কথাৰ কোনো উত্তৰ নিদিলো। ভাত খাবলৈ যেতিয়া বহো মাও ওচৰতে বহি কলে, "তুমি এইবোৰ কামত লাগিছা, মই নেলাগিবলৈ নকওঁ। কিন্তু তোমাৰ দেউতাৰাই তোমাৰ বাবেই গোটেই ষ্টাফৰ লোকৰ পৰা কটুকথা শুনিবলৈ পাইছে। গতিকে তুমি কথাবিলাক কিছু বিবেচনা কৰি চাবা।"

"কিন্তু মা, মই যি ক্ষেত্ৰত আগবাঢ়িছো তাত প্ৰত্যেকে কিছু ত্যাগ কৰা প্ৰয়োজন। যদিও মই এই কাৰ্য্যত সফলতা লাভ কৰিব নোৱাৰো তথাপি ৰতনহঁতক এই পথ দেখুৱাই দিব লাগিব। মোৰ দৃঢ় বিশ্বাস যে এই বৃহৎ শ্ৰমিকৰ স্বাৰ্থৰ কাৰণে কৰা প্ৰচেষ্টাত নিশ্চয় মই এদিন সফলতা লাভ কৰিম যাৰ ফলত ৰতন, বুধোৱাহঁতে নিজৰ প্ৰাপ্যখিনি উদ্ধাৰ কৰিবলৈ চেষ্টা চলাব পাৰিব। সকলোৰে লগত সমানে খোজ মিলাই যাবলৈ যি মানসিক প্ৰস্তুতিৰ প্ৰয়োজন তাৰ আৰম্ভণি যদি এইদৰে কৰোঁ কিবা ভুল কৰিছো নেকি মা?"

"জানো পায়, তুমি এই বিলাক কি কাম কৰিবলৈ লৈছা! কিন্তু চাবা যাতে তোমাৰ কোনো অনিষ্ট নহয়।" মাই এই বুলি কৈ উঠি গ'ল। মাৰ মনত দুখ দি মোৰ বৰ বেয়া লাগে। মায়ে সদায় মোক এটা কথা বুজাব খোজে যে— আমাৰ ল'ৰা ছোৱালী মাত্ৰ দুট', গতিকে মই সোনকালে উপাৰ্জনক্ষম হৈ ঘৰখন চাব লাগিব।

ইতিমধ্যে দুৰ্গাপূজাৰ দিন আহিছে। ৰতন, লচমী হঁত বাগিচাৰ নতুন কুহিপাতৰ আগছিঙাত ব্যস্ত। মোক লচমীয়ে "ছোট বাবু" বুলি কৌছল। তাইক এদিন ক'লা, "হেই বেঙী, তই মোক কিয় ছোট বাবু বুলি মাত? মই কি বাবু নেকি, মোক আজিৰ পৰা প্ৰণৱদা বুলি মাতিবি।" কথা কেইটা কৈ তাইৰ চকুলৈ চাওঁ।

সেই চকুহুটাত যে কি আকৰ্ষণ সোমাই আছিল। কবি হোৱাহলে হয়তো কবিতা লিখিবৰ বাবে প্ৰেৰণা পালোহেঁতেন। কিন্তু মইতো কবি নহয়, তথাপিও কিবা এটা নতুন অভিজ্ঞতা লাভ কৰা যেন লাগিছিল।

এদিন মই ৰতনৰ লগত কথাপাতি গৈ আছো। ৰতনে কলে যে— এইবাৰ পূজাৰ বনাচৰ টকাটো কমাই দিছে। কোম্পানীৰ হেনো কিছু লোকচান হৈছে। মোৰ ভাবি আচৰিত লাগি গ'ল, শ্ৰমিক সকল কণা বাবেই ইমান পতান ধান দিব লাগেনে? বাতৰি কাকতত এইবাৰ প্ৰকাশ হৈছে যে— এই বছৰৰ চাহৰ পৰা পোৱা আয় অন্য বছৰতকৈ চাৰিগুণ বেছি। তেনেক্ষেত্ৰত এই শ্ৰমিক সকলক কোৱা হৈছে এইবাৰ বাগিচাৰ লোকচান।

মই ৰতনক প্ৰকৃত কথাটো বুজাই কলো— সি যেতিয়া বুজি পালে খণ্ডত একেবাৰে অগ্নি শৰ্মা হৈ পৰিল। ৰতন আৰু লগৰ বিলাকে বস্তিয়ে বস্তিয়ে গৈ মানুহ বিলাকক বুজাব ধৰিলে। সিহঁতে একোটা নিৰ্দিষ্ট দিন ঠিক কৰি ললে যে সিহঁতে কাৰ্য্যালয়ৰ সন্মুখত শ্ৰমিকৰ প্ৰাপ্যৰ বিষয়ে ধৰ্না দিব। যদি তেওঁলোকৰ বনাচৰ পৰিমাণ নবঢ়ায় তেন্তে তেওঁলোকে পাতচিঙা কাম নকৰে। বাগিছাৰ মুৰব্বী সকলে অসম্ভৱ ভয় খালে, যদি ইমান নাম থকা বাগিছাৰ পৰা চাহৰ উৎপাদন হ্ৰাস পায়, তেন্তে তেওঁলোকৰ কোম্পানীৰ মালিক নিশ্চয় অনুসন্ধান কৰিবলৈ আহিব। যদি অনুসন্ধান কৰে তেন্তে প্ৰকৃত পক্ষে দোষী যে সিহঁতেই সেই কথা ওলাই পৰিব। বাগিচাৰ উচ্চ বিষয়া সকলে আলোচনা কৰি শ্ৰমিকৰ প্ৰাপ্যৰ পৰিমাণ আৰু দুই-তিনি শতাংশ বঢ়াই দিলে। কিন্তু প্ৰকৃত প্ৰাপ্যৰ পৰা শ্ৰমিক সকল বঞ্চিত হৈয়েই থাকিল। তথাপি ৰতনহঁত কিছু উপকৃত হল আৰু সিহঁতৰ দাবী উঠাই ললে। পিছত যেতিয়া বাগিছাৰ বিষয়া সকলে জানিলে যে— ইয়াৰ গুৰিতেই মই; তেতিয়া তেওঁলোকে মোক কিবা উপায়েৰে বাগিচাৰ পৰা বাহিৰলৈ পঠিয়াবলৈ চেষ্টা কৰিলে। এদিন দেউতাক মাতি নি মেনেজাৰে কলে, "যদি আপুনি ল'ৰাটোক ইয়াতে ৰাখিবলৈ বিচাৰে তেন্তে অলপ নজৰ দিয়ক। কিন্তু আৰু যাতে মজদুৰ বিলাকক উচটনি দিব নোৱাৰে। বেলেগলৈ পঠিয়াবলৈ চেষ্টা কৰিছে যদি পঠিয়াই দিয়ক। টকা-পইচাৰ যদি অভাৱ তেন্তে মোক কব। অন্যথাই আপোনাক আমাৰ বাগিছাৰ চাকৰিত ৰখাটো হয়তো আমাৰ বাবে আৰু সম্ভৱ নহ'ব। সেই ক্ষেত্ৰত আপুনি অন্য চাকৰিৰ চিন্তা কৰাই উচিত হ'ব।" দেউতাই আৰু শুনিবলৈ অপাৰগ হ'ল। মোৰ ওপৰত প্ৰচণ্ড খং লৈ ঘৰলৈ আহি মোক বিভিন্ন ভাষাৰে গালি পাৰিলে। মোৰ এফালে দেউতা, আন ফালে ৰতনহঁত। কাক গুৰুত্ব দিম। তাৰ দুদিন মানৰ পাছত মেনেজাৰৰ ঘৰত কাম কৰা বুধনিৰ পৰা জানিব পাৰিলো— সেইদিনা দেউতাই কিয় ইমান খং কৰিছিল। বাগিচাতে প্ৰায় গোটেই জীৱন কটোৱা দেউতাৰ মনত কি এক প্ৰবল আলোড়ন হৈছিল। ৰতনক এদিন মই মোৰ সকলো কথা কলো। সি খুব দুখেৰে কলে, "তই যা পঢ়ি-শুনি ডাঙৰ মানুহ হৈ আহ। কিন্তু আমাক নাপাহৰিবি। মাজে মাজে চিঠি-পত্ৰ দি থাকিবি আৰু পঢ়ি-শুনি আহি তইয়ে আমাক নতুন পথৰ সন্ধান দিবি। তেতিয়াহে আমি আমাৰ মানুহৰ মুখত এটা প্ৰাণ খোলা হাঁহি দেখিবলৈ পাম।" মই আবেগত ৰতনক সাৱটি ধৰিলো। মোৰ দুচকুৰে চকুলো বৈ আহিল, মই অনুভৱ কৰিলো মোৰ কান্ধতো যেন দুটোপাল পানী বিৰিঙি পৰিছিল। মই ৰতনৰ মুখলৈ চাব পৰা নাছিলো, মোৰ নিজকে পলায়ণবাদী যেন লাগিছিল। মই যেতিয়া এই কলেজখনলৈ আহোঁ, মোৰ মালবস্তু বিলাক ৰতনেই বাচত উঠাই দিছিল। ঘৰৰ পৰা বিদায় লৈ আহোতে মা আৰু ভণ্টীয়ে চকুপানী টুকিছিল। দেউতাৰ মুখখন দেখা নাছিলো, বেয়াই পাইছেনে, ৰক্ষাই পাইছে বুজিব নোৱাৰিলো। দেউতাক মাতষাৰ লগাই অহাত মুখখন অন্যফালে ঘূৰাই দিছিল। তাৰ পাছৰ পৰা এই হোষ্টেলৰ জীৱন। ইয়ানে অহাৰ পৰা ৰাতি ৰাতি ভালদৰে টোপনি নাহে। সদায় সেই ৰতন, বুধোৱা, লছমী আদিৰ মুখবোৰ ভাহি আহে। ৰতন এদিন আহিছিল— কৈছিল— কেনেকৈ মই অহাৰ পৰা "দিবাকৰ সংঘ" ক্ৰমে ক্ৰমে নিষ্ক্ৰীয় হৈ পৰিছিল। এটা আচৰিত কথাই মোক অবাক কৰি তুলিছিল। মই অহাৰ পৰা হেনো বস্তিৰ ভিতৰত আটাইতকৈ ধুনীয়া আৰু ৰাংঢালী লছমীৰ মুখত প্ৰাণ খোলা হাঁহি নাই। হয়তো লছমীয়ে মোৰ অজানিতেই বহুতো মৰম মোৰ বাবে সাঁচি ৰাখিছিল। মোৰ ভাবি বৰ দুখ লাগি গ'ল। মই মাত্ৰ ৰতনহঁতৰ মনতে দুখ দি অহা নাই, এগৰাকী গাভৰুৰ মনতো মোৰ অজ্ঞাতেই অশ্ৰু



# ব্যৰ্থ সৈনিক

শ্ৰীপুনেশ্বৰ কোঁৱৰ
স্নাতক ৩য় বাৰ্ষিক ( কলা )

মানুহে মানুহৰ প্ৰতি ইমান অন্যায় অত্যাচাৰ, পশুৰ দৰে আচৰণ কৰিব পাৰে বুলি সি কল্পনাও কৰা নাছিল। সি ভাবিছিল এইবোৰ চব ৰাজনৈতিক মহা পণ্ডিতৰ কাম। সি এই মহা পণ্ডিত সোপাৰ বিষয়ে নজনা নহয়। সি জানে কিদৰে এই মহা পণ্ডিত মখাই নিজৰ স্বাৰ্থৰ বাবে নিজৰ এম, এল, এ, এম, পি, মন্ত্ৰী আদি পদটি সুৰক্ষিত কৰিবৰ বাবে মদ, ভাং খুৱাই হোজা জনসাধাৰণক ভুচুং-পহু সজায়। কেনেদৰে মথাউৰি সজাৰ প্ৰতিশ্ৰুতি দি বানপানীত উটুৱাই মাৰে আৰু গাঁৱৰ বাট-পথ সজাৰ প্ৰতিশ্ৰুতি দি একাঠু বোকাত খোজ কঢ়াই মাৰে। এনেবোৰ কৰাৰ উপৰিও প্ৰয়োজন বোধ কৰিলে কাৰোবাৰ নাম যমৰ বহীতো অন্তৰ্ভুক্ত কৰিবলৈ বুঠাবোধ নকৰে। এইবোৰ কথা জনাৰ বাবেই সি এইবোৰ ৰাজনৈতিক মহা পণ্ডিতৰ ভোট কিনাৰ বুদ্ধি বুলিয়েই ভাবিবলৈ বাধ্য হৈছিল।

আজি কেইদিনৰ পৰা যি দেখিছে, যি শুনিছে তাৰ পৰা সকলো অনুমান, বিশ্বাসৰ ওপৰত আস্থা হেৰাই গৈছে।

আজি দুদিন মানৰ পৰা সি নিজৰ ওপৰতে আস্থা হেৰুৱাই পেলাইছে। যেন সপোনহে দেখিছে, চকু মুদি, কাণত ঠিলা মাৰি থাকিবৰ মন গৈছে তাৰ, কিন্তু তেনে-কৈতো থাকিব নোৱাৰি। সি জানে বেয়া কাম কৰা আৰু বেয়া কথা কোৱাটোতো বেয়াই; চোৱা আৰু শুনাও অনুচিত। কিন্তু এইবোৰ জানিও আজি সি বেয়া কাম-বোৰ নকৰিলেও চাব লগা হৈছে আৰু বেয়া কথা নকলেও শুনিব লগা হৈছে, আৰু এই বোৰত সহায় কৰিব লগা হৈছে।

দুদিন মানৰ অগেয়ে সি যিবোৰ শুনিছিল আৰু যিবোৰ পঢ়িছিল সেইবোৰ সকলো মিছা বুলিয়েই ভাবিছিল।

---

পৰাজয় ( ৩৫ পৃষ্ঠাৰ পৰা )

বিয়পাই আহিছো। তেতিয়াৰ পৰা মোৰ মন বিলাক ভাল হৈ থকা নাই। মোৰ এনে ভাব হৈছে যেন জীৱন যুঁজত বৰ বেয়া ধৰণে পৰাজয় বৰণ কৰিছো। এই পৰাজয়ে মোক জীৱনৰ প্ৰতি মোহ নাইকিয়া কৰি তুলিছে। মই ঘৰত থাকোতে চিগাৰেট, মদ আদি মুখত দি পোৱা নাছিলো, কিন্তু এতিয়া মই সকলো নিচা সেৱন কৰি যিমান সোনকালে পাৰো মোৰ দেহাটোক নিস্তাৰ দিবলৈ খুজিছো।

০ ০ ০ ০ ০ ০

একেলগে বহু কথা কৈ প্ৰণৱদা ভাগৰি পৰিল। "বলা গধূলি হৈ আহিছে, হোষ্টেললৈ যাওঁ।" আমি আহিবলৈ ওলালো। ৰাস্তাই ৰাস্তাই ভাবি ভাবি আহিছো, প্ৰণৱদা মানুহজনৰ মনত ইমান এটা ডাঙৰ আদৰ্শ লুকাই আছে। কিন্তু থাকিলে কি হব? এই আদৰ্শ বুকুৰ মাজত লৈ মনতে গুজৰি-গুমৰি থকাৰ বাহিৰে কি উপায় আছে? সেইদৰে থাকোঁতে থাকোঁতে ই হয়তো এদিন নিঃশেষ হৈ যাব। কথাবিলাক ভাবি ভাবি আহি আছো। এটা সময়ত অলপ ৰৈ প্ৰণৱদাই কৈ উঠিল, "তুমি গৈ থাকা, মোৰ ইয়াত অলপ কাম আছে।" এই বুলি এটা কদৰ্য্য গলিয়েদি প্ৰণৱদা আগবাঢ়িল, যিটো অঞ্চল মদ, ভাং, জুৱা আৰু দুষ্কৃতিকাৰীৰ গোপন আড্ডা বুলি কুখ্যাত। মোৰ বুজিবলৈ বাকী নাথাকিল ইয়াত কি কাম থাকিব পাৰে প্ৰণৱদাৰ।

সকলো তাৰ অনুমান মিচা বুলি প্ৰমাণিত হৈছে। অৱশ্যে মহা পণ্ডিত সকলৰ কিছু ৰহন নথকা নহয়, তথাপিও দেখা শুনাবোৰৰ আশি শতাংশই সত্য। এতিয়া সি ভাৱিবলৈ বাধ্য হৈছে, মানুহক যদিও জীৱ শ্ৰেষ্ঠ বোলা হৈছে প্ৰকৃততে মানুহ জীৱৰ অধমহে। অন্যান্য পশুৱে যিদৰে ভাল কামৰ বাবে চিন্তা কৰাৰ স্থান নাই সেইদৰে বেয়াৰ বাবেও স্থান নাই। মাথোন স্বাভাৱিক কাৰ্য্যবোৰহে কৰি যায়। কিন্তু মানুহ? মানুহৰ যিদৰে ভাল কাম তথা চিন্তাৰ বাবে জ্ঞান আছে, বেয়া কাম তথা বেয়া চিন্তাৰ বাবে তাৰ দুগুণ জ্ঞান আছে। নহলেনো অনু-পৰমানুৰ অন্তৰ্নিহিত শক্তিক আবিস্কাৰ কৰি ভাল কামত ব্যৱহাৰ নকৰি পৃথিৱীখন ধ্বংস কৰাৰ পৰিকল্পনা লয়নে? পৃথিৱীখন এবাৰ ধ্বংস কৰিলেই যথেষ্ট; তাত আৰু জীৱ-জগতৰ চিন চাব নাথাকে, তেনে ক্ষেত্ৰত এখন দেশৰ হাততে পৃথিৱীক দহবাৰ ধ্বংস কৰিব পৰা শক্তি জমা ৰখাৰ উদ্দেশ্য কি? এইয়াই জীৱশ্ৰেষ্ঠ মানৱ!

এদিন সি সৈন্য বাহিনীত ভৰ্ত্তি হৈছিল, প্ৰত্যক্ষ-ভাৱে দেশ সেৱাৰ বাবে নহয় তাৰ আৰ্থিক দুৰ্বলতাৰ বাবেহে, নিজে দুসাজ খোৱাৰ উপৰিও তাৰ মাক আৰু ভনীয়েকক দুসাজ খুৱাবৰ বাবে। পৰোক্ষ ভাৱে দেশ সেৱাতো জড়িত হৈ পৰিছিল, কিয়নো এজন সৈনিকৰ ধৰ্মই হৈছে দেশ ৰক্ষা, তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। সেইয়েহে তাৰ সৈন্যবাহিনীত ভৰ্ত্তি হোৱাৰ এই দুটা উদ্দেশ্যহে জড়িত হৈ আছিল আৰু আছে। এই জঘন্য কামবোৰ নহয়। এনেবোৰ কামৰ দ্বাৰা দেশ সেৱা কৰাটো নুবুজায়। এনেবোৰ কাম কৰি প্ৰাণ দিয়া সকলক শ্বহীদ বুলিব নোৱাৰি।

এদিন হঠাৎ ৰিৰ্পট আহিল অপাৰেশ্বনত যাব লাগে এক সন্ত্ৰাসবাদীৰ ঘাঁটিলৈ। কথা মতে কাম। আনৰ কথা লৰচৰ হ'লেও নিয়মানুৱৰ্ত্তিতাৰ খাতিৰত মিলিটেৰীৰ নিৰ্দেশ লৰচৰ নহয়। অল্প সময়ৰ ভিতৰত সমগ্ৰ ইউনিট সাজু হ'ল। এটা সময়ত যাত্ৰা আৰম্ভ হ'ল। তিনি-চাৰি দিন গাড়ীৰে যোৱাৰ পিছত উপস্থিত হলগৈ এক হাবি কাষৰীয়া গ্ৰাম্যাঞ্চলত। নিৰ্দ্দেশ দিয়া হ'ল নিশাৰ পৰা অপাৰেশ্বন আৰম্ভ হ'ব লাগে। নিৰ্দ্দেশত কোৱা হ'ল, "সন্ত্ৰাসবাদীক দেখিলেই গুলীয়াবা।" কিন্তু সন্ত্ৰাসবাদীৰ ৰূপটোনো কেনে তাক হলে কোৱা নহল। গতিকে সিহঁত বিপাঙত পৰিল সন্ত্ৰাসবাদী বিচাৰি উলিওৱাত, কোনজন সন্ত্ৰাসবাদী, কোনজন সাধাৰণ নাগৰিক। গতিকে আৰম্ভ হ'ল গাঁৱৰ প্ৰতিজন লোকক ধৰি আনি সোধ-পোচ কৰা আৰু প্ৰয়োজন হ'লে উত্তম মাধ্যম দিয়া। কিন্তু কোন মূৰ্খই মই সন্ত্ৰাসবাদী বুলি চিঞৰি ফুৰিব। গতিকে কামটো বৰ অসুবিধাজনক হ'ল। যি এজনৰ হাতত নথি-পত্ৰ ধৰা পৰিছে সিহঁতেও লগৰ বোৰৰ কথা নকয়। গতিকে গাঁৱৰ মানুহবোৰক এবাৰ ধৰা, এবাৰ ধৰি পিতন দিয়া— প্ৰায় সাধাৰণ কথা হৈ পৰিল। সৰহবোৰ মানুহেই নিৰ্দ্দোষী।

এইবোৰ কাৰ্য্য চলি থকা স্বত্বেও সি কিন্তু গাঁৱলৈ যাব লগা নহৈছিল; কেম্পৰ ডিউটিতে আছিল। সেইয়াই তাৰ ভাগ্য। তেনেকৈ কিন্তু সি কলংকবোৰৰ পৰা বেছি দিন আঁতৰি থাকিব নোৱাৰিলে। এদিন সিও যাব লগা হ'ল গাঁৱৰ মাজলৈ। সিহঁত ছয়-সাতজনকৈ ভাগ ভাগ হৈ এমূৰৰ পৰা গাঁৱৰ প্ৰতিঘৰ মানুহ তালাচী চলাই গৈছে। কিন্তু ই কি, তালাচীটো এইদৰে নহয়। ই এক পৃথক তালাচী, এক প্ৰকাৰৰ ডকাইটি, এক প্ৰকাৰৰ আসুৰিক অতপালি। কোনো এঘৰতে যুৱক বা বয়সীয়াল পুৰুষ পাবলৈ নাই। কাৰণ পুৰুষৰ নামত ডেকা-বুঢ়া সকলোকে সন্ত্ৰাসবাদী বুলি সমানে সন্দেহ কৰা হয়। গাঁৱত বৈ গৈছে কেৱল তিৰোতাখিনি। মিলিটেৰী দেখিলে সেই তিৰোতাখিনিৰো ঠাইতে পানী বৰফ হোৱাৰ দৰে ভয়ত তেজ গোট মাৰিছিল। প্ৰায়বোৰ জোৱানেই তালাচীৰ নামত ঘৰৰ ভিতৰৰ পৰা টকা-পইচা, আঅলংকাৰ লৈ গৈছিল, লগতে লৈ গৈছিল বহু মাতৃৰ, বহু ভগ্নীৰ সতীত্ব আৰু জনসাধাৰণৰ আগত দি গৈছিল মহান দেশ সেৱকৰ প্ৰকৃত স্বৰূপ কলংক। সিদিনা তাৰ লগৰে দুজনে পিঠিত দুটাকৈ দাৰ ঘাপ লৈ আহিছে সতীত্ব হৰণৰ পুৰস্কাৰ স্বৰূপে। ঠিক সেই ৰমণী, নিজৰ আত্মসচেতনতা আৰু মনোবলৰ বাবে দুটা পাষণ্ডক উপযুক্ত উপহাৰ দিছে।

সিদিনা তালাচীৰ পৰা আহি সি ভাবিছে যদি তাৰ মাক, ভনীয়েকৰ ···· সি আৰু ভাবিব নোৱাৰিলে। অৱশ্যে তাৰ গাঁওখন এনে অত্যাচাৰৰ সীমাৰ পৰা আঁতৰত।

# আশা নিৰাশা

শ্ৰীমতী মিতালী গগৈ
স্নাতক ৩য় বাৰ্ষিক ( কলা )



গাটো বৰ অৱশ লাগিছে অৰুণৰ। আচলতে দেহটোতকৈ মানসিক অৱস্থাটোৱেহে বেছি জুৰুলা কৰিছে তাক। পৰীক্ষালৈ মাত্ৰ এমাহ বাকী আছে। তাৰ দেখোন আটাইবিলাক বিষয় সম্পূৰ্ণ কৈ পঢ়া এতিয়াও হোৱাই নাই।

আজি সিহঁতৰ গাঁৱৰ ল'ৰা বিলাক লগহৈ ৰাস্তাটো অলপ মেৰা-মতি কৰিছিল। মেৰামতি মানে গাঁৱৰ ৰাস্তা, শিল দিয়া আছিল ঠায়ে ঠায়ে দুই-চাৰিটাকৈ; বাৰিষা আহিছে নহয় গতিকে আগতীয়াকৈ খলা-বমা বিলাকত মাটি তুলি দিছিল।

অৰুণহঁতৰ গাঁওখন অসমৰ সাধাৰণ পিছপৰা গাঁও বিলাকৰ দৰেই এখন। গাঁওখনৰ মুঠ মানুহ চল্লিশ ঘৰ মান হ'ব। আজিলৈকে দুই-চাৰি জনে কলেজীয়া শিক্ষা শেষ কৰিছে গাঁৱৰ পৰা। বাকী বিলাকে খেতিবাতি কৰি চলে। গাঁওখনত এখন এল, পি স্কুল আছে।

অৰুণহঁতৰ ঘৰত মুঠ চাৰিটা প্ৰাণী। মাক, ভনীয়েক এজনী; ভায়েক এটা। অৰুণ বি, এ, তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। পঢ়াত ল'ৰাটো বেয়া নহয়। পিচে কিতাপ - পত্ৰ সকলো গোটাই পঢ়াটো তাৰ বাবে সম্ভৱ নোহোৱাৰ হেতুকে অনাৰ্চ ল'ব নোৱাৰিলে। কলেজৰ লাইব্ৰেৰীত দুই এখন ভাল কিতাপ পাই যদিও কিছুমান ল'ৰাই আগতিয়াকৈ লৈ থয় এবছৰৰ কাৰণে। আকৌ লগৰ কিতাপ কিনি লোৱা বিলাকক খুজিলেও দেখোন দুই এদিনলৈ দিবলৈ ভাল নাপায়। গতিকে নিজে যি পাৰিছে কিনি

---

ব্যৰ্থ সৈনিক ( ৩৭ পৃষ্ঠাত পৰা )

ভাবিলে সি— ইমানতে সৈনিক জীৱনৰ ইস্তফা দিব নেকি, কিন্তু তাৰ মাক আৰু ভনীয়েকৰ খোৱা পিন্ধা! আন-হাতে যদি সিহঁতো এনে অত্যাচাৰৰ বলি হয় তেন্তে তাৰ নিৰাপত্তা জানো সি অকলে সিহঁতক দিব পাৰিব? তাকে কৰিবলৈ যাওঁতে জানো সি সন্ত্ৰাসবাদী হব নালাগিব? তেন্তে সি কি নিজেই গুলীয়াই আত্মহত্যা কৰিব! সন্ত্ৰাসবাদীৰ গুলীত মৰা বুলি মাক-ভনীয়েকে টকা পাব, সুখে সন্তোষেৰে খাব।

পিছমূহূৰ্ত্ততে ভাবিলে— এইবোৰ কৰিলে তাৰ ভীৰু-তাহে প্ৰকাশ পাব আৰু এই পাষণ্ডহঁতৰ পৰা তিৰুতা জাতিয়ে তথা নিৰীহ জন সাধাৰণে নিস্তাৰ নাপাব। ইয়াৰ প্ৰতিকাৰ লাগে। অন্যথাই দেশৰ জনসাধাৰণ নিজৰ পুত্ৰ, নিজৰ ভাই ককাইৰ হাতত লাঞ্চিত অপমানিত হব। এই বৃহৎ সংগঠিত যুৱ শক্তিক প্ৰকৃত পথ, প্ৰকৃত উদ্দেশ্য বুজাই দিব লাগিব। বুজাই দিব লাগিব সিহঁতৰ কাম দেশ ৰক্ষা তথা আভ্যন্তৰীণ শান্তি শৃঙ্খলাহে, জনসাধাৰণৰ ওপৰত অত্যাচাৰ উৎপীড়ন কৰা নহয়। যদি তাকে নকৰি বৰ্ত্ত-মানৰ গতিত সিহঁত গৈ থাকে তেন্তে এনে এটা সময় আহিব যেতিয়া জনসাধাৰণে সৈন্যৰ গুলীলৈ কেৰেপ নকৰি হাতে হাতে দা যাঠী লৈ আহিব। তেতিয়া সৈনিকৰ গুলীবোৰ কোনো কামত নাহিব। আত্মৰক্ষাৰ ক্ষেত্ৰতো এইবিলাক হব নিষ্ক্ৰিয়। ●

পঢ়িছে সি। ভনীয়েকে যোৱাবাৰ হাইচেকেণ্ডেৰী পাছ কৰিছে। তাই বি, এত নাম লগোৱা নাই। পাৰিলে অহা বছৰ লগাব। ভায়েক যোৱা বছৰ মেট্ৰিক পাছ কৰি ওচৰৰে হাইচেকেণ্ডেৰী স্কুলত পঢ়িছে।

এই কেইদিন মহৰ বৰ উৎপাত হৈছে, তাতে গৰমো পৰিছে। অৱশ্যে পঢ়িবলৈ মন গ'লে অৰুণে সেই-বোৰলৈ কেৰপ নকৰে। তুমাহমানৰ আগতে তাৰ সহপাঠী এগৰাকীয়ে কোৱা কথা এটালৈ মনত পৰিল তাৰ— "আমাৰ পৰীক্ষা গৰম কেইদিনত হ'ব। ইস্ ঘাম কেনেকৈ যে পঢ়িম ভাই, ফেনো নাথাকে।" তাৰ মনে মনে খং উঠিছিল কথাষাৰ শুনি। আছে বা ক'ত— অসম দেশতহে, য'ত এতিয়াও শতকৰা যাঠি সত্তৰ শতাংশ মানুহ সকলো আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত। তহঁতৰ দৰে এচামে দেখোন ৰাতি-পুৱা পথাৰত হালবাই ক্লাছ কৰিবলৈ আহিব লাগে। সি মনে মনে ভনীয়েকহঁতৰ দৰে গাঁৱৰ ছোৱালী বিলাকৰ কথা ভাবিলে। সিহঁতে দেখোন পথাৰত ৰোৱাতোলা কৰিও কলেজলৈ যায়। আকৌ বন্ধৰ দিনত দিনৰ দিনটো ৰ'দ বৰষুণ কাতি কৰি পথাৰত কাম কৰে। তাৰ লগৰ সেই বিলাক ছোৱালীয়ে হয়তো এইবিলাক কথা কল্পনাও কৰিব নোৱাৰিব।

মাকে ৰাতিপুৱা কোৱা কথাষাৰ তাৰ মনত পৰিল— "তই কোনোমতে বি, এ টো পাছ কৰি মাটি দুবিঘাকে বেচি চাকৰি এটাত সোমাবি বুজিছ।" কি জানে তাৰ মাকে এই পৃথিৱীৰ টকা-পইচাৰ খেলাৰ কথা। মাকে হয়তো তাৰ লগৰ মৃদুলৰ ককায়েকে চাকৰিত সোমোৱা কথাটো গম পাইছে। মৃদুলৰ ককায়েক ৰাতুলে বি, এছ, চি দিছিল, পিছে বেয়া কৰিলে। কিন্তু তাহাঁতৰ ঘৰৰ ওচৰত থকা হাইস্কুলখনত বিজ্ঞানৰ শিক্ষকৰ পদটোত তাকে নিযুক্তি দিয়া হ'ল। তাৰ খং উঠে দেশৰ এই দালাল শ্ৰেণীটোলৈ। পিছে অৰুণৰ মনত আছে দেউতাকৰ বেমাৰ হোৱাৰ সময়ত মেদ্দিকেল চিকিৎসাৰ বাবে নিবলৈ বেচিব লগা হোৱা মাটিৰ কথা। বহুত কম দামতে মাটিডোখৰ কিনি লৈছিল মৃদুলৰ দেউতাক অভিযন্তা সত্যব্ৰত বৰুৱাই। ইফালে যোৱা বছৰ গাঁৱৰ মানুহে খেতি নকৰিলে, বানপানীয়ে নষ্ট কৰাৰ বাবে। প্ৰত্যেক ৰাৰে কিমাননো যুঁজিব পানীৰ লগত। গতিকে অৰুণহঁতৰো চলিবলৈ কষ্ট হৈছে। সি গাঁৱৰ ল'ৰা কেইটা-মানক পঢ়াই পোৱা পইচাৰে চাউল কিনিছে। শাক-পাচলি জানিবা ভায়েকে বাৰীতে কৰিছে। ঘৰত খোৱাৰ বাহিৰেও বজাৰত পাছলি বেচি নিজৰ খৰচটো উলিয়াইছে। ভনীয়েকে বিহু-চিহু আহিলে মানুহক গামোচা বৈ দি দুপইচা পায়। বতৰ ভাল হ'লে গাঁৱৰ মানুহৰ ঘৰত ৰোৱা তোলা কৰি, ধান-দাই কিছু পইচা মাক-ভনীয়েকে উলিয়ায়। পাছত ল'ৰা-ছোৱালী কেইটা ভাল হোৱা দেখি গাঁৱৰ মানুহে কয় কষ্ট কৰি পঢ়া ল'ৰা-ছোৱালী, পাৰিবতো, পাৰিব। ভগৱান আছে নহয়। অৰুণৰ হাঁহি উঠে মানুহবিলাকৰ কথা শুনি। ভগৱান থকা হ'লেনো তাহাঁতৰ এনেকুৱা কষ্ট হয়নে? ইমান সৰু হৈ থাকোতে দেউতাক ঢুকায়নে? ক'তা তাৰ সহপাঠী সঞ্জীৱ, দিগন্তহঁতৰ দেউতাকহঁতে কিমান মানুহক ঠগি ঠগি দালান সাজিছে, গাড়ী লৈছে, ছোৱালীক স্মাৰ্ট বনাবলৈ বাহিৰত থৈ পঢ়ুৱাইছে। ক'তা সেই মৰাক মাৰি খোৱা বিলাকৰ দেখোন একো নহয়। তেওঁলোকে কৰা বিলাক কি পাপ নহয়? নতুন গাড়ী লৈ সন্দিকৈ উকীলে খুন্দিয়াই মাৰিলে হবি চকিদাৰৰ ৭ বছৰীয়া ল'ৰাটোক। ক'তা একো নহ'ল। পইচা কেইটামান দিলে চকুপানী মচিবলৈ।

আজিকালি বোধকৰো ভগৱানেও ভেঁটী খায়। কিয়নো; সি দেখিছে বৰুৱানী, ফুকননী, সন্দিকৈয়নীহঁতে প্ৰতি বৃহস্পতিবাৰে কোনোৱা মন্দিৰত গৈ একোখন ওপচা শৰাই আগবঢ়ায়। আকৌ শনিবাৰে শনি মন্দিৰলৈ যায়। কেতিয়াবা পুৰণা চেণ্ডেল, কাপোৰ বিলাক মন্দিৰৰ বাহিৰত থকা ভিক্ষাৰী বিলাকক দান কৰেগৈ। এই বিলাকত হয়তো ভগৱান সন্তুষ্ট। অৰ্থাৎ পতিয়ে অন্যায় কৰি ধন ঘটে আৰু পত্নীয়ে সেই অন্যায় খণ্ডণ কৰে। তাৰ মাকে হয়তো শৰাইখন আগবঢ়াব নোৱাৰাটোৰেই ভগৱানৰ ওচৰত জগৰ। মাকে তেলৰ টাকিগচহে গোঁসাই ঘৰত জ্বলোৱা সি সৰুৰে পৰা দেখি আহিছে।

আজি কালি পইচা নহলে একো কামেই নহয়। সি শিক্ষিত নিবনুৱালৈ আগবঢ়োৱা ঋণটো পাবলৈও বোলে অপল টকা দিব লাগিব। তাৰ মাটি বেচি চাকৰি কৰি-বলৈও মন নাই। পৰীক্ষা দি সি ঘৰৰ অলপ মাটিতে স্কুল এখনকে খুলিব। গাঁৱৰে টংক, সুনীলহঁতকো লগত ল'ব। ভায়েকক কাঠৰ ফাৰ্নিচাৰৰ দোকান এখন খুলি দিব ঋণ ল'ব

# অক্ষম

শ্ৰীচন্দন শৰ্মা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)



পুৱা দহ বাজো বাজো। ব্যস্ত এই চহৰৰ ৰাজপথ। বিভিন্ন ধৰণৰ যান-বাহন। মটৰ, ৰিক্সা, চাইকেল, চিটি বাছৰ লাগি নিছিগা সোঁত। ফুট পাথৰ ওপৰত ৰৈ গাড়ী মটৰ চাওঁতে চাওঁতে মূৰ ঘূৰাই যায়। অসংখ্য মানুহ। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ, শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা আৰম্ভ কৰি কৰ্ট-কাছাৰী, অফিচ আদিলৈ যোৱা অসংখ্য মানুহ। প্ৰত্যেকজন মানুহৰে লক্ষ্য— নিজ কৰ্মস্থল। এই একেটা কথাতে মাথোন মানুহবোৰৰ মিল আছে। তাৰ বাহিৰে সকলো বিলাক বেলেগ; সাজ-পোছাকৰ পৰা আৰম্ভ কৰি মন মেজাজলৈকে সকলোতে। কাৰো কালৈকো চাবলৈ সময় নাই।

ফুট-পাথৰ কাষৰ এখন সৰু পান-দোকানৰ কাষত থিয় হৈ নিৰৱ দৰ্শক হৈ চাইছো মানুহৰ ব্যস্ততা। যদিও আজি এসপ্তাহ মই এই চহৰৰ প্ৰতিটো অফিচৰ দুৱাৰে দুৱাৰে, প্ৰতিটো বাটে-পথে ঘূৰি ফুৰিছো, তথাপি আজিহে যেন চহৰৰ কোলাহলময় ৰূপটোৱে মোৰ চকুত ধৰা দিলে। গাড়ী মটৰৰ পেঁপেঁ, চাইকেল ৰিক্সাৰ টিলিং টালাং শব্দ— মুঠতে চাৰিওফালে এক ব্যস্ততাৰ প্ৰতিচ্ছবি। কিন্তু মই, ব্যতিক্ৰম।

সৰুৰে পৰা দেউতাৰ উপাৰ্জনেৰে পঢ়া শুনা কৰি খুব সুখতেই দিন অতিবাহিত কৰিছিলোঁ। সাধাৰণ চাকৰি এটাৰ অৱলম্বনেৰে হাড়ভগা পৰিশ্ৰম কৰি দেউতাই কোনোমতে ঘৰখনক পোহপাল দিছিল। সেই টকাৰেই কিছু অংশ মোৰ পঢ়া শুনাত খৰচ কৰিছিল। মোক পঢ়াওঁতে দেউতাৰ যথেষ্ট কষ্ট হৈছিল। কিন্তু দেউতাই সেই কথা কেতিয়াও জানিবলৈ নিদিছিল। গতিকে বাস্তৱ জগতৰ জটিল ৰূপটো মোৰ চকুত ধৰা দিয়া নাছিল। আনহাতে দেউতা-মাৰ মৰমৰ মাজত সংসাৰখনৰ ৰঙীন ফালটোহে চকুত পৰিছিল।

পঢ়া শুনাত চোকাবিধৰ ছাত্ৰ নাছিলো যদিও প্ৰত্যেকটো পৰীক্ষা ক'তো নোৰোৱাকৈ পাছ কৰি বি, এ, পাছ কৰিলোঁ। তাৰ পিছত আৰু ইচ্ছা থাকিলেও পঢ়িব নোৱাৰিলোঁ। কাৰণ দেউতাৰ সামান্য উপাৰ্জনৰ টকাৰে মোৰ পঢ়া-শুনাত খৰচ কৰি ঘৰখন চলিবলৈ কোনোমতে নাটে। গতিকে সিমানতে মোৰ শিক্ষা জীৱনৰ যৱনিকা পৰিল। ঘৰখনত আৰ্থিক স্বচ্ছলতা আনিবলৈ মোৰ এটা

আশা নিৰাশা (৩৯ পৃষ্ঠাৰ পৰা)

পাৰিলে। ভনীয়েকে, গাঁৱৰ বকুলী, কেতেকীহঁতৰ লগ লৈ কাপোৰ বোৱা-কটা কৰা স্কুল খুলিব। সি মাকৰ মাতত চক খাই উঠিল। মাকে কাষৰ কোঠাৰ পৰা তাক সুধিছে— "ইমান দেৰিলৈকে তই শোৱাই নাই? শুই থাক, আৰু পঢ়িব নালাগে আজিলৈ, চাকিটোত তেল শেষ হ'বৰ হ'ল ছাগে। আকৌ আতিপুৱা কঠীয়া অলপ সিঁচিব লাগিব নহয়। সোনকালে উঠিবি।" তেতিয়াহে সি গম পালে, চাকিটো সি নুনুমোৱাকৈ বিচনাত পৰিছিল। চাকিটোৱে টিমিক ঢামাক কৰি আছে। তেল শেষ হৈ শলিতাডালহে জ্বলিবলৈ লৈছে। মিছাকৈ কিবোৰনো ভাবি আছে— জোৰকৈ টোপনি যাবলৈ চেষ্টা কৰিলে সি।

চাকৰিৰ প্ৰয়োজন হ'ল।

মোৰ প্ৰকৃত জীৱন যেন তেতিয়াৰ পৰাহে আৰম্ভ হ'ল যেতিয়া মই বি, এ, পাছ কৰিলোঁ। প্ৰতিটো ইন্টাৰভিউ দি ভাবো এইবাৰ নিশ্চয় কিবা এটা হ'ব। কিন্তু ৰিজাল্ট ওলোৱাৰ পাছত দেখো তালিকাত মোৰ নামটো নাই। প্ৰতিবাৰেই এটা আশা বুকুত বান্ধি ৰিজাল্ট চাবলৈ গৈ অধোমুখ হৈ ঘূৰি আহোঁ। আনফালে ঘৰত ক্ৰমান্বয়ে পৰি অহা বৃদ্ধ দেউতাৰ অৱস্থা দেখিলে দুখ লাগে।

প্ৰথম দুটামান ইন্টাৰভিউৰ ৰিজাল্ট লৈ ঘূৰি আহোঁতে ঘৰৰ সকলোৰে অধীৰ আগ্ৰহেৰে বাট চাইছিল। কিন্তু দিন যোৱাৰ লগে লগে প্ৰতিটো ইন্টাৰভিউলৈ গৈ বিফলতাৰ ঘূৰি অহাৰ পাছত বাট চাবলৈ বাদ দিলে। কিন্তু মা এই ক্ষেত্ৰত আছিল ব্যতিক্ৰম। মাৰ বাহিৰে সকলোৰে বদ্ধমূল ধাৰণা হৈছিল যে মই চাকৰি সহজতে নাপাওঁ। ঠিকেই, তেওঁলোকে ঠিকেই ভাবিছিল। আজিৰ এই বাহ্যিক ৰঙীন পৃথিৱীখনৰ ভিতৰ কিন্তু আলান্ধুৰে ভৰা। কাৰোবাৰ চাকৰি এটাৰ খুব প্ৰয়োজন; কিন্তু চাকৰি বিচাৰি জীৱনৰ আদ বয়স পাৰ কৰিলেহে যদি তেওঁৰ ভাগ্যত বিধাতাই চাকৰি লিখে। কিন্তু যাৰ ঘৰত পূৰ্ব-পুৰুষে অৰ্জা টকাৰেই কেইবা পুৰুষলৈও বহি বহি খাই থাকিব পৰা স্বচ্ছলতা আছে তেওঁলোকৰ পিছে পিছে যেন চাকৰি অহৰ্নিশে ঘূৰি ফুৰে। তেওঁলোকে কেৱল সময় কটাবলৈহে চাকৰি কৰে। আজি দেশত চাকৰি নীলামত (?) বিক্ৰী কৰা হৈছে। যাৰ সৰহ অংকৰ টকাৰে চাকৰি ডাক কৰাৰ সামৰ্থ্য আছে, তেওঁহে চাকৰি পায়।

আজি এসপ্তাহৰ আগতে এটা ইন্টাৰভিউ দিবলৈ এই চহৰলৈ আহিছিলোঁ। তাৰোপৰি এই চহৰত থকা দেউতাৰ কোনোবা দূৰ সম্পৰ্কীয় মানুহ কেইঘৰমানত সোমাই যাবলৈ দেউতাই কৈ পঠিয়াইছিল। তাৰোপৰি আজি আগতে দিয়া এটা ইন্টাৰভিউৰ ৰিজাল্ট দিছিল। সেইবাবে এই কেইদিন চহৰতে থাকিলোঁ। ৰিজাল্ট চালোঁ। মোৰ নামটো নাই। ঘৰত মায়ে চাগৈ বাট চাই আছে — আজি কৰবাত কিবা এটা সুবিধা নিশ্চয় হ'ব। কিন্তু মায়ে জানো আজিৰ পৃথিৱীৰ অন্ধকাৰ ফালটোৰ কথা বুজিব পাৰিছে? একোটা সাধাৰণ চাকৰিৰ বাবে শকত পৰিমাণৰ মাননি দি যদি চৰকাৰৰ বগলী ভকত সকলক সন্তুষ্ট কৰিব পাৰি, তেতিয়া হলে চাকৰি চাকৰিকৈ হাময়াও কঢ়া দেখোন নিষ্প্ৰয়োজন। তেতিয়া হ'লে আমাৰ নিচিনা বেকাৰবোৰে কি কৰিম! আন্দোলন?

মই যেন নিজে নিজেই ঘৰখনৰ বাবে এটা বোজা হৈ পৰিছোঁ। এটা অক্ষম জড় পদাৰ্থ। শৈশৱ, কৈশোৰ, যৌৱনৰ ৰঙীন কল্পনাবোৰ এতিয়া বাস্তৱত কোনোবাই গ্ৰাস কৰি পেলাইছে। চাৰ্টৰ জেপত লৈ ফুৰা চাৰ্টিফিকেট, মাৰ্কশ্বিটৰ নুৰাটো ফালি-চিৰি পেলাবৰ মন গ'ল। কিন্তু মই যে অক্ষম। সেইখিনি ফালি পেলোৱাৰ শক্তিও জানো মোৰ আছে? ●

---

আমাৰ বিহুটো যেনে আছে তেনে থাকক, মানুহে ধৰিলে ঘঁহি মচি মামৰ গুচাই দিলেই হ'ব। আমাক কোনো বিলাতী নাচ উৎসৱৰ আঁহি নালাগে। আমি আমাৰ নিজৰ অসমীয়া মাটিত গজিছোঁ, অসমীয়া মাটিত জীম, বহিম আৰু ঠিয় হ'ম।

লক্ষ্মীনাথ বেজবৰুৱা

প্ৰত্যেকে এই কথা মনত ৰখা উচিত যে আইন উলংঘা কৰা মানেই নিজৰ পিতৃ-পুৰুষৰ তেজৰ ওপৰত গচকি দিয়া আৰু নিজ সন্তানৰ স্বাধীনতাৰ চনদখন ফালি পেলোৱা।

লিংকন

# শেষ যাত্ৰা

(কাৰ্বি আংলঙৰ খেলুৱৈ বন্ধু ৺ৰুডিল চাংমাৰ সোঁৱৰণত)

দৰ্শন গোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক (কলা)



(এক)

অক্টোবৰ মাহৰ এটি সুন্দৰ ফৰকাল ৰাতিপুৱাৰ ৰ'দ কাৰ্বি পাহাৰৰ টিঙত পৰি ফাংচ'ৰপ গাওঁখন ধুঁৱলি-কুঁৱলী কৰি তুলিছে। কাৰ্বি আংলং জিলাৰ সদৰ ডিফুৰ উত্তৰ-পূৰত প্ৰায় ১০ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই-খনেই ৰুডিলহঁতৰ গাঁও। গাঁওখনৰ সৰহ সংখ্যক অধিবাসীয়েই গাৰো আৰু কাৰ্বি সম্প্ৰদায়ৰ লোক। প্ৰায় সকলোৰেই খ্ৰীষ্টীয়ান ধৰ্মাৱলম্বী। গাৰো আৰু কাৰ্বি সংস্কৃতিৰ মিলন কন্দ্ৰ স্বৰূপ এই ফাংচ'ৰপ গাঁওখন।

(দুই)

ৰাতিপুৱাই ৰুডিলৰ পিতাক ছমিন চাংমাই ঘৈণীয়েকক ক'লে— "হেৰৌ বাবাইক জগাই দেছোন, সিহঁতৰ হেনো আজি নাগালেণ্ডৰ ক'ৰবাত ডাঙৰ খেল আছে।"

ঘৈণীয়েকে ভেকাহী মাৰি উঠিল, "নেলাগে নেলাগে সি খেলি খুৱাব। লগৰ ল'ৰাই ছিলং নে গুৱাহাটীত পঢ়িবলৈ যাব আৰু আমাৰ ইয়াৰ খালি খেলা, খেলা। খেলাই নুখুৱাই দেছোন। পঢ়া-শুনা নকৰ যদি বাপেৰকে খেতি পথাৰত সহায় কৰি দে, নহলে গাহৰি কেইটাকে অলপমান চা।"

"মাই, তই এনেয়ে চিঞৰ বাখৰখন কৰ অ"। ৰুডিল উঠি আহিল। "মই কিবা নিজে খেলিবলৈ যাম বুলি কৈছোনে? কালি গাঁৱৰ গাঁও বুঢ়া হিচাবে বাবাক কাউন্সিলৰ মানুহে কৈ থৈ হে গৈছে, ডিষ্ট্ৰিক্ট কাউন্সিল আৰু পুলিচৰ মাজত ফাইনেলখেল আছে বুলি। মইতো খেলিম নে নেখেলিম কোৱাই নাই। মোৰ অহা মাহৰ ৪ তাৰিখে জুনিয়ৰ অসম টিমৰ হৈ খেলিবলৈ যোৱাৰ কথা আছে। এতিয়া যদি খেলি ক'ৰবাত দুখ-দুখ পাবলৈ হয় তেন্তে যোৱা নহব আৰু। এনেয়ে বাও ভৰিখনেৰে ভালকৈ শুটকে লব পৰা নাই।"

"মৰ। খেলি খেলিয়েই দেখিছো এতিয়া দেহাটো ঘূণীয়া কৰিলি।" মাকে গাহৰিৰ দানা যতনাবলৈ ধৰিলে।

"তই তাক এনেয়ে বকি থাক। কালি কাউন্সিলৰ মানুহে আহি মোক কৈছে যে সি খেলিলেহে হেনো কাউন্সিলৰ ইজ্জত থাকিব। ইফালে কহিমাৰ ডি, চি আৰু এইফালে আমাৰ চীফ কাউন্সিলাৰ খেললৈ যাব। কাউন্সিলাৰে হেনো একৰকম বাহাদুৰিয়েই মাৰি থৈ আহিছে কাউন্সিল জিকিব বুলি। আৰু আমাৰ ই যদি কাউন্সিলৰ হৈ ভাল খেলে তেন্তে মোৰ লগতে দেখোন গাঁওখনৰো সুনাম। তই তাক তেনেকৈ কৈ নাথাকিবি।"— পিতাকে গছৰ মুঢ়াটোত বহি থকাৰ পৰা উঠি আহি ক'লে।

"জানো! বাপেক-পুতেকে খেলি কি কৰিব খুজিছে। মই হ'লে এইবোৰ ভাল দেখা নাই।" মাকে যতনাই ৰখা দানাখিনি গাহৰি গড়াললৈ লৈ গ'ল।

(তিনি)

কাৰ্বি আংলং জিলাৰ এজন প্ৰচুৰ প্ৰতিভাসম্পন্ন

ফুটবল খেলুৱৈ ৰুডিল চাংমা। যোৱা বছৰ স্কুল টুৰ্নামেণ্টত নিজা স্কুল মাজ্জা হাইয়াৰ ছেকেণ্ডেৰীৰ হৈ সুন্দৰ খেল খেলি ৰুডিল ডিফু ক্ৰীড়া সন্থাৰ বিষয়-ববীয়া সকলৰ চকুত পৰিল। ক্ৰীড়া সন্থাৰ ফুটবলৰ তত্বাৱধায়ক হৰেন স্বৰ্গিয়াৰীয়ে তাক তেতিয়াই মতাই নি সেই বছৰৰ জিলা ছাব জুনিয়ৰ দলৰ প্ৰশিক্ষণ শিবিৰত যোগদান কৰিবলৈ কলে। সেয়া আছিল ১৯৮৫ চনৰ কথা। ৰুডিলৰ বয়স তেতিয়া প্ৰায় ১৬ বছৰ। তথাপি সি পাছদিনাৰ পৰাই স্বৰ্গিয়াৰীৰ কথামতে জিলা ছাব জুনিয়ৰ দলৰ বাবে প্ৰশিক্ষণ আৰম্ভ কৰিলে। যথা সময়ত কাৰ্বি আংলং দল ছাব জুনিয়ৰ প্ৰতিযোগিতালৈ গ'ল আৰু সুন্দৰ খেল প্ৰদৰ্শন কৰি ফাইনেলত তিনিচুকীয়াৰ হাতত টাই ব্ৰেকাৰত পৰাজয় বৰণ কৰিবলগীয়া হ'ল। প্ৰতিযোগিতাৰ সেই বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাবে বিবেচিত হ'ল কাৰ্বি আংলঙৰ লিংক মেন-কাম-ষ্ট্ৰাইকাৰ ৰুডিল চাংমা। ইয়াৰ পাছৰে পৰা ৰুডিলে পাছলৈ চাব লগীয়া হোৱা নাই। পিছৰ বছৰ মেট্ৰিক পাছ কৰি ডিফু হাইয়াৰ ছেকেণ্ডেৰীত নাম লগাই একেৰাহে নিজা স্কুল দল, জিলা স্কুল দল, অসম স্কুল দল, জিলা জুনিয়ৰ আৰু অসম জুনিয়ৰ দলৰ হৈ খেলিবলৈ সুযোগ পায়। ৰুডিলৰ খেল দেখি গুৱাহাটীৰ মহাৰাণা ক্লাবৰ বিষয়ববীয়া এজনে তাক ক্লাবলৈ আনিব খুজিছিল যদিও মাকৰ বাধাৰ বাবে যোৱা নহ'ল। ডিফুতে স্থানীয়, "কাৰ্বি এডভেন্সাৰছৰ' হৈ ৰুডিলে বহুতো সক্ৰৰ মেছ খেলিলে কেতিয়াব হাফ হিচাবে, কেতিয়াবা ষ্ট্ৰাইকাৰ হিচাবে, কেতিয়াবা উইং প্লেয়াৰ হিচাবে। যি পজিছনতেই খেলক ৰুডিলৰ খেলত হ'লে একো অস্বাভাৱিকতা দেখা ন'গল। সাৱলীল গতিৰে খেলি সি তামিলনাডুৰ মাডুৰাইত হব লগীয়া বি চি ৰয় আন্তঃৰাজ্যিক জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত অসম দলৰ কণিষ্ঠ খেলুৱৈ হিচাবে নিৰ্বাচিত হ'ল। উল্লেখযোগ্য যে '৮৬ চনত সি জাকাৰ্টাত হব লগীয়া এচিয়ান স্কুল ফুটবল প্ৰতিযোগিতাৰ ভাৰতীয় দলৰ প্ৰশিক্ষণ শিবিৰলৈ নিমন্ত্ৰণ পাইছিল। জুনিয়ৰ খেলি বাহিৰে বাহিৰে চণ্ডীগড়ত হব লগীয়া প্ৰশিক্ষণ শিবিৰলৈ যোৱাৰ কথা। সেয়েহে এই কেইদিন সি প্ৰেকটিছত বেছি পৰিশ্ৰম কৰিব লগা হৈছে। ইফালে অক্টোবৰৰ ২১ তাৰিখে গুৱাহাটীত জুনিয়ৰ টিমৰ লগত থাকি প্ৰেকটিচ কৰিব লাগিব।

(চাৰি)

আজি ১৫ তাৰিখ। এই সময়ত মেজৰ খেলত যোগ দিয়া উচিত নহব বুলি সি মনতে বিবেচনা কৰিলে। আকৌ নাগালেণ্ড পুলিচৰ সৈতে খেল বুলি শুনি সি উৎসাহিতো হ'ল কিয়নো এই বছৰ উত্তৰ-পূৰ্বাঞ্চলত নাগালেণ্ড পুলিচ অন্যতম শক্তিশালী দল। সেয়েহে সি ভাবিলে যে ভালদৰে খেলিলেনো কি হব? কাউন্সিলেতো সকলো সুবিধা দিবই।

ডিমাপুৰৰ মাইবঙলৈকে নিজা বাছত খেলুৱৈখিনি যাব। তাতে আকৌ কাউন্সিলৰ লগতে গাঁওখন তথা গাঁওবুঢ়া হিচাপে পিতাকৰ মান সন্মানৰ কথাও আছে। সেয়েহে সি ঠিক কৰিলে যে যোৱাটোৱেই ভাল হব। ১০ মান বজাত বাছখন আহিব আৰু তাক লৈ একেবাৰে যাবগৈ। কাউন্সিল নামতহে, সকলোখিনি খেলুৱৈয়ে "কাৰ্বি এডভেঞ্চাৰছৰ"। গোটেই খিনিৰ ভিতৰত সিয়ে সৰু। আজি ডীপ ডিফেন্সত হয়তো এলেন ইংতি আৰু দিলীপ লেবাঠেই খেলিব। কিয়নো সেইদিনা লামডিঙত হোৱা খেলত অন্যতম ডিফেন্স ঐৰাৱত সিঙে আঁঠুত ভালকৈয়ে আঘাট পালে। চাইড ডিফেন্সত খেলিব নিৰ্মল হাজগেৰ আৰু ছত্ৰসিং ইংতিয়ে। অধিনায়ক প্ৰবীন মেহেলাই হয়তো হাফত খেলিব। তাৰ মনটো কোঁচখাই গ'ল। কিয়নো আজিও সি হাফতে খেলিব লাগিব। তাৰ খুউব ইচ্ছা আছিল ষ্ট্ৰাইকাৰ হিচাবে খেলি ভাল স্কৰ দুটামান কৰিবলৈ। কিন্তু মেজৰ গেম বিলাকত স্বৰ্গিয়াৰী চাৰে কেতিয়াও তাক ষ্ট্ৰাইকাৰ হিচাবে খেলিবলৈ নিদিয়ে। প্ৰবীনদাৰ লগত অৰণ্যে খেলিবলৈ ভাল। আজিও স্বৰ্গিয়াৰী চাৰ দলৰ লগত যাব, ষ্ট্ৰাইকাৰ হিচাবে থাকিব বোলে আৰু মণি। বুলেট মানে হীৰালাল কাবুই। হীৰালালে বল পালে প্ৰচণ্ড গতিৰে যোৱা বাবে তাক লগৰ খিনিয়ে বুলেট নাম দিছে। আনহাতে মণি তামাউৰ দুই ভৰিত আছে তীব্ৰ শ্বট; বিশেষকৈ বক্সৰ ওচৰত বল পালে যে মণিয়ে গললৈ এটেম্প্ট লবই আৰু চিঅ'ৰ শ্বট। উইঙত থাকিব দুই ভাই ককাই চন্দ্ৰ সিং তিছ' আৰু ৰবিন তিছ। দুয়োটাৰে বল মাইনাছ কৰিব পৰা ক্ষমতা আৰু উইংপ্লেৰ বহুতো অভিজ্ঞতা আছে। গ'লত থাকিব সদা জাগ্ৰত ছেমুৱেল বে'। গতিকে সাতে

পাঁচে মিলি আজি খেল বাৰুকৈয়ে হ'ব। ইফালে নগালেণ্ড পুলিচত আছে আন্তঃৰাষ্ট্ৰীয় ষ্ট্ৰাইকাৰ আকুম আৰু বহুতো অভিজ্ঞতাৰে পৰিপূৰ্ণ ওঁকা, অজেক, কিহোটো আৰু জাই-ৰেম থাং তথা চেন্টি ইত্যাদি। বুটযোৰ পলিচ কৰি থাকোতেই ছবিৰ দৰে সকলো কথা তাৰ মনলৈ আহি থাকিল।

৯ মান বজাত সি ভাত কেইটা নাকে মুখে গুজি বায়েক এলিজাৰ পৰা টকা ২০ টা খুজি তাৰ স্পৰ্টছ বেগটোত বুট, বেন্দেজ, ষ্টকিংচ, হাফপেন্ট আদি ভৰাই মাকক ৰিঙিয়াই মাঞ্জা তিনি আলিলৈ ওলাই গ'ল।

বাটতে দেউতাকক কেইবাজনো মানুহৰ সৈতে দাৰ্মছৰ দোকানৰ মুখত কথাপাতি থকা দেখা পালে।

"বাবাই তই যাবই নে? কিহত যাবিনো? কাউন্সিলে গাড়ী লৈ আহিব হবপায় নহয়?" দেউতাকে তামোলৰ পিক পেলাই কলে।

"অঁ, কালি মোক স্বৰ্গিয়াৰী চাৰে মাঞ্জা তিনি আলিত থাকিবলৈ কৈ গৈছে। ১০ মান বজাত সিহঁত কাউন্সিলৰ বাছত আহিব।" সি ঘূৰি চাই কৈ থৈ গ'ল।

"যা তেনেহ'লে।" দেউতাক মানুহ কেইজনৰ সৈতে কথা পতাত লাগিল।

( পাঁচ )

প্ৰায় চাৰে দহ মান বজাত মাঞ্জা তিনি আলিত কাউন্সিলৰ বাছখন আহি ৰ'ল। বাছৰ খিড়িকিয়েদি মূৰ উলিয়াই এলেন, বুলেটহঁতে তাক কলে "কি, নেখেলো বুলি ভাবিছিলি নেকি?"

"আও! ভাল কথা কৈছ! বুলেটহঁতে খেলিলে নেখেলাকৈ থাকিব পাৰোনে"। এই বুলি সি বাছত উঠি দেখিলে যে, কাউন্সিলৰ লগতে কাৰ্বি এডভেন্সাৰছৰ তথা ক্ৰীড়া সন্থাৰো বহুত মানুহ। তাৰ চিনাকি মানুহবোৰক দেখি বৰ ভাল লাগিল। তাৰ লগৰ ধীৰেণ, জাষ্টিন, মাৰকাতহঁতৰ মাজতে সিও বহি পৰিল। আৰু তাহাঁতৰ মাজত যতি নপৰা আলোচনা হবলৈ ধৰিলে।

মাজতে তাৰ বাছতে টোপনি ধৰিছিল। প্ৰায় ১-৩০ মান বজাত সিহঁত ডিমাপুৰ পাৰ হৈ নিছ গাৰ্ভৰ ওচৰৰ খাইবওৰ ড'নবস্ক ষ্টেডিয়াম পালেগৈ। ষ্টেডিয়ামৰ চৌকাষে মানুহৰ ভীৰ দেখি কুডিলৰ ভাল লাগিল। মনতে ভাবিলে আজি কিবা এটা কৰি দেখুৱাব লাগিব। বাছখন ষ্টেডিয়ামৰ গেটৰ আগত ৰ'ল। আৰু সিহঁত এজন এজনকৈ ষ্টেডিয়ামৰ ড্ৰেচিং ৰুমলৈ গ'ল। ষ্টেডিয়াম বুলি সম্পূৰ্ণ গেলেৰীৰে সৈতে পেভিলিয়ান নাই যদিও ফিল্ডখন সুন্দৰ নিমজ আৰু চৌফালে ইটা তথা মাটিৰ চাপৰ চাপৰ গেলাৰী। সিহঁতে দেখিবলৈ পালে যে নগালেণ্ড পুলিচ দলৰ খেলুৱৈ সকলে ৱাৰ্ম আপ কৰি আছে।

( ছয় )

ড্ৰেচিং ৰুমত স্বৰ্গিয়াৰী চাৰে সিহঁতক সোনকালে ওলাবলৈ ক'লে। কিয়নো চিনাকি পৰ্বতো কিছু সময় লাগিব। আটাইৰে ড্ৰেচকৰি হোৱাৰ পাছত স্বৰ্গিয়াৰী চাৰে গা-গৰম কৰিবলৈ ৱাৰ্ম আপ কৰিবলৈ নিৰ্দেশ দিলে। ৱাৰ্ম আপ কৰি নিজৰ মাজতে বললৈ কন্ট্ৰোল, জাগলিং ইত্যাদি কৰোতেই ১৫-২০ মিনিট গ'ল। খেল আৰম্ভ হোৱাৰ ১৫ মিনিট আগতে স্বৰ্গিয়াৰী চাৰে সকলোকে ওচৰলৈ মাতি আনি কোনে কেনেকৈ খেলিব লাগে তাৰ কিছু আভাস দিলে।

চৌদিশৰ খেল প্ৰেমী ৰাইজ আৰু ৰঙা পেন্ট তথা ৰঙা জাৰ্চি পৰিহিত শক্তিশালী পুলিচৰ দলটোক প্ৰতি পক্ষত দেখা পাই প্ৰথমে ভয় ভয় লাগিছিল যদিও কেপ্তেইন প্ৰবীনদাই সকলোকে অভয় দিলে। বগা পেন্ট জাৰ্চিৰে কাউন্সিলৰ দলটোৰো শাৰীৰিক সক্ষমতা কম নাছিল। যথা সময়ত চিনাকি পৰ্ব শেষ হোৱাৰ পাছত ৰেফাৰীয়ে খেল আৰম্ভ হোৱাৰ সংকেত দিলে।

নগালেণ্ড পুলিচ আৰু কাৰ্বি আংলং জিলা পৰিষদৰ মাজত তৃতীয় বাৰ্ষিক "চিংবাং কন্যাব্য" সোঁৰৰণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেল আৰম্ভ হ'ল।

নিজৰ দলৰ হৈয়েই আগৰ খেল কেইখনত খেলা নাছিল বাবেই ফিল্ডখনত খাপ-খুৱাই লবলৈ কুডিলৰ কিছু সময় লাগিল। নগালেণ্ড পুলিচদলটোৱে চেন্টাৰ কৰিয়ে বিদ্যুৎ গতিৰে খেলা আৰম্ভ কৰিলে। লগে লগে খেল প্ৰেমী নগা ৰাইজৰ চিঞৰ-বাখৰ আৰম্ভ হ'ল। কুডিলৰ প্ৰথমে নাৰ্ভাচৰ দৰে হৈছিল যদিও তাৰ খেয়াল হ'ল যে

তাক ফিল্ডত এনেয়ে নমোৰা নাই। উপৰ্যুপৰি কেইবাটাও আক্ৰমণ পাৰ হৈ যোৱাৰ পাছত ৰুডিলে অলপ নামি ডিফেন্সক সহায় কৰিলে। কিয়নো যোৱামাৰ ছাব জুনিয়ৰ খেলোতে সিহঁতৰ প্ৰশিক্ষক আব্দুস লটিফ চাৰে কৈছিল যে ভাল হাফৰ কাম হ'ল নিজৰ দলৰ বাবে আক্ৰমণ প্ৰস্তুত কৰাৰ লগতে বিপক্ষৰ মুভ বিলাক নষ্ট কৰি ডিফেন্সক সহায় কৰা। সেই কথা মনত ৰাখি ৰুডিলে পিছলৈ খেলি প্ৰতিপক্ষৰ ভৰিৰ পৰা বল কাঢ়ি লবলৈ চেষ্টা কৰিলে।

এইদৰে খেলৰ প্ৰায় পোন্ধৰ মিনিট মান গ'ল। বল দুয়োপক্ষৰ সমান দখলত। এবাৰ কাউন্টাৰ এটেক্ এটাত হঠাৎ বল কাৰ্বি আংলঙৰ ডিফেন্সত সোমাই খেলি-খেলি অৱস্থা এটাৰ সৃষ্টি কৰিলে। তেনেতে বলটো এলেনে ক্লিয়েৰ কৰিছিল যদিও বক্সৰ ভিতৰত বলটো এলেনৰ হাতত লগা বুলি সন্দেহ কৰি ৰেফাৰীয়ে কাৰ্বি আংলঙৰ টিমৰ বিপক্ষে পুলিচ দলক পেনাল্টিৰ সুবিধা দিলে। ৰুডিলৰ মনটো মৰি গ'ল। নাগালেণ্ডৰ পুলিচ ১—০ গলত আগবাঢ়ি থাকিল। গল খাই ৰুডিলহঁত কিন্তু দমি নগ'ল। ইয়াৰ প্ৰায় আঠমিনিট মানৰ পাছত নিজৰ হাফত প্ৰবীনে বল পাই ৰুডিললৈ এটা নিখুঁত ক্ৰচ পঠিয়ালে। ৰুডিলে বলটো আয়ত্ব কৰি পুলিচৰ দুজন খেলুৱৈক ড্ৰিবল কৰি সম্পূৰ্ণ অৰক্ষিত অৱস্থাত থকা মনিলৈ আগবঢ়াই দিলে। মনিয়ে কোনো ভুল নকৰাকৈ নিখুঁতভাৱে প্ৰথম পাকত বলটো প্লেছিং কৰি গলকীপাৰক পৰাভূত কৰিলে। খেলৰ পঁচিশ মিনিট যোৱাত ফলাফল ১—১। ইয়াৰ পাছতো ৰুডিলে কেইবাটাও আক্ৰমণ ৰচনা কৰিলে। বুলেট আৰু ৰবীনহঁতলৈ কেইবাটাও বল চাপ্লাই কৰিছিল যদিও সিহঁত মাৰ্কিঙত থকাৰ বাবে সফল নহ'ল। মাজতে চন্দ্ৰ ত্ৰিচ'ৰ এটা কোৱাল শ্বট গলকীপাৰে কোনোমতে কৰ্ণাৰৰ বিনিময়ত প্ৰতিহত কৰিলে। ইতিমধ্যে সমগ্ৰ দৰ্শকৰ চকু ৰুডিলৰ ওপৰত নিমজ্জিত হ'ল। দৰ্শকসকলে ৰুডিলৰ জাৰ্চিৰ নম্বৰ চাই চিঞৰিবলৈ ধৰিলে। প্ৰথমাৰ্দ্ধৰ খেল শেষ হ'ল।

পাঁচমিনিট মানৰ পাছতে খেল পুনৰ আৰম্ভ হ'ল। এইবাৰ ৰুডিলৰ দলত কিছু পৰিবৰ্তন কৰিবলগীয়া হ'ল। আঘাট পোৱাৰ বাবে মনি ওলাই অহাত ৰুডিলক ষ্ট্ৰাইকাৰ পজিচনত খেলিবলৈ কোৱা হ'ল আৰু হাফত চাবষ্টিটিউট ধনীৰাম টিমুং সোমাল। দ্বিতীয়াৰ্দ্ধৰ দহ মিনিটমান সময় উকলি যোৱাৰ পাছত ধনীৰামৰ লংপাচ এটা আয়ত্ত কৰি চন্দ্ৰ ত্ৰিচ'ই তীব্ৰ গতিৰে ৰাইট উইং পজিচনত দৌৰিবলৈ ধৰিলে। নাগালেণ্ড পুলিচৰ ডিফেন্সৰ এজনে তেওঁক বাধা দিবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল। ৰাইট ফ্ৰেঙ্কৰ পৰা তেওঁ এটা নিখুঁত মাইনাচ পেনাল্টি বক্সৰ প্ৰায় সীমাতে দিলে। এটা সুন্দৰ চালে চকুৱোৱা গ'ল! কাৰ্বি আংলঙ দল ২—১ গলত আগবাঢ়ি আছে। খেল শেষ হ'বলৈ কেইমিনিটমান থাকোতে ৰুডিলে পুনৰ বল পাই তীব্ৰগতিৰে বিপক্ষৰ বক্সৰ সীমাৰ ভিতৰত সোমাই পৰিলে। সি বলটো আৰু অলপ ঠেলি সুবিধা কৰি লওঁ বুলি আগলে আগবাঢ়োতেই বিপক্ষৰ ডিফেন্দাৰ এজনে তাক প্ৰচণ্ডভাৱে টেকল কৰি ওফৰাই পেলালে। আৰু লগে লগেই সি বোধহয় জ্ঞান হেৰুৱাই পেলালে।

(সাত)

১৬ অক্টোবৰ ১৯৮৬। ৰাতিপুৱা ডিমাপুৰ চিভিল হস্পিটালৰ ওচৰত অসংখ্য খেলপ্ৰেমী ৰাইজ আৰু কাৰ্বি আংলঙৰ বহু মানুহৰ ভীৰ। হস্পিটালৰ চাৰ্জিকেল ৱাৰ্ডৰ ওচৰত প্ৰবীণ মেহেলা, চন্দ্ৰ ত্ৰিচ', স্বৰ্গিয়াৰী চাৰ তথা কাৰ্বি আংলং জিলা পৰিষদৰ কেইবাজনো মানুহৰ উৎকণ্ঠাৰে ভৰা মুখবিলাক দেখি ধাৰণা কৰিব পাৰি যে গুৰুতৰ কিবা এটা হৈছে।

কিছুসময়ৰ পাছত ভিতৰৰ পৰা ওলাই অহা স্বৰ্গিয়াৰী চাৰক প্ৰবীণকে আদি কৰি কেইবাজনেও ঘেৰি ৰুডিলৰ অৱস্থা কেনেকুৱা সুধিলে। স্বৰ্গিয়াৰী চাৰে কলে যে ডাক্তৰৰ মতে সোনকালে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজলৈ নিব নোৱাৰিলে ৰুডিলক পুনৰ ঘূৰাই পোৱাৰ আশা ক্ষীণ। সি হেনো লাংচ আৰু হাৰ্টত ভয়ানক ভাৱে আঘাত পাইছে। আগদিনাৰ খেলত জিকিও কাৰ্বি আংলং ডিষ্ট্ৰিক্ট কাউন্সিলৰ সদস্য সকলৰ মন ভাল নহয়। প্ৰায় ১২ মান বজাত দেউতাক আহি পোৱাত ডিমাপুৰ চিভিল হস্পিটালৰ এম্বুলেন্সত তাক ডিব্ৰুগড়লৈ লৈ যোৱা হ'ল।

(আঠ)

১৭ অক্টোবৰ, ১৯৮৬ চন। সময় পুৱা ৮ বজাত, ফাংচৰণ গাঁৱৰ গাঁওবুঢ়া ছমিন ছাংমাৰ ঘৰৰ আগচোতালত লোকে লোকাৰণ্য হৈ আছে। মানুহবোৰৰ মুখবোৰ গোমা;



# সেঁৱৰণী

জাফ্ৰিণ আৰা আহমেদ
উচ্চতৰ মাধ্যমিক (দ্বিতীয় বাৰ্ষিক, বিজ্ঞান)

আজি পুৱাৰে পৰা বতৰটো বৰ গোমোঠা। বতৰৰ লগে লগে মোৰ মনটোও যেন আজি এচমকা ক'লা ডাৱৰে ছাটি ধৰিছে। মই নৈৰ ঘাটতে জঠৰ হৈ বহি আছোঁ। দুপৰীয়াৰ নিস্তব্ধ ঘাটত বহি বহি মোৰ মন পখী উৰা মাৰিছে দহবছৰৰ আগৰ এটা দিনলৈ। ঘটনাটোৰ কথা মনত পৰি মোৰ বুকুখন বিষাই গৈছে। চকুৰ আগত ভাঁহি উঠিছে দুটি আজলী নয়ন— মোৰ মানুহজনীৰ আৰু মোৰ কেঁচুৱাটোৰ সুকোমল দেহটি। উঃ, মোৰ মূৰটো যেন ঘূৰাইছে।

.......সেইটো অ ছিল মোৰ বাবে এটা অভিশপ্ত দিন। সেইদিনা কাহিলিপুৱাতে উঠি সান্দহ গাখীৰ গুড়েৰে জলপান আৰু চাহপানী বাটি খাই মুখত গুৱাখন লৈ পথাৰলৈ বুলি ওলালো। কান্ধত হালখন লৈ খৰ খোজেৰে পথাৰ পালোগৈ। আমতলীৰ মাটিড়ৰাত এইবাৰে সৈতে তিনিচাহ হালবোৱা হ'ব। মাটিখিনি ভালকৈ বোকা হৈছে। ইয়াত এইবাৰ জহাধান দিম বুলি ভাবিছোঁ। হঠাৎ মই কল্পনাৰ সাগৰত ডুব গ'লো। মই আৰু মোৰ মৰমৰ মানুহজনী চম্পাই পথাৰৰ সোণালী ধাননি ভৰাৰ মাজত যেন নাচি ফুৰিছোঁ। পকা ধানৰ জিৰি জিৰি শব্দই আমাৰ মন উতলা কৰিছে। আকৌ হঠাত বাস্তৱলৈ ঘূৰি আহি মোৰ নিজৰেই লাজ লাগি গ'ল। বেলিটো লাহে লাহে মূৰৰ ওপৰত উঠিলেহি। লৰা-লৰিকৈ হাল সামৰি নৈত ভৰি-হাত ধুই গৰুকেইটাক পানী খুৱাই ঘৰমুৱা হ'লো। আজি মোৰ মন বলিয়া, কাৰণ মই আজি যাম মোৰ শহুৰৰ ঘৰলৈ সিদিনা জন্মলোৱা মোৰ আইজনীক চাবলৈ। শহুৰৰ ঘৰটো খোৱাঙৰ এখন গাঁৱত। ইয়াৰ পৰা মটৰেৰে যাব লাগিব খোৱাঙলৈকে, তাৰ পৰা বাকীচোৱা বাট খোজকাঢ়ি। মোৰ মনটো কিছুমান ভাৱে উগুল-থুগুল লগাই দিলে। গৈ পাই চম্পাক কি বুলি ক'ম, মোৰ আইজনী বা দেখাত কেনেকুৱা হৈছে ?

হঠাতে আকৌ আগৰ ঘটনাটো মনত পৰি শিয়ঁৰি উঠিলো। মনটোৱে যেন তালৈ যাবলৈ নকয়। আজি চাৰি পাঁচমাহ মানৰ আগতে চম্পাৰ মাক-দেউতাক আহিছিল তাইক নিবলৈ। সেই সময়ত মোৰ আইৰ টান নৰিয়া। ঘৰখনত আন মানুহ বুলিবলৈ চম্পা আৰু মই। সেইবাবে মই চম্পা যাব নোৱাৰাৰ অসুবিধাটো শাহুৰ-শহুৰক বুজাই বঢ়াই কলো। কিন্তু শহুৰে কোনোপধ্যেই কথাবোৰ বুজিব নোখোজে। একপ্ৰকাৰ জোৰ কৰিয়েই

---

**শেষ যাত্ৰা** (৪৫ পৃষ্ঠাৰ পৰা)

কাৰো মুখত মাত নাই ; মাজে মাজে গাঁওবুঢ়াৰ ঘৈণীয়েক আৰু জীয়েকৰ করুণ বিননি শুনা গৈছে। চোতালত এটা শৱদেহ বগা কাপোৰেৰে ঢাকি খোৱা আছে।

'বাবাই অ'—— আজিৰ পৰা তই আমাক এৰি কলৈকো খেলিবলৈ যাব নালাগে ........। মই তোক খেলিবলৈ মানা কৰাৰ কাৰণেই তই খেলৰ লগতে মোকো এৰি গলিগৈ অ'........ বাবাই অ'........।

গাঁৱৰ কেইবাগৰাকী তিৰোতাই মাক আৰু জীয়েকক ধৰি থাকিল। ছমিন ছাংমাৰ মুখত মাত নাই। চকু কেইটা রুক্ষ আৰু শুকান। দূৰৰ পাহাৰৰ চূড়াটোলৈ চাই উদাস ভাৱেৰে তেওঁ এটা হুমুনিয়াহ এৰিলে।

তেওঁলোকে চম্পাক লৈ গৈছিল। মোৰ ভীষণ খং উঠিছিল আৰু খণ্ডত একো নাই হৈ জীৱনত পোন প্ৰথমবাৰৰ বাবে চম্পাক এটা চৰ শোধাইছিলো। তাই মুখেৰে একো কোৱা নাছিল, মাথো অশ্ৰুসিক্ত নয়ণ দুটিৰে মোলৈ একেথৰে চাই আছিল। তাৰ পাছৰ পৰা চম্পাৰ লগত মোৰ দেখাদেখি হোৱা নাই।

মই নোযোৱা দেখি ভয় খাই শহুৰে গম নোপোৱাকৈ এবাৰ শাহু আৰু সৰুজনী খুলশালী আহি আমাৰ ঘৰ ওলালহি আৰু মোক তেওঁলোকৰ ঘৰলৈ গৈ চম্পাক লৈ আহিবৰ বাবে অনুৰোধ জনালে। হাজাৰ হওক মাকজনীয়েনো জীয়াই থাকোঁতে জীয়েকৰ দুখ সহ্য কৰে কেনেকৈ! তথাপিও মোৰ খং মাৰ যোৱা নাছিল। তেওঁলোকক ভাল ব্যৱহাৰ কৰিবলৈ মনটোক বাৰে বাৰে কৃত্ৰিমভাৱে প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিও মই হতাশ হৈছিলো। তেওঁলোক লাজ-অপমানত জৰ্জৰিত হৈ উভতি গ'লগৈ। পাছত কথাটো কেনেবাকৈ শহুৰে গম পাই মোৰ ওপৰত খণ্ডত অগ্নিশৰ্মা হৈ পৰিছিল।

লাহে লাহে দিন বাগৰিল। মই প্ৰতি মুহূৰ্ত্ততে চম্পাৰ অনুপস্থিতি বাৰুকৈয়ে উপলব্ধি কৰিবলৈ ধৰিলো। সকলো লাজ-মান কাটি কৰি থৈ মোমাইদেৱক জোৰ কৰি পথালো চম্পাক গৈ লৈ আনিবলৈ। কিন্তু মোৰ মোমাইদেউক শহুৰে শেষ বাৰৰ বাবে স্পষ্টভাৱে শুনাই দিলে যে তেওঁ তেওঁৰ জীয়েকক কোনো পধ্যেই আমাৰ ঘৰলৈ পঠিয়াব নোখোজে আৰু এই সংক্ৰান্তত ভৱিষ্যতে তেওঁক কোনেও আমনি নিদিবলৈ সাৱধান কৰি দিলে। কথাটো আহি মোমাইদেৱে মোক জনালে আৰু মই এবাৰ নিজে চেষ্টা কৰি নোৱাৰিলে পুলিচৰ সহায় লৈ চম্পাক লৈ আহিম বুলি সিদ্ধান্ত ললো। অহু-কাণে পহু কাণে গৈ কথাটো তেওঁলোকৰ কাণত পৰিছেগৈ বুলি মই জনা নাছিলো।

যথা সময়ত চম্পাৰ এটি কন্যা সন্তান জন্ম হ'ল বুলি শুনিলো। কথাটো শুনাৰ লগে লগে মই আৰু মনটোক বান্ধি ৰাখিব নোৱাৰিলো।

.......গৰুহালক দানা পানী খুৱাই হাত ভৰি ধুই আগদিনাই ধুই পথালি থোৱা চোলা পেণ্টযোৰ পিন্ধি মূৰত মিঠাতেল এটুপি লৈ চুলিখিনি পোনাই ললো। আয়ে বাঢ়ি দিয়া ভাত দুগৰাহমান নাকে মুখে গুজি আইক সেৱা এটি কৰি খোজেৰে আহি প্ৰধান আলিত উঠিলোঁহি আৰু আলিৰ কাষতে বহি বিড়ি এটা জলাই লৈ খোৱাং অভিমুখী মটৰৰ বাবে অপেক্ষা কৰি ৰ'লো। তেতিয়া আকৌ আজিকালিৰ দৰে গাড়ী মটৰৰ ইমান সুবিধা নাছিল। তিনিঘণ্টামান ৰোৱাৰ পাছত মিলিটেৰী ভান এখন যোৱা দেখি ৰঙতে জঁপিয়াই হাত দাঙি দিলো। সম্ভৱ মোৰ কপাল ভাল আছিল। গাড়ীখন মোৰ কাষতে ৰৈ গ'ল। তেতিয়া কিয় জানো এটা অজান শংকাই আগবঢ়াতি বাধা দিছিল। তথাপি মই ভয়ে ভয়ে মিলিটেৰীজনৰ কাষ চাপি সকলো কথা ভাঙিপাতি ক'লো। তেতিয়া তেওঁ মোক গাড়ীত তুলি ললে। মনতে নেদেখাজনৰ প্ৰতি মূৰ দোৱালো। গাড়ীখন আহি ডিমৌ পালেহি আৰু তাতে মিলিটেৰী জনে চাহ খালে। মইও নামি চাহ এগিলাছ খাই দোকানৰ আগফালে কাঠৰ আলমাৰীত সজাই থোৱা মিঠাইবোৰ চাবলৈ ধৰিলো। হাতত সৰহীয়াকৈ টকা নাই আৰু মন গৈছে চম্পালৈ মিঠাই নিবলৈ। মিলিটেৰী জনে মোৰ মনৰ ভাব বুজিব পাৰি দহ টকাৰ জেলেপি আৰু নিমকি কিনি মিঠাইৰ টোপোলাটো মোৰ হাতত দিলে। দুয়ো আহি গাড়ীত উঠিলোহি। এই মিলিটেৰীজনৰ নিচিনা মৰমীয়াল মানুহ জীৱনত আৰু দেখা নাই। তেওঁক মোৰ শহুৰৰ ঘৰলৈ যাবলৈ লগ ধৰাত মান্তি হ'ল। অৱশেষত আমি খোৱাং পালোহি। প্ৰধান পথতে গাড়ী ৰখাই তেওঁ আৰু মই পথাৰৰ গো-বাটেদি শহুৰৰ ঘৰলৈ বুলি খোজ ল'লো। যিমানেই ঘৰটো ওৰে চাপি আহিছে সিমানেই মোৰ মনটো ব্যাকুল হৈ পৰিছে। সেইদিনা কিন্তু গাঁৱৰ লোকসকলে মোক আনদিনাৰ দৰে আদৰা নাছিল। লগত মিলিটেৰীজন থকাৰ বাবে অলপ সন্দেহৰ চকুৰে চাইছিল। যিকি নহওঁক যথা সময়ত শহুৰৰ ঘৰ পালোহি। সেই সময়ত শহুৰ পথাৰত আছিল। মই অহাৰ কথা শুনিয়েই চম্পা ওলাই আহি মোক সেৱা জনালে, তাইৰ দুগালেদি বৈ আছিল দুটাপাল আনন্দাশ্ৰু। কোনেও নেদেখাকৈ তাই আঁচলেৰে চকুপানী মচি মোৰ বতৰা লৈছিল। আইৰ কথা সুধিছিল। মই কেঁচুৱাটি দেখি একো ক'ব নোৱাৰা হৈ তাইক পাৰে মানে চুমা খালো। শাহু আৰু খুলশালী সকলোৱে মোক আথে-বেথে আদৰিছিল। মিলিটেৰীজনে আৰু মই তাত পিঠা-পনাৰে ভালদৰে চাহ

খালো। অৱশেষত আহিব ললো। মই টিপাতে চম্পাৰ হাতত টকা কুৰিটা গুজি দিলো। সকলোৰে পৰা বিদায় লৈ পদূলিত উঠিছোহি মাথোন, এনেতে পথাৰৰ পৰা শহুৰ আহি কথা নাই বতৰা নাই মোক হালোৱা এছাৰিৰে উধাই-মুধাই মৰিয়াবলৈ ধৰিলে। মোৰ লগৰ চিপাহীজনে মোক আঁৰ কৰি ধৰিবলৈ যাওঁতে তুই এছাত তেওঁৰ গাতো পৰিল। মই অবাক হ'লো। সকলোৰে বুজাই কোৱাতো শহুৰে নুশুনিলে, তেওঁ কাৰো কথা শুনিব নিবিচাৰে। মিলিটেৰীজন কাষৰ পথাৰলৈ নামি যোৱাত তেওঁৰ কাপোৰ বোকাৰে লুতুৰি-পুতুৰি হ'ল। আচলতে ঘটনাটো ওলোটা বুজিলি বাম হ'ল। গাঁৱৰ কোনোবাই বুঢ়াক কলে যে তোৰ জীয়েৰক জোঁৱায়েৰাই পুলিচ লৈ নিবলৈ আহিছে আৰু আৰু কৌৰ গোঁজ বুঢ়াই খণ্ডত একো নাই হৈ তুয়োকে পাৰেমানে মৰিয়ালে। এই কথাত মোৰ বৰ দুখ লাগিল। মাৰ-কিল খাই দুয়ো কোবা-কুবিকৈ আহি মটৰত উঠিলোহি। মই মনটো ভাল লগাবলৈ বুলি তিনিচুকীয়াত মোমাইদেউৰ ঘৰলৈকে গ'লো। অৱশ্যে মিলিটেৰী জনে কোনো বেয়া পোৱা নাছিল, তেওঁ কথাটো ভালদৰে বুজি পাইছিল। মইহে কথাটো সহজভাৱে লব নোৱাৰি সেই ঘৰত কোনো দিনে ভৰি নিদিওঁ আৰু চম্পাৰ মুখ নাচাওঁ বুলি আৰু গৰ বশৱৰ্ত্তী হৈ প্ৰতিজ্ঞা কৰি পেলাইছিলো। আজি সেই ঘটনাটোৰ ওপৰেদি দহবছৰ পাৰ হৈ গ'ল। আজিলৈকে মই তাত ভৰি দিয়া নাই। মাজতে এবাৰ শুনিছিলো চম্পাইও অসুখত পৰি চকু মুদিলে। তথাপিও বিবেকে মোক তালৈ যোৱাত বাধা দিলে। কিন্তু আজি এটা ঘটনাই মোক বাৰুকৈয়ে আমনি কৰিছে। কালি মোক মাহীদেৱে ক'লে যে তেওঁ খোৱাওত বিয়া এখন খাবলৈ যাওঁতে মোৰ ছোৱালীজনী লগ পাই আহিছে। তাইৰ হেনো সাইলাখ মোৰ দৰেই হৈছে মুখৰ গঢ়টো। বয়স এতিয়া দহ বছৰমান হ'ব। তাইক চাবলৈ আজি আকৌ মোৰ মনটোৱে কান্দি উঠিছে, মই ব্যাকুল হৈ পৰিছো। যেনেকৈ তাইক কেঁচুৱাতে চাবলৈ ব্যাকুল হৈ পৰিছিলো।

'বুদ্ধিজীৱি' শব্দটো দৰাচলতে ইংৰাজী Intellectual' শব্দটোৰ সমাৰ্থক। এই শব্দটোৱে এনেকুৱা মাথোন এমুঠি মানুহকহে বুজায়, চিন্তাৰ অনন্ত সাধাৰণ দৃষ্টিভঙ্গী যাৰ বৈশিষ্ট্য, প্ৰমূল্যৰ অন্বেষণ যাৰ লক্ষ্য বস্তু, ধ্যান-ধাৰণা যাৰ নিৰ্মোহ, প্ৰকাশৰ ভংগী যাৰ নিৰ্ভীকতাপূৰ্ণ...... এনেকুৱা মানুহবোৰ বহু সময়ত ক্ৰান্তদৰ্শীৰ পৰ্যায়ত পৰে।

— ড° মহেন্দ্ৰ বৰা

..... এখন সম্পূৰ্ণৰূপে হিংসা মুক্ত, শোষণমুক্ত আৰু অপৰাধমুক্ত সমাজতহে প্ৰত্যেক ব্যক্তিৰে মানৱ অধিকাৰ সুপ্ৰতিষ্ঠিত হ'ব পাৰে। কিন্তু মানুহৰ কল্পনাৰ সেই স্বৰ্গৰাজ্য বাস্তৱত কেতিয়াও পৰিণত নহয়; সি চিৰকাল হৈ থাকিব মানুহৰ এটা মহৎ স্বপ্ন, এটা মহতী কৰ্ম প্ৰেৰণা, এটা কম অপসৃয়মান লক্ষ্য। তাৰ আনুষংগিক পৰিণাম স্বৰূপে পৰম অৰ্থত মানৱ অধিকাৰো এটা বিমূৰ্ত আদৰ্শ বা ধাৰণা মাত্ৰ।

— হোমেন বৰগোহাঞি

## কবিতা

উচ্চতৰ ১ম বাৰ্ষিকৰ ছাত্ৰ

**দীপক কুমাৰ বড়াৰ—**

# : তেজ ফুল পানী আনুসঙ্গিক :

**( কবি নৱীন ফুকন সমীপেষু )**

**প্ৰস্তাৱনা—**

বস্তুতঃ মানুহ কঠিন নহয়। তেজৰ চেঁকুৰা সনা
সীমান্তৰ সৈনিকৰ স'তে এৰাতি শুলেও মানুহ অন্তুতঃ কঠিন নহয়।
( জোনাকৰ জৰায়ুত পৃথিৱীক চুমা খাই তাহানি দাদাই কৈছিল :
দীপক, প্ৰেমৰ কবিতা নিলিখিবা নিলিখিবা : বয়সে অলৰ কৰা
আইতাক বুঢ়ী বুলি কাহানিও নক'বা। )

**কবিতা—**

( ১ )

মোৰ চৌখিন তুপৰীয়াৰ অৰঙে দৰঙে
তুমি ব'হাগক বিচাৰি ফুৰা তৰাফুলী ৰাতি
বৈৰীহীন প্ৰেতাত্মাৰ তুমি ছেদেলি ভেদেলি হৈ
পৰি ৰোৱা পৃথিৱীৰ অন্তিম বিননি।
বহাগৰ তেজ সনা তুমি মোৰ চৌখিন আলাপ যাপন ;
তুমি পৃথিৱীৰ প্ৰথমত্তম প্ৰেমিক প্ৰহৰী।
সকলো ফুল ফুলাৰ পৰা হ'লে
অন্তুতঃ আশাৰো কিছুমান সীমা থাকিব লাগে
জুই হোৱা বৰফ তুমি
নুবুজা আকাশ সনা তোমাৰ চাৱনি
মেজাংকৰি জোনাকত উপলা পৃথিৱী
কেন্ত'কি কৰ'লিনা মিচৌৰী দিচাং কপিলী
মই প্ৰথমত্ব প্ৰেমিক পৃথিৱী

( ২ )

কথাবোৰ কাকোৰেই নক'বা। গমি-পিতি চাবা।
বিহু তলিলৈ অহাৰ আগতে আকৌ এবাৰ
দকৈ গমি চাবা কথাবোৰ। মনত থৰা :
হৃদয় গৰকা এখন আকাশৰ কথাহে আইতাই আমাক কৈছিল।

সাৰাংশ

মোক মৰম নকৰিবা; মই নিষ্ঠুৰ হ'ব খোজো।
মই ইমান জটিল হ'ব নিবিচাৰোঁ; মোক কবিতা নসজাবা।
অহংকাৰী বিশ্বৰ দৰে মাত্ৰ মই গাব খোজো :
"তোৰো মনে গ'লে মোৰো গ'লে..."

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰী
আইমনু সোণোৱালৰ

## প্ৰেমিক

অৰণ্য নদী আৰু পথাৰ
মোৰ ইমান প্ৰিয় যে—
এই তিনিওৰে বাবে মই
নিৰ্বিবাদে আঁকোৱালি
লব পাৰো মৃত্যু

প্ৰতিটো প্ৰান্তসতে মই
চুমা খাওঁ গছ
স্পৰ্শ কৰো নদী
আৰু আলিংগন কৰো পথাৰ

অৰণ্যৰ প্ৰতিজোপা গছত
লেখি যাওঁ মানুহৰ কবিতা
নদীৰ পাৰ আৰু পানীত
চুই চাওঁ ইতিহাস

পথাৰত মুখ থৈ
অনুভৱ কৰোঁ
মাটি আৰু শস্যৰ সুঘ্ৰাণ

অৰণ্য, নদী আৰু পথাৰ
এই তিনিওৰে মই
আশৈশৱ প্ৰেমিক
এই তিনিওৰে বাবে মই
আঁকোৱালী লব পাৰো মৃত্যু

হে অৰণ্য,
হে নদী,
হে পথাৰ,
আহা তুমিও আঁকোৱালি
লোৱা মোক
মই তোমাৰ আশৈশৱ প্ৰেমিক।

উচ্চতৰ ২য় বাৰ্ষিকৰ ছাত্ৰী

তৃষ্ণা নেওগৰ

## ঃ অ ন্ত ৰং গ ঃ

যন্ত্ৰণাকাতৰ একোটা মুহূৰ্তত
দুৰ্বাৰ ইচ্ছা হয়
সাৰটি লবলৈ
এটি নিষ্পাপ শিশুৰ উমাল হাঁহি,
ইচ্ছা হয়
জুয়ে পোৰা দিনৰ
অসহায় কলিজাত সানি লবলৈ
জেতুকাবুলীয়া আশাৰ প্ৰলেপ
মাতাল নদীৰ দৰে
মোৰ অনুভূতিৰ অপৰাধবোধৰ প্ৰান্তৰত
সংগোপনে লেখি থৈছো
গোলাপ ফুলাৰ স্পৰ্শকাতৰ গান।

ধোঁৱাময় উপলব্ধিৰে
হেৰুৱা সপোনৰ খতিয়ান দি
দোঁ খাই পৰে তোমাৰ আলসুৱা প্ৰেম
যেন
চিনাকি শব্দই অনায়াসে কঁপাই তোলে
দেওলগা দুপৰ।

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰী

পলী চমুৱাৰ

## বিদায়

(ভণ্টি ঁনিৰলাৰ স্মৃতিত)

হাঁহিবোৰ থমকি ৰৈছিল
নিশব্দ অৰণ্যত
জোনাকী জাকে
মাজৰাতি ৰৈ ৰৈ উচুপিছিল
সেমেকা বতাহে
কঢ়িয়াই আনিছিল—
তোমাক
গুলচপহীয়া দুখ হৈ
সৰিছিল
স্মৃতি।

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ

কুমাৰ শৈলেন দিহিঙ্গীয়াৰ

## অপেক্ষা

বগলীটো জোপ লোৱাতে থাকিল
মূৰৰ ওপৰেদি তাৰ ক'ৰ নোৱাৰাকৈয়ে
পাঁচোটা বসন্ত পাৰ হৈ গ'ল।
ভৰ বাৰিষাৰ পানীৰ মাজত সি
নিজকে দেখিলে,
তাৰ কপালৰ পাখিবোৰ দাং খাই আছে
এইবাৰ সি ফৰিঙকে খাব
তথাপিতো অপেক্ষা নকৰে
উজানৰ বাবে।

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ
হাচান ইকবাল আহমেদৰ

## এটা ৰাতিৰ বুকুত প্ৰিয়াৰ স্কেচ্

গচকি বিদীৰ্ণ কাল
শ্ৰান্ত ক্লান্ত পৃথিৱীৰ
মন মিঠা কৰিতাৰ প্ৰসূত বেদনা।
তাই যেন সেই প্ৰথম গান,
বেদনাৰ জলৰাশি পয়োধি-নকল
প্ৰেৰণাৰ হাঁহি ফুলজাৰি! —
টোপ গিলা পখীটিৰ সতীব্ৰ লাৱণিত
তাই যেন ভৱিষ্যতৰ ছাঁয়ালীন আশা—
তাই যেন শাৰদীয় পূৰ্ণ বৰ্ষ প্ৰেম
কবিৰ কলম ভৰা সুবাসিক স্মৃতি
মালঞ্চ হিয়াত তোলা দুবৰি বনৰ প্ৰীতি
জীৱনৰ প্ৰথম প্ৰণয়
জিলিৰ পাখিত তোলা ৰৌদ্ৰ প্ৰয়াসী তান
প্ৰেৰণাৰ প্ৰাণ ভৰা প্ৰীতি—
সুঘোষিত বিজয়ৰ তাই যেন প্ৰথম
বিজয়ীৰ প্ৰতিবাদী স্বৰ,
কলিজাত কটা যোৰা আঙুলিৰ চাক্কে
নিৰক্ষৰা টিপচহী তায়েই।
বুঢ়ী ৰজনীৰ লহমা খোপাত
তাই যেন এপাহ চিৰ যৌৱন!
ব্যাপ্ত বিজুলীৰ মেজাংকৰি উৰ্দ্ধ হাতে
(আজি) তাইক পিন্ধাই দিলে,
জোৰোণৰ প্ৰথম গহণা,
বগা ৰঙা বৰণৰ পাথৰেৰে সজা
ৰূপোৱালী এখন হৃদয়····

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ
বোধিন চুতীয়াৰ

## জনতাৰ গান

অদূৰতে শুনো আজি জনতাৰ গান
চিঞৰি চিঞৰি গায়
সুললিত কণ্ঠেৰে,
দুখৰ হুমুনিয়াহেৰে ভৰা
এই গান,
য'ত আছে দুখৰ প্ৰাচীৰ
শূণ্য সুখৰ চিন
মাদকতা বিহীন
অন্নহীন দেহাৰে গোৰা
এই গান।
তেওঁলোকৰ ধ্বনিত প্ৰতিফলিত হয়
লক্ষ লক্ষ বেদনাৰ চাপ,
হাজাৰ কৰুণ বিননি, প্ৰেৰণাবিহীন
এই গান।
তেওঁলোকক প্ৰতিশ্ৰুতি দিয়া
হে অপাৰ কৰুণাময়
কোনদিনা হ'ব দূৰ এই দুখ
কোনদিনা গুছিব এই গান
কোনদিনা দেখিম জনতাৰ মুখে মুখে
সু-কোমল হাঁহি
কোনদিনা মাদকতাৰ মৃদঙ্গ বাজিব
আহক সেইদিন।

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ

**দ্বিপেন গগৈৰ**

## আবৃত্তি এটি কবিতাৰ

তুমি, মই
এৰা আমিয়েই
নিমাত শব্দৰে গঢ়া এটি শোকৰ কবিতা
মাটিৰ প্ৰথম চুমাত
চমকি
উচুপি
গোৱা এটি গান

শব্দবোৰ শব্দ হ'লে
হ'বনে কবিতা
শব্দবোৰ
জীৱন নহয়নে ?

ক'লা, বগা, হালধীয়া অজস্ৰ ৰঙৰ
শব্দৰে
সৃষ্টি হওক ৰঙীন কবিতা
আৰু জীৱনৰ হাঁহি।

স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ

**লোচন কুমাৰ কুটুমৰ**

## অনুভৱৰ অস্তিত্ব

একোটা দেহ
আৰু
শিল বালি পুষ্ট একোটা ৰবট
শব্দৰ আঘাত বুজে
শুনি প্ৰত্যুত্তৰ দিব পাৰে দুয়োৰে।

এতিয়া
চেতনালব্ধ বাবেই তেজাল বিবেক ঢালি
বিচাৰিছে অস্তিত্ব
নিষ্পেষণৰ অবলুপ্তি
বুকুৰ ৰঙাখিনিৰে প্ৰক্ষালিত
সিহঁতৰ জড়পুষ্ট
দেহবোৰ
কণ্ঠলগ্ন তীব্ৰতাত জুই আৰু ধোঁৱাৰ মাজত।

স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ

**প্ৰথমাছ কুমাৰ বৰুৱাৰ**

## শেলুৱৈ আবৰা ইস্তাহাৰ

শিশুতো নহয়
কান্দিবলৈ
বিবস্ত্ৰা হিয়াত
এজাক ভোকাতুৰ সন্তান
হৃদয় উজাৰি ভাল পায়—
পৃথিৱী আৰু প্ৰেম।
পূৰ্ণিমা নিশা
চিকুমিকায়
শেলুৱৈ আবৰা এখন ইস্তাহাৰ
লেখা আছে—
"পৃথিৱী আৰু মাতৃ'।

অধ্যাপিকা কল্পনা সেনগুপ্তা বৰুৱাৰ

## উৎকণ্ঠা

এতিয়া, অৰাজকতাৰ গৰাহত নিমজ্জিত
স্বদেশ, স্বজন
মৃদু জোকাৰতে সাৰ পাই উঠে
অস্থিৰ অঘৰী চিত্ত।

ভয় শঙ্কা চিন্তাক ব্যতীত হয়
উজাগৰী সময়
সুখ, স্বপ্নৰ মধু নিশা
এতিয়া মাথোঁ দুৰাশা।

ক্ষুধা, তৃষ্ণা, নিদ্ৰা কেনি লুকাল ?
চিন্তাৰ দোমোজাত সকলো হেৰাল।
প্ৰহৰে প্ৰহৰে প্ৰহৰীৰ দৰে
প্ৰহৰ গণি
পাৰ হয় নিশা যেন অভিসাৰিণী

প্ৰভাতী পখীৰ সুৰদী মাতত
খক্ খকাই উঠে
অজানিতে জাপ যোৰা
ভাগৰুৱা দুপতা

স্বদেশত এতিয়া
কোনদিশে বৈছে বতাহ
সঠিক বাতৰি মই পাম নে
কাহানিবা, কাৰো পৰা !!

স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ ( কলা )

বাবুল গগৈৰ

## মই কবি স্থিতপ্ৰজ্ঞ

শাৰদীয় পূৰ্ণিমাৰ নিশাত
এখন সেউজী হিয়া
চন্দ্ৰমল্লিকাৰ নিৰঞ্জন আভাৰে
জিলিকি উঠে
তথাপিও নাই যাৰ মল্লিকাৰ আকুলতা
তেওঁ বাৰু কোন ?
সেইজনেই মই !
মই মানৱ স্থিতপ্ৰজ্ঞ।
মোৰ কল্পনা বিলাসী পঁজাটি
অজস্ৰ স্বৰ্ণৰে আবৃত,
পিৰালি কাষৰ ভুৰবি ডবাত
নাচি উঠে সদায়
সোণোৱালী হৰিণীৰ মিচিকি হাঁহি
উদিত সূৰুযৰ আগলি বতৰাত
শুনি পাওঁ সদায়ে
কোনোবা তাপেশ্বৰী প্ৰহেলিকা
কিন্তু, নহওঁ মই বঞ্চিত····
মই কবি স্থিতপ্ৰজ্ঞ।
শুকান মৰুভূমিয়েই মোৰ জীৱন
বহ্নৰ গৰ্জ্জনেই 'মোৰ তৃষ্ণা,'
মৃগ-তৃষ্ণাই 'মোৰ স্বাদ,'
মাথোম অজস্ৰ আবেগত
হোৱা নাই ক্লান্ত
মই মানৱ স্থিতপ্ৰজ্ঞ।

## এমুঠি অনুবাদ কবিতা

( কেইটামান দেশী-বিদেশী কবিতাৰ অনুবাদেৰে সজাই তুলিব খোজা এই শিতানটিত সন্নিবিষ্ট কবিতা-মুঠিৰ মূল সৌন্দৰ্য্য হানি হবলৈ এৰি দিয়াটো অনুবাদকৰ মুঠেই কাম্য নহয়। পিছে, "অনুবাদ কৰিব নোৱাৰা বস্তুটোৱেই যদি কবিতা হয়" অনুবাদকৰ কৰণীয় একোৱে নাথাকে। কবিতাকিটা মূল ইংৰাজী অনুবাদৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে সবিতা শৰ্ম্মাই। পাঠক সমাজৰ সমাদৰ লাভ কৰা বুলি জানিলে নথৈ সুখী হ'ম— সম্পাদক )।

## ছোভিয়েত কবিতা

# সংলাপ

মূল :— ৰবিছ উপচিন

"আই,
প্ৰেমৰ বৰণটো কেনে ?"
"মোৰ সোণ, প্ৰেমৰ বৰণ জুইৰ দৰে,
যাৰ উত্তাপে সকলোকে স্পৰ্শ কৰে,
যিদৰে অভ্ৰভেদী উৰে — ৰঙা নিচান
আৰু ৰসন্তৰ দৰে ৰঙীন।"

"আই,
আনন্দৰ ৰং বাৰু কেনে হয় ?"
"বাছা, তুষাৰ শুভ্ৰযে আনন্দৰ ৰং
আৰু, হয়তো হ'ব পাৰে প্ৰথম সেউজ কুঁহিৰ দৰে।
তুমি নিজেই দেখিবলৈ পাবা সোণ, কিন্তু
তুমি প্ৰথমে আগুৱাই যাব লাগিব।
কৰিব লাগিব অতিক্ৰম বহুদূৰ
আনন্দৰ সন্ধানত।"

"আই, কেনে হ'ব বাৰু সত্যৰ ৰং ?"
"সোণ, ইয়ে অতিকে সোণালী,
সোণালী সূৰ্য্যৰ দৰে, সোণোৱালী মৌমাখিৰ দৰে।
উজ্জ্বল আৰু তীক্ষ্ণ হয় সত্য
নহয় ভীৰু কাপুৰুষৰ দৰে।"

"আই, অসত্যৰ বৰণনো কেনে ?"
"বাছা, অসত্যৰ নিজা ৰং নাই,
ই কেমিলনৰ দৰে বৰণ সলায়।"

কেমিলন — জেঠীৰ দৰে অলপ শকত জন্তু যি বৰণ সলোৱাৰ বাবে বিখ্যাত।

উৰ্দ্দু কবিতা

## শব্দ

মূল — ৰাহী মাচুম ৰাজা

মোৰ একমাত্ৰ সম্পদ — শব্দ
এই এমুঠি শব্দ
অনায়াসে পোৱা বুলি ভাবি
অবাবতে হেৰুৱালো — এই অমূল্য ধন।

যি কল্পনাৰ বাবে এটি মাথো শব্দই আছিল অলেখ
মই শব্দেৰে সজালো
যেন মই এই শব্দ সাম্ৰাজ্যৰ
একছত্ৰী ৰজা।

মই নাজানিলো হায়! শব্দয়ো আঘাট পায়,
শব্দও মৰহি যায় — শব্দৰো মৃত্যু হয়!

মই নুবুজিলো হায়! এটি এটি শব্দক
কত শত শতাব্দীয়ে সজালে পৰালে।
এয়াহে আহিছে মোৰ বোকোচালৈ
এই ক্ষণতে বা কতজনে কৰিছে আৱাহন।
মই মাথো পানীৰ দৰে বোঁৱালো
শব্দৰ অসীম ৰত্ন সম্ভাৰ।

আৰু এতিয়া,
যেতিয়া সমগ্ৰ জগতক ক'বলৈ
মোৰ হৃদয়ত কত কাহিনী,
কত কথা সঞ্চিত হৈ আছে।

কিন্তু ইকি? আজিযে মোৰ কাষত
এটিও শব্দ নাই!
মই শব্দহাৰা!
মই শব্দহাৰা!

বাংলা কবিতা

## "মাথো এটি বৰষাই"

মূল — অমৃত বসু

মাথো এটি বৰষাই
ইমানবোৰ তেজ ধুই নিব বুলি
কেনেকৈ জানিলা তুমি?
কিদৰে ইমান হত্যা মনৰ পৰা যাব মচ খাই?

আকৌ আহিলে শৰৎ সোণালী পুৱাত
পাহৰি জানো যাম
বিস্তীৰ্ণ কবৰতলিত থিয় হৈ
কালি দেখা অসংখ্য ব্যাধৰ
ছুচকুৰ কপট সাৰণ্য।

কেনেকৈ পাহৰো, এই পথতেই
কত কুমাৰীক কবৰ দি
নিঃশব্দে আহিছো পলায়
নৱ আহিনত কৃষকৰ নাঙলৰ শিৰলুত
তেওঁলোকেই হ'ব সীতা
কেনেকৈ ভাবিলা তুমি?

মাথো এটি বৰষাতে
কিয়নো ভাবিলা এই
কবৰতলিৰ পৰা উঠিব জাগি
আমাৰ হেৰোৱা স্বৰ্গ
জন্মভূমি।

# : পৃথিৱীৰ সপোন :

মূল — কৱি দুগু ( Dugu )

পৃথিৱীৰ সপোন বিলাক কেনে ঐশ্বৰ্য্যমণ্ডিত
আৰু গভীৰ,
নিশাৰ শেষত যিদিনা ধীৰে ধীৰে বসন্ত
নামে, উত্তৰ সীমান্তত
পৃথিৱীৰ দুচকুলৈ নামি আহে
দীপ্‌লীপ্‌ সপোন ।
পৃথিৱীয়ে সপোন দেখে লহপহীয়া সেউজীভৰাৰ
সপোন দেখে ঘন জোপোহাৰ
সপোন দেখে দৃষ্টিৰ দিগন্ত জুৰি
নানাৰঙী ফুল আৰু ফুলনিৰ
সপোন দেখে সুস্বাদু ফলৰ বিয়াকুল
মদিৰ সুৰভি
সপোন দেখে সোণালী শস্যৰ ।
শিশুৰ ছুভৰিৰ কাঁচিৰে কটা
সবুজ ঘাঁহৰ
আৰু বায়ুচালিত কল আৰু
ঘূৰ্ণিত পানীৰ চকৰিৰ
আৰু যেন সপোনৰ বুকুয়েদি
ভাহি আহে
কলকলাই বৈ যোৱা জুৰিৰ শব্দ
নতমুখী গাভী আৰু
বিশাল পথাৰ বিয়পি যোৱা
কুলিৰ কুউ কুউ মাত

আৰু যেন পুখুৰীৰ উষ্ণ জলধাৰাত
সাঁতুৰি ফুৰা শুভ্ৰ হাঁহজাকৰ প্ৰেম গীতি ।
পুৱৰ পৰা অহা আমাৰ সুন্দৰ বন্ধু
সূৰ্যই, তেওঁৰ সোণালী নয়নযুৰিক
— স্পৰ্শ কৰিলে
তেওঁৰ সুউচ্চ বুকু বসন্তৰ
সুবাসিত বতাহে চুই গ'ল
আৰু চুই গ'ল তেওঁৰ দীৰ্ঘকেশ,
উদং দুভৰি বক্তিম আৰু উজ্বল,
আৰু তুলি ধৰিলে তেওঁৰ কপাহী চোলা
— এনিশা —
চনপৰা পথাৰবোৰ
ৰবযুণৰ টোপালে ধুই দিলে
ৰবযুণবোৰে ঘনে ঘনে চুমা দিলে পৃথিৱীক
ব্যাকুল হৈ আঁকোৱালি ল'লে
আৰু তীব্ৰ ভাৱে
আঁকোৱালি ল'লে.......
পৃথিৱীয়ে হঠাতে সাৰ পালে
তেওঁৰ গভীৰ সপোনৰ পৰা
আৰু ধীৰে ধীৰে মেলিলে তেওঁৰ
উজ্বল দুনয়ন
তেওঁৰ দুচকু দেখো অশ্ৰুময়
এয়াযে আনন্দৰ মিঠা বেদনা
চোৱা, চোৱা
আমাৰ পৃথিৱীয়ে আজি
নতুন ৰূপেৰে
পুনৰ্জীৱিত হ'ল ॥